# সোণালী

৩৩সংখ্যক সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ২০২০-২১ বৰ্ষ

সোণালী জয়ন্তী বৰ্ষ সংখ্যা



সম্পাদক ঃ পল্লৱ কাকতি

# মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহ













# সোণালী

তেত্ৰিশ সংখ্যক

## সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ২০২০-২১ বৰ্ষ

সোণালী জয়ন্তী বৰ্ষ সংখ্যা

সোণাৰিমহাবিদ্যালয়

তেজস্বি নাবধীতমস্তু

SONARI COLLEGE

প্ৰতি,

..............................................................................

..............................................................................

সম্পাদক

পদ্মৰ কাকতি

# সোণালী

## সোণাৰি মহাবিদ্যালয় বাৰ্ষিক আলোচনী,২০২০-২১ বৰ্ষ

৩৩ সংখ্যক প্ৰকাশ

---

## সম্পাদনা সমিতি


| | | |
|---|---|---|
| পৃষ্ঠপোষক | ঃ | ড° বিমল চন্দ্ৰ গগৈ |
| তত্বাৱধায়ক | ঃ | ড° ৰঘুনাথ কাগয়ুং |
| উপদেষ্টা | ঃ | অধ্যাপকজ্যোতিপ্ৰসাদ ফুকন<br>অধ্যাপিকা ৰেখামণি গগৈ<br>অধ্যাপক যতিন্দ্ৰনাথ শইকীয়া |
| সম্পাদকঃ | ঃ | পল্লৱ কাকতি |
| সহযোগী | ঃ | ধনজিৎ গগৈ<br>নীলোৎপল শইকীয়া |
| পৰিকল্পনা | ঃ | পল্লৱ কাকতি |
| প্ৰচ্ছদ | ঃ | নীলোৎপল শইকীয়া |
| প্ৰকাশক | ঃ | ছাত্ৰ একতা সভা<br>সোণাৰি মহাবিদ্যালয়, সোণাৰি |
| প্ৰকাশ কাল | ঃ | ২০২২ চন |
| অক্ষৰ বিন্যাস | ঃ | জিয়াউদ্দিন আহমেদ |
| মুদ্ৰণ | ঃ | জিয়া অফছেট প্ৰেছ<br>ধোঁদৰ আলি<br>সোণাৰি, চৰাইদেউ। |

# উচর্গা



**ৰাজীৱ মহন্ত**

জন্ম ঃ ০১-০৭-১৯৭৭
মৃত্যু ঃ ২৪-০৪-২০২২

সোণাৰি মহাবিদ্যালয়ৰ
গ্ৰন্থাগাৰৰ চতুৰ্থ বৰ্গৰ
কৰ্মচাৰী প্ৰয়াত ৰাজীৱ মহন্ত
তথা
জ্ঞাতে-অজ্ঞাতে পৰলোকগামী
হোৱা মহাবিদ্যালয়ৰ
পৰিয়ালৰ সমূহ সদস্য-
সদস্যালৈ মহাবিদ্যালয়ৰ
৩৩ সংখ্যক বাৰ্ষিক
আলোচনী
'সোণালী'
উচৰ্গা কৰা হ'ল।

# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষসমূহত আমাৰ মাজৰ পৰা দেশ
তথা সমাজৰ বিভিন্ন দিশত অৱদান
আগবঢ়াই পৰলোকগামী হোৱা বিশিষ্ট
ব্যক্তি সকললৈ ৩৩ সংখ্যক বাৰ্ষিক
আলোচনী **'সোণালী'**ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি
নিবেদিছোঁ।

# মহাবিদ্যালয় সংগীত



✍রচনা আৰু সুৰ ঃ **ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই**

*সাৰে আছো আমি*
*হেজাৰ সেনানি*
*জ্ঞানৰ পূজাৰী হৈ,*
*কলা বিজ্ঞানৰ দুগছি বন্তি*
*দুখনি হাতত লৈ।*

*সেউজী আমাৰ মনৰ পৃথিৱী*
*জ্ঞানেৰে জীপাল কৰা,*
*দুখ দৈন্য দূৰতে বিদূৰি*
*হৰষে উপচাওঁ ধৰা,*
*দৃষ্টি আমাৰ দূৰ দিগন্ত*
*পাখি মেলি উৰি যাওঁ*
*শান্তিৰ পখী হৈ।।*

*সৃষ্টিৰ কঁঠিয়া আহাঁ গুজি দিওঁ*
*আমাৰ মনৰ পথাৰতে,*
*অন্ধকাৰৰ প্ৰাচীৰ ভাঙি*
*পোহৰৰে ঢল বোৱাওঁ আমি*
*জ্ঞানৰ পূজাৰী হৈ*
*জ্ঞানৰ পূজাৰী হৈ।।*



জয় আই অসম

সদৌ অসম ছাত্ৰ সন্থা

ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014

প্ৰসঙ্গ ঃ

দিনাংক ঃ ০৫/০৯/২০২২

## শুভেচ্ছা বাণী

চৰাইদেউ জিলাৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ে ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। গৌৰৱোজ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰাৰ লগতে হাজাৰ হাজাৰ মানৱ সম্পদ গঢ়ি তুলিবলৈ সক্ষম হোৱা মহাবিদ্যালয় খনৰ বাৰ্ষিক আলোচনী "সোণালী"ৰ জৰিয়তেও বিগত সময়ত বহু নতুন লেখক-লেখিকাৰ সৃষ্টি হ'ল। তেনে সময়তে মহাবিদ্যালয় খনৰ বাৰ্ষিক আলোচনী "সোণালী"ৰ নতুন সংখ্যা প্ৰকাশৰ প্ৰস্তুতি চলা বুলি জানিব পাৰি অতিশয় সন্তোষিত হৈছো।

আশা কৰিছো বাৰ্ষিক আলোচনীখনত ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন লেখা প্ৰকাশৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশত সহায়ক হ'ব।

মহাবিদ্যালয়খনৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জনালোঁ।

শেষত আলোচনীখন সকলোৰে মনোগ্ৰাহী তথা প্ৰতিটো প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হওঁক। তাৰ শুভকামনাৰে........

(দীপাংক কুমাৰ নাথ)
সভাপতি

(শংকৰজ্যোতি বৰুৱা)
সাধাৰণ সম্পাদক

।। সদৌ অসম ছাত্ৰ সন্থা ।।

**Topon Kumar Gogoi**
MEMBER OF PARLIAMENT
(LOK SABHA)
12 No. Jorhat, HPC, Assam
Member
Standing Committee on
Petroleum and Natural Gas
Member
Consultative Committee
For Ministry of Power,
New & Renewable Energy

सत्यमेव जयते

Off. Add. 127-129
South Avenue
New Delhi-110001
Ph. 01123012123
Mob. 9435012570

Ref. শুভেচ্ছাবাণী/৮০/২০২২

Date ০৩/০৯/২০২২



## শুভেচ্ছাবাণী

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰ একতা সভাই সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ ''সোণালী''ৰ ২০২০ আৰু ২০.২১ চনৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো। ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে প্ৰতিষ্ঠা লাভ কৰা এই সোণাৰি মহাবিদ্যালয় খনিয়ে বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক প্ৰতিভাৰ লগতে ব্যক্তিগত প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো এক উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে।

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই বাৰ্ষিক মুখপত্ৰ ''সোণালী''ৰ এই সংখ্যাটি প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভাসমূহ বাইজৰ আগত দাঙি ধৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিলোঁ। শেষত মুখপত্ৰ খনিত মহাবিদ্যালয়ৰ ইতিহাস আৰু শৈক্ষিক দিশসমূহ সুন্দৰভাৱে উপস্থাপন হোৱাৰ লগতে মুখপত্ৰ খনি মহাবিদ্যালয়খনিৰ ইতিহাসৰ সাক্ষী হৈ ৰ'ব বুলি আশা কৰিলোঁ।

বিনীত

(তপন কুমাৰ গগৈ)
সাংসদ
১২ নং যোৰহাট লোকসভা সমষ্টি




অধ্যক্ষ - ড০ বিমল চন্দ্ৰ গগৈ




উপাধ্যক্ষ - শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা

# সম্পাদনা সমিতি



ড° বিমল্ চন্দ্ৰ গগৈ
মুখ্য পৃষ্ঠপোষক



ড° ৰঘুনাথ কাগ্যুং
তত্বাৱধায়ক



অধ্যাপক জ্যোতিপ্ৰসাদ ফুকন
উপদেষ্টা



অধ্যাপিকা ৰেখামণি গগৈ
উপদেষ্টা



অধ্যাপক যতীন্দ্ৰনাথ শইকীয়া
উপদেষ্টা



পল্লব কাকতি
সম্পাদক



নীলোৎপল শইকীয়া
সদস্য



ধনজিৎ গগৈ
সদস্য

# কৃতজ্ঞতা

❖ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ আৰু উপাধ্যক্ষ শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱা মহোদয়।

❖ আলোচনীৰ সকলো লেখক লেখিকা।

❖ তত্ত্বাৱধায়ক ড° ৰঘুনাথ কাগয়ুং

❖ উপদেষ্টা শ্ৰীযুত জ্যোতিপ্ৰসাদ ফুকন, শ্ৰীযুত যতীন্দ্ৰনাথ শইকীয়া, শ্ৰীযুতা ৰেখামণি গগৈ।

❖ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰী।

❖ জিয়া অফছেট প্ৰেছৰ পৰিয়ালবৰ্গ।

# অধ্যক্ষৰ একলম

ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়




চৰাইদেউ জিলাৰ সদৰ সোণাৰি নগৰৰ সোঁমাজত অৱস্থিত সোণাৰি মহাবিদ্যালয় খনে ২০২০ চনত পঞ্চাশ বছৰ অতিক্ৰম কৰিলে। সীমিত সা-সুবিধাৰ মাজেৰে মহাবিদ্যালয়খনে সমগ্ৰ চৰাইদেউ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলক উচ্চ শিক্ষা প্ৰদান কৰিবলৈ চেষ্টা চলাই আহিছে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, অধ্যাপক অধ্যাপিকা, কৰ্মচাৰী সকলে ইয়াত এটা শৈক্ষিক পৰিবেশ গঢ়ি তুলিছে। শিক্ষাগ্ৰহনৰ পৰিৱেশ ৰক্ষা কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰো যথেষ্ট ভূমিকা আছে। শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে ছাত্ৰ-ছাত্ৰীসকলে বহুত কৰিব লগা কাম থাকে, সেইবোৰক তেওঁলোকৰ কতব্য বুলিব পাৰি। বিশেষকৈ গ্ৰন্থাগাৰ, জিৰণি কোঠা, বাইক ষ্টেণ্ড, কেন্টিন, তয়লেট, পানীৰ টেপ আদিৰ ব্যৱহাৰৰ ক্ষেত্ৰত নিজৰ দ্বায়িত্ব আৰু কৰ্তব্য থাকে।

বৰ্তমান সোণাৰি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত একৈশ হাজাৰৰো অধিক গ্ৰন্থ আছে। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ পৰা কিতাপ নি ঘৰত পঢ়িব পাৰে অথবা গ্ৰন্থাগাৰৰ পঢ়াকোঠাত পঢ়িব পাৰে। তেওঁলোকে অফ-পিৰিয়দত গ্ৰন্থাগাৰত পঢ়াৰ অভ্যাস কৰা উচিত। "পঢ়ে, পঢ়ায় ৰোৱেপাণ ই নিনিয়ে নিচিন্তে আন"। কিতাপবোৰ নিজে পঢ়ি জ্ঞান অৰ্জন কৰাৰ পাচত ভৱিষ্যতে আনে পঢ়িব পৰাকৈ ৰখাত গুৰুত্ব দিব লাগে। এই ক্ষেত্ৰত কিতাপবোৰ ফলা-চিৰা কৰিব নালাগে। এঠাইত থকা কিতাপ আন ঠাইত থব নালাগে। লাইব্ৰেৰীত পঢ়োতে শব্দ কৰি পঢ়িব নালাগে। গ্ৰন্থাগাৰত থকা বাতৰিকাকত আৰু আলোচনী সমূহৰ সম্যক অধ্যয়নে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক যিকোনো বিষয়ৰ জ্ঞান লাভত সহায় কৰিব। অৱশ্যে গ্ৰন্থাগাৰত গৈ লগৰীয়াৰ লগত কথা পাতি থাকিব নালাগে আৰু নিৰৱতা ৰক্ষা কৰি পঢ়াৰ পৰিবেশ গঢ়ি তোলিব লাগে। ঘৰলৈ নিয়া কিতাপ-বিলাক নিদিষ্ট সময়ৰ পাছত ঘূৰাই দিব লাগে।

জিৰণি কোঠাৰ ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে বিশেষভাৱে কিছুমান কথাত গুৰুত্ব প্ৰদান কৰিব লাগে। ছাত্ৰ বা ছাত্ৰীৰ জিৰণি কোঠাটো পৰিস্কাৰকৈ ৰাখিবলৈ যত্ন কৰিব লাগে। কাগজ পলিথিনৰ পেকেট

চিপচৰ পেকেট আদি কোঠাটোত পেলাব নালাগে। সেইবোৰ ডাষ্টবিনত পেলোৱাৰ অভ্যাস কৰিব লাগে। বহা চকী বেঞ্চ আদিত লিখিব নালাগে আৰু বেকা-বেকীকৈ থৈ আহিব নালাগে। কোঠাৰ পৰা ওলাই যাওঁতে কোনো নাথাকিলে লাইট আৰু ফেনৰ চুইছ বন্ধ কৰি যাব লাগে । বেৰৰ চুকত পিক বা থু পেলোৱা অনুচিত ছাত্ৰী জিৰণি কোঠাৰ ভেন্দি মেচিন আৰু ইনচিনাৰেটৰ ব্যৱহাৰ ভালদৰে কৰিবলৈ শিকি ল'ব লাগে। মুঠতে কোঠাটোৰ সকলো বস্তু বেয়া নোহোৱাকৈ ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব লাগে।

চাইকেল বা বাইক ষ্টেণ্ডৰ ব্যৱহাৰৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মন কৰিব লাগে যাতে বাসকসমূহ শাৰী শাৰীকৈ সুন্দৰ ভাৱে ৰাখে। গেটৰ সন্মুখত খেলি মেলিকৈ বাইক স্কুটি ৰখা অনুচিত। হেলমেট পিন্ধিহে বাইক চলাব লাগে। বাইক স্কুটিৰ লগত ৰাখিব লাগে। সদায় কম স্পীডত বাহন চলোৱা উচিত। চাইলেনচাৰৰ শব্দ ডাঙৰ কৰি আনক আমনি কৰিব নালাগে। এনে কৰা সকলে প্ৰকৃততে নিজৰ হীনমন্যতাহে প্ৰকাশ কৰে। যান-বাহন আইন মানিহে মটৰ চাইকেল গাড়ী আদি চলাবলৈ অভ্যাস কৰিব লাগে। ।

কলেজৰ কেন্টিন খন ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে কেইটামান কথা মনত ৰাখিব লাগে। গোটেই দিনটো মহাবিদ্যালয়ত থাকি ক্লাচ কৰাৰ পাছত লাগিলে খাব পৰাকৈ সামগ্ৰী কেন্টিনত যোগান ধৰে। ছাত্ৰ ছাত্ৰীসকলে কেতিয়াবা আগতিয়াকৈ দি থ'ব পাৰে নাইবা নিজৰ পছন্দৰ খাদ্য তৈয়াৰ কৰিবলৈ কেন্টিন পৰিচালকক অনুৰোধ কৰিব পাৰে। অৱশ্যে কোনো ছাত্ৰ বা ছাত্ৰীয়ে এনেয়ে বহু সময় কেন্টিনত বহি কথা পাতি থাকিব নালাগে। তেনে কৰিলে আন ছাত্ৰ-ছাত্ৰী আহি বহিবলৈ বা খাবলৈ অসুবিধা হ'ব। আমি সদায় নিজতকৈ আনক বেছি সুবিধা দিবলৈ চেষ্টা কৰিব লাগে। আনক অসুবিধা নিদিয়াকৈ জীৱনটো জীয়াই থাকিবলৈ শিকিব লাগে। কেন্টিনৰ ভিতৰত বা কাষত পিক, থু আদি পেলাব নালাগে। কেন্টিনখন পৰিস্কাৰকৈ ৰখাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে।

মহাবিদ্যালয়ৰ বয়বস্তু সমূহ ব্যৱহাৰ কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলে খুউৱ সতৰ্ক হ'ব লাগে। মহাবিদ্যালয়ৰ চৌপাশ চাফ চিকুনকৈ ৰখাৰ ক্ষেত্ৰত তেওঁলোকে বিশেষ যত্ন ল'ব পাৰে। উদাহৰণ স্বৰূপে - কাগজৰ টুকুৰা, পাণ মচলাৰ পেকেট আদি প্ৰস্ৰাৱগাৰত পেলোৱা পৰা বিৰত থাকিব লাগে। কাৰণ এনে জাৱৰ প্ৰস্ৰাৱগাৰত পৰিলে পানী ঢালিলেও আঁতৰাব নোৱাৰি। আনহাতে মহাবিদ্যালয়ত ৰ ব্যৱস্থাত বা সেই পদবীৰ চাকৰি নাথাকে। গতিকে বাহিৰৰ পৰা আনি শকত মাননি দি চাফা কৰিব লগা হয় আৰু তেওঁলোকে নহালেকে আমি দুৰ্গন্ধৰ মাজত থাকিব লাগে। সেয়ে আমি ব্যৱহাৰ কৰাৰ পাচত পানী ঢালি চাফা কৰি আহিব পাৰোহক। স্বচ্ছতাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে সদায় মাত মাতি আহিছে। প্ৰতিজন শিক্ষাৰ্থীয়ে নিজৰ দায়িত্ব পালন কৰিলে মহাবিদ্যালয়খন নিশ্চয় স্বচ্ছ হৈ থাকিব।

মহাবিদ্যালয়ত ৰ ব্যৱস্থা আছে আৰু এই ব্যৱস্থাৰ পানীৰ টেপবোৰ ব্যৱহাৰ কৰোতে ছাত্ৰ-ছাত্ৰী সকলে বিশেষ সাৱধানত অৱলম্বন কৰিব লাগে। পানীৰ টেপৰ পৰা পানী খোৱাৰ পাছত বা হাত ধোৱাৰ পাচত টেপটো ভালদৰে বন্ধ কৰিব লাগে। পানীৰ টেপ বন্ধ নকৰাকৈ এৰি আহিব নালাগে। অসাৱধান বশত খুলি থৈ আহিলে পানী গৈ গৈ টেঙ্কী খালী হৈ যায় আৰু পাচত আন কোনোবাই ব্যৱহাৰ কৰিবলৈ নাপাব। পানীৰ টেপৰ পৰা পানী পৰি থকা দেখিলে বন্ধ কৰি দিয়াৰ অভ্যাস কৰিব লাগে। কেতিয়াবা টেপত পানী নাপাই টেপটোকে ভাঙি থৈ যোৱা দেখা যায়। কিন্তু তেনে কৰিব নালাগে।

ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত অধ্যয়ন কৰা বিষয়ৰ উপৰিও সৃষ্টিশীল লেখা-মেলা কৰা উচিত। কবিতা, গল্প, প্ৰৱন্ধ আদি লিখি নিজৰ প্ৰতিভা বিকাশ তথা প্ৰকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনী "সোণালী" য়ে বিশেষ ভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ সহায় কৰিছে। "সোণালী" ৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াৰ ধাৰাবাহিকতা। ২০২০-২১ বৰ্ষত ছাত্ৰএকটা সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা ন'গল যদিও বিগত বৰ্ষৰ বিষয়ববীয়া সকলকেই এই বৰ্ষৰ সোণালীখন প্ৰকাশৰ ব্যৱস্থা কৰি ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰিলে। তাৰ বাবে আলোচনীখনৰ এই সংখ্যাটো প্ৰকাশৰ লগত জড়িত সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰি অধ্যক্ষৰ একলম সামৰিলো।

# সম্পাদকীয়





স্পষ্ট ভাষাৰে সঁচা কথা কবলৈ গ'লে - ৫৩ টা শৰৎ গৰকা মহাবিদ্যালয় এখনৰ বাৰ্ষিক পত্ৰিকা বা আলোচনীখনৰ সম্পাদকীয়টো কেনেকুৱা হোৱা উচিত মোৰ কোনো ধৰণা নাই। কথা পাতি আছিলো। ককাইদেউ এজনে ক'লে- 'জাত গুণে কঠীয়া, বেজী গুণে বটীয়া- মই বুলো হা- তেওঁ আওৱালে -

*জন্‌জনাই যায় কাঁহৰ বাটিত*
*মোৰ হালধি বটা ৰাতি*

তাৰ পিছত তেওঁ কেই ছেকেণ্ডমান নিতাল মাৰি আকৌ আৰম্ভ কৰিলে।

*গোটেই আহিন মহীয়া ৰাতিটো*
*ইন্দ্ৰমালতি ফুলবোৰে কান্দি আছিল*
*উঠি গৈ দেখিলোগে*
*গাঁৱৰ এটা গধূলিৰ দৰে*
*তোমাৰ হাঁহিটো*
*তামোল জোপাত ওলমি আছিল।*

মই মুখেৰে টু শব্দ এটাও নকৰিলো। মন ন'গল। তেওঁ মোক লক্ষ্য কৰিলে চালে তাকে কিবা এটা ন ভাৱে কুটিছে তেওঁৰ মনত। মই মন কৰিলো অকস্মাত তেওঁৰ চকুহাল তৰাৰ দৰে তিৰ্‌বিৰাই উঠিছে। কিনো বুলি ভাবোতে তেওঁ সাউতকৈ ভিতৰলৈ গ'ল। তেতিয়া সন্ধিয়া নামিছিলহে মাত্ৰ। অৱশ্যে তেওঁ তাৰ পৰা ঘূৰি আহোঁতে ন মানেই বাজিল। মিছা নো কি কম -? জীৱনত প্ৰথমবাৰ অনুভৱ হ'ল আমাক জীয়াবলৈ নীলমণি ফুকনে কেনেকৈ আতে-বান্ধে-

*জোণ্ডা এটা শিলত পৰি*
*চিনা মাটিৰ প্লেটৰ দৰে ফাগুনৰ জোন*
*ভাঙি যোৱা দেখি*
*কেনেকৈ*
*চৰাইবোৰে কান্দে।*

এতিয়া ৰাতি এক বাজিছে। জ্ঞানপীঠ বঁটা গ্ৰহণৰ মূৰ্হত্বত কবি নীলমণি ফুকনে আগবঢ়োৱা ভাষণটো পঢ়ি আছো। পঢ়ি আছো মানে ডুবি আছো। এক কথাত উলমি আছো। ভাবিছো কিমান বেছি সঁচা হ'লে জীৱনে নিৰ্মাণ কৰে হিমালয় সম ওখ উদ্‌যাপনৰ বাট।

*তোমাৰ তিতা চুলি কোচাৰ আগেৰে মই*
*টোপ্ টোপ কৈ সৰোঁ....*

আহ্বান টো স্পষ্ট। শব্দৰে জীৱন আঁকিব খোজাসকলে, অনুভৱেৰে দেউল সাঁজিব খোজাসকলে নীলমণি অধ্যয়ণ বিজ্ঞান সন্মতভাৱে কৰক। স্বাভিমান বুজক। শিপা চিনক। এইয়াই হ'ব সূৰ্য্য নামি অহাৰ বাট। পথাৰবোৰ সেউজীয়া হোৱাৰ আঁত।

ধন্যবাদেৰে
-পল্লৱ কাকতি

# সূচীপত্ৰ


| | |
|---|---|
| ভাৰতৰ শিক্ষা নীতিৰ পৰিৱৰ্তন আৰু উচ্চ শিক্ষা | দিলীপ ৰঞ্জন বৰুৱা ১৪ |
| অৱনী চক্ৰৱৰ্তী ঃ অসমীয়া প্ৰগতিশীল কাব্য-যাত্ৰাৰ এক বিস্ময় খোজ | ড° ৰঘুনাথ কাগয়ুং ১৯ |
| শিক্ষক ছাত্ৰৰ কথোপকথনত শংকৰদেৱৰ বৈজ্ঞানিক দৃষ্টিভংগী | ড° ৰীতা দত্ত ২৩ |
| ছাত্ৰ-ছাত্ৰী আৰু মূল্যবোধ শিক্ষাৰ | যতীন্দ্ৰ নাথ শইকীয়া ২৫ |
| এটা পিশাচৰ লগত এনিশা | ৰীণা বৰঠাকুৰ ২৭ |
| ড° ভূপেন হাজৰিকা আৰু নদী | কেশৰী ভূঞা ৩৩ |
| গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা | ৰেখামণি গগৈ, ৩৪ |
| নাৰীত্ব আৰু নাৰীবাদ | হোমেন গগৈ ৪০ |
| উজ্জ্বল যৌৱন আৰু জীৱনৰ | হেম্পী গগৈ, ৪১ |
| ফাগুন | পূজাশ্ৰী চেতিয়া ৪২ |
| জ্ঞানপীঠ কবি নীলমণি ফুকন | প্ৰজ্ঞাশ্ৰী দুৱৰী ৪৩ |
| ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা | অনুপম শইকীয়া ৪৫ |
| TOPIC INTRODUCTION TO POSITIVE PSYCHOLOGY | Surojit Konwar ৪৭ |
| "চিন্তাধাৰা বনাম নৱপ্ৰজন্ম" "নৱপ্ৰজন্ম | সীমান্ত হাজৰিকা ৫০ |
| পদাৰ্থ বিজ্ঞানত নৱ-পৰিক্ৰমা আৰু এলবাট আইনষ্টাইন | লক্ষী বৰুৱা ৫০ |
| কলাজ | ৰিতামণি বৰগোঁহাই ৫২ |
| মনোজগত | দীপাঞ্জলি ডেকা ৫৪ |
| "অসমীয়া চাহ জনগোষ্ঠীৰ লোকসকলৰ কৰম পূজা" | বিষ্ণু প্ৰধান, ৫৫ |
| নাৰী | বেবী নায়ক ৫৬ |
| ১৯ শ শতিকাৰ ভাষা বিৰ্তক | মানস প্ৰতিম গগৈ ৫৮ |
| Article on Child Labour | ৬০ |
| টাইফাকে জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যাৱলী | ধনজিৎ গগৈ ৬১ |

# ভাৰতৰ শিক্ষা নীতিৰ পৰিৱৰ্তন আৰু উচ্চ শিক্ষা

দিলীপ ৰঞ্জন বৰুৱা
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ,
সোণাৰি মহাবিদ্যালয়

ভাৰতীয় দৰ্শন আৰু চিন্তাধাৰাই জ্ঞান (Pursuit of Knowledge),প্ৰজ্ঞা (wisdom) আৰু সত্য (Truth)ক মানৱ জাতিৰ সৰ্বোচ্চ লক্ষ্য হিচাপে স্বীকৃত কৰিছে। এই জ্ঞান, প্ৰজ্ঞা আৰু সত্যৰ অন্বেষণত প্ৰাচীন কালৰে পৰা আমাৰ দেশখনে এক ঐতিহ্য বহনকৰি আহিছে। এইক্ষেত্ৰত এলবাৰ্ট আইনষ্টাইনৰ এযাৰি উক্তি মনকৰিবলগীয়া। তেখেতে উল্লেখ কৰিছিল - "আমি ভাৰতীয় সকলৰ ওচৰত যথেষ্ট পৰিমাণে ঋণী, যি আমাক কেনেকৈ গণনা কৰিব লাগে শিকালে, যাৰ অবিহনে কোনোধৰণৰ গুৰুত্বপূৰ্ণ বৈজ্ঞানিক উদ্ভাৱন কৰিব পৰা নহ'লহেতেন।" প্ৰাচীন ভাৰতৰ নালন্দা, তক্ষশীলা আদি বিশ্বমানৰ শৈক্ষিক প্ৰতিষ্ঠান সমূহে বহুধাবিষয়ক (Multidisciplinary) শিক্ষণ আৰু গৱেষণাৰ দ্বাৰা দেশখনৰ বিভিন্ন অঞ্চলৰ আৰু বিভিন্ন পৰিৱেশৰ ছাত্ৰ-ছাত্ৰী আৰু গুণী-জ্ঞানী ব্যক্তি সকলক উদ্ভাসিত কৰিছিল। একোটা প্ৰজন্মই গঢ় দিয়া বৌদ্ধিক ভেটি আৰু গাঁঠনিয়ে পৰৱৰ্তী প্ৰজন্মৰ বিকাশ নিৰ্ণিত কৰে।

স্বাধীনতা লাভ কৰাৰ পাছত আমাৰ দেশখনৰ শিক্ষাব্যৱস্থাত এক নতুন ধাৰাৰ সূচনা হয়। ১৯৫১ চনত দেশখনে আৰম্ভ কৰা অৰ্থনৈতিক পৰিকল্পনা সমূহত শিক্ষাব্যৱস্থাৰ উন্নয়ন আৰু সম্প্ৰসাৰণৰ বাবে বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰা হয়। ইয়াৰ সমান্তৰালকৈ সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকসকলক সামৰি আধুনিক শিক্ষাৰ প্ৰয়োগ আৰু দেশীয় লক্ষ্য আৰু উদ্দেশ্যৰ লগত খাপ খাব পৰাকৈ ভাৰতীয় শিক্ষাব্যৱস্থাক এক উন্নত পৰ্য্যায়লৈ নিয়াৰ বাবে প্ৰচেষ্টা কৰা হয়। ১৯৬৮ চনত 'কোঠাৰী আয়োগ'ৰ অধীনত প্ৰথম 'ৰাষ্ট্ৰীয় শিক্ষা নীতি' গ্ৰহণ কৰা হয়। এই নীতিৰ আধাৰত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ, ত্ৰি-ভাষা সূত্ৰৰ প্ৰয়োগ, উচ্চ শিক্ষাত আঞ্চলিক ভাষাৰ প্ৰয়োগ, কৃষি আৰু উদ্যোগিক শিক্ষাৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। পৰৱৰ্তী সময়ত পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰয়োজনীয়তাৰ লগত খাপ খাব পৰাকৈ ১৯৮৬ চনত পুনৰ এক 'ৰাষ্ট্ৰীয় শিক্ষা নীতি' ঘোষণা কৰা হয়। পূৰ্বতে গ্ৰহণ কৰা প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ লক্ষ্যৰ উপৰিও এই শিক্ষা নীতিয়ে মাধ্যমিক শিক্ষাক বৃত্তিমুখী কৰা (Vocationalisation) আৰু উচ্চ শিক্ষাক বিশেষীকৰণ কৰা (Specialisation)ৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। পাঠ্যক্ৰমৰ মান বৰ্তাই ৰাখিবৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত 'ৰাষ্ট্ৰীয় শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (National Council for Education, Research and Training or NCERT)' আৰু ৰাজ্যিক পৰ্য্যায়ত 'ৰাজ্যিক শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (State Council for Education, Research and Training or SCERT)' স্থাপন কৰা হয়। উচ্চ শিক্ষাৰ মান বৰ্তাই ৰাখিবৰ বাবে 'বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission or UGC)' গঠন কৰা হয়। সাধাৰণ শিক্ষাৰ উপৰিও বিভিন্ন ধৰণৰ মানৱ মূলধন গঠনৰ বাবে কাৰিকৰী শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। ইয়াৰ ফলস্বৰূপে সমগ্ৰ দেশত যথেষ্টসংখ্যক IIT,

Polytechnique, Engineering College, Medical আৰু Dental College গঢ়ি তোলা হয়। কৃষি শিক্ষা, নাৰী শিক্ষা, বৃত্তিমূলক শিক্ষা, অনানুষ্ঠানিক শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা, ভাৰতীয় ভাষা আৰু সংস্কৃতিক উদ্ভাসিত কৰা, বিজ্ঞান শিক্ষাৰ উন্নতি ইত্যাদি দিশত বিভিন্ন আঁচনি গ্ৰহণ কৰা হয়। সকলোৰে বাবে শিক্ষাৰ লক্ষ্য আগত ৰাখি ২০০১ চনত 'সৰ্বশিক্ষা অভিযান অভিযান (Sarva Shiksha Abhijan or SSA)' আৰম্ভ কৰা হয়। পৰৱৰ্তী সময়ত ২০০৯ চনত 'ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (Rashtriya Madhyamic Shiksha Abhijan or RMSA)' আৰু শেহতীয়াকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰখন সামৰি লব পৰাকৈ ২০০৯ চনত 'ৰাষ্ট্ৰিয় উচ্চতৰ শিক্ষা অভিযান (Rashtriya Uchchatar Shiksha Abhijan or RUSA)'ৰ ব্যৱস্থা কৰা হয়।

ঐতিহাসিক দৃস্টিকোণেৰে এই কথা ক'ব পাৰি যে ভাৰতীয় শিক্ষা ব্যৱস্থাই মূলতঃ দুটা উদ্দেশ্য পূৰণ কৰি আহিছে। সেই দুটা হ'ল - (১) জ্ঞান আৰু দক্ষতা প্ৰদান কৰা বা মানৱ উন্নয়নৰ ভূমিকা গ্ৰহণ আৰু (২) উচ্চতৰ শিক্ষা আৰু দক্ষতা নিহিত জীৱিকাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মূল্যাঙ্কন, শ্ৰেণীকৰণ আৰু বাছনি কৰা যিটোক Sorting and Selection ভূমিকা আখ্যা দিয়া হয়। দীৰ্ঘদিন ধৰি ভাৰতীয় শিক্ষা ব্যৱস্থাই মানৱ উন্নয়নৰ বিপৰীতে Sorting and Selection বা Filtration ৰ ভূমিকা গ্ৰহণ কৰি আহিছে। এনে পটভূমিত শিক্ষাক মানৱ উন্নয়নৰ দিশত ধাৱিত কৰাৰ বাবে ভাৰতীয় শিক্ষা নীতিৰ পৰিৱৰ্তন আৱশ্যকীয় হৈ পৰিছে।

পৰিৱৰ্তনৰ আন এটা নাম হ'ল সংস্কাৰ। ইয়াক উন্নয়নৰ এক ভাল চিন হিচাপে গণ্য কৰিব পাৰি। ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাৰ ক্ষেত্ৰতো একে কথাই পৰিলক্ষিত হৈছে। ধীৰ গতিত অৱধাৰিতভাৱে আমাৰ দেশখনৰ শিক্ষাব্যৱস্থাত বহুতো পৰিৱৰ্তন ঘটিছে। বিশেষকৈ যোৱা দশকটোত ই কিছু ব্যাপকতা লাভ কৰিছে য'ত Blended শিক্ষা, Online শ্ৰেণী, সকলো পৰ্যায়ত এক আৱশ্যকীয় চৰ্ত হৈ পৰিছে। অভিজ্ঞতাপুষ্ট শিক্ষা (Experience Learning) প্ৰকল্প ভিত্তিক (Project-based Learning) শিক্ষা আদিয়ে শৈক্ষিক বিষয় সমূহৰ লগত ছাত্ৰ-ছাত্ৰীয়ে কৰা আন্তঃক্ৰিয়াত পৰিৱৰ্তন আনিছে। শিক্ষক-কেন্দ্ৰীক শিক্ষাৰ পৰিৱৰ্তে শিক্ষাৰ্থী-কেন্দ্ৰীক শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। উচ্চতৰ শিক্ষাৰ ক্ষেত্ৰখনত বাৰ্ষিক পাঠ্যক্ৰমৰ আধাৰত শিক্ষন-শিকন আৰু মূল্যায়নক ষান্মাসিক (Semester) ব্যৱস্থালৈ পৰিৱৰ্তন কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ বিষয়-বাচনিৰ ক্ষেত্ৰত নমনীয়তা সৃষ্টি কৰাৰ লগতে নম্বৰ ভিত্তিক মূল্যাংকনৰ পৰিৱৰ্তে গুণগত মান নিৰ্ধাৰণৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশাৱলী অনুসৰি বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়তপছন্দ-ভিত্তিক মান ব্যৱস্থা (Choice Based Credit System or CBCS) সূচনা কৰা হ'ল। এই ব্যৱস্থাৰ অধীনত ছাত্ৰ-ছাত্ৰীয়ে বাচনি কৰা মূল বিষয়ৰ শিক্ষা আহঁৰণ কৰাৰ উপৰিও উক্ত বিষয়ৰ বাহিৰৰ আন বিষয়ৰ (Interdisciplinary) শিক্ষা, সামৰ্থ বৃদ্ধিৰ পাঠ্যক্ৰম (Ability Enhancement Compulsory Course or AECC), দক্ষতা বৃদ্ধিৰ পাঠ্যক্ৰম (Skill Enhancement Course or SEC) আদি বাধ্যতামূলক ভাৱে অন্তৰ্ভুক্ত কৰা হৈছে। এই ব্যৱস্থাত প্ৰতিটো বিষয়ৰ পাঠ্যসূচীৰ বিপৰীতে একোটা মানবিশিষ্ট সংখ্যা (Credit Point ) নিৰ্ধাৰিত কৰি দিয়া হয়। একোটা পাঠ্যক্ৰমৰ আটাইকেইটা ষান্মাসিকত ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব লগা কাকত সমূহৰ সৰ্বনিম্ন মুঠ Credit Point নিৰ্ধাৰিত কৰি দিয়া হয়। একোখন কাকতত ছাত্ৰ-ছাত্ৰীয়ে পোৱা নম্বৰ আৰু কাকতখনৰ বাবে থকা Credit Point ৰ ওপৰত ভিত্তি কৰি Letter Grade আৰু Grade Point প্ৰদান কৰা হয়। এগৰাকী শিক্ষাৰ্থীয়ে এটা ষান্মাসিকত থকা আটাইখিনি কাকতৰ Grade Point ৰ গড় নিৰ্ণয় কৰি শিক্ষাৰ্থী জনক Semester Grade Point Average or SGPA প্ৰদান কৰা হয়। পৰৱৰ্তী পৰ্যায়ত আটাইকেইটা ষান্মাসিকৰ SGPA ওপৰত ভিত্তি কৰি Cumulative Grade Point Average or CGPA প্ৰদান কৰা হয়। এই CGPA ৰ সংখ্যাৰ দ্বাৰা শিক্ষাৰ্থী গৰাকীৰ শিকনৰ মান মূল্যায়ন কৰা হয়।

ভাৰত চৰকাৰে দেশখনত ৩৪ বছৰ ধৰি চলি থকা "শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি, ১৯৮৬ (National Policy on Education or NPA, 1986) সলনি কৰি "ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০ (National Education Policy or NEP, 2020)" গ্ৰহণ কৰিছে। প্ৰৱেশ (Access), সমতা (Equity), গুণ (Quality), আয়ত্ব কৰিব পৰা (Affordability) আৰু দায়বদ্ধতা (Responsbility) -এই চাৰিটা বুনিয়াদী সৌধৰ ওপৰত প্ৰতিস্থিত এই শিক্ষা নীতি দেশখনে গ্ৰহণ কৰা বহনক্ষম উন্নয়নৰ এজেণ্ডা, ২০৩০ ৰ লগত মিলাই প্ৰস্তুত কৰা হৈছে। এই নীতিৰ লক্ষ্য হ'ল ভাৰতবৰ্ষক এখন উজ্জীৱিত জ্ঞানৰ সমাজলৈ পৰিৱৰ্তন কৰা আৰু গোলকীয় জ্ঞানৰ মহাশক্তি (Global Knowledge Superpower)ত পৰিণত কৰা । ইয়াৰ বাবে ২১ শতিকাৰ প্ৰয়োজনীয় দক্ষতা সমূহৰ লগত খাপ খুৱাই আৰু প্ৰতিগৰাকী ছাত্ৰ বা ছাত্ৰীৰ একক সক্ষমতা সমূহক উদ্ভাসিত কৰাৰ লক্ষ্যৰে বিদ্যালয় শিক্ষা আৰু উচ্চতৰ শিক্ষা উভয়তে অধিক সৰ্বাত্মক(Holistic), নমনীয় (Flexible) আৰু বহুধাবিষয়ক (Multidisciplinary) কৰিব বিছৰা হৈছে। উচ্চতৰ শিক্ষাত স্কুল নামভৰ্তিৰ অনুপাত (Gross Enrolment Ratio) ২০১৮ চনৰ ২৬.৩ শতাংশৰ পৰা ২০৩৫ চনত ৫০ শতাংশলৈ বৃদ্ধিৰ লক্ষ্য আগত ৰখা হৈছে। এই নীতিয়েবহল-ভিত্তিক, বহুধাবিষয়ক, সৰ্বাত্মক "নিম্ন স্নাতক শিক্ষা (Undrgraduate Education)"ৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে নমনীয় পাঠ্যক্ৰম, বিষয় সমূহৰ সৃষ্টিশীল সংযোজন, বৃত্তিমূলক শিক্ষাৰ সংহতকৰণ আৰু উপযুক্ত প্ৰমাণ পত্ৰৰ সৈতে স্নাতক ডিগ্ৰী লাভ কৰালৈকে এটা পৰ্যায়ৰ অন্তত শিক্ষানুষ্ঠানৰ পৰা ওলাই যোৱা আৰু পুনৰ পৰৱৰ্তী পৰ্যায়ত শিক্ষানুষ্ঠানত নামভৰ্তি কৰাৰ ব্যৱস্থা কৰা হৈছে। মুঠ ১০ টা পৰ্যায়ত বিভক্ত কৰা শিক্ষাৰ প্ৰথম ৪ টা পৰ্যায় বিদ্যালয় শিক্ষাত অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে অৱশিষ্ট ৬ টা পৰ্যায় উচ্চতৰ শিক্ষাই সামৰি লৈছে।

এই নতুন ব্যৱস্থা অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে ৪ বছৰীয়া অথবা ৩ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰিব । যদিহে ৩ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰে, তেতিয়া স্নাতকোত্তৰ পাঠ্যক্ৰম ২ বছৰীয়া হ'ব । আনহাতে, ৪ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰা সকলৰ বাবে স্নাতকোত্তৰ পাঠ্যক্ৰম ১ বছৰীয়া হ'ব । সমগ্ৰ পাঠ্যক্ৰম পূৰ্বতে উল্লেখ কৰা CBCS পদ্ধতিৰে যান্মাসিক ভিত্তিত হ'ব । এই ৪ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰমক (Four Year Undergraduate Programme or FYUGP) মুঠতে ৮ টা যান্মাসিকত বিভক্ত কৰা হৈছে। ইতিমধ্যে, বিশ্ববিদ্যালয় অনুদান আয়োগে পাঠ্যক্ৰম আৰু মান ব্যৱস্থাৰ খচৰা প্ৰস্তুত কৰিছে । সেই অনুসৰি, ইয়াৰ যান্মাসিক ১, ২ আৰু ৩ ৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত শিক্ষাৰ প্ৰধান ক্ষেত্ৰসমূহ ৰ ধাৰণা আৰু মোল বুজাটো গঢ় দিব বিছৰা হৈছে যিবিলাকে জ্ঞান আৰু শিক্ষাৰ বিভিন্ন দিশ সামৰি ল'ব । প্ৰথম তিনিটা যান্মাসিকৰ অন্তত ছাত্ৰ-ছাত্ৰীয়ে একোটা বিষয়ক বা একোটা আন্তঃবিষয়ৰ ক্ষেত্ৰক মূল বিষয় (Major) হিচাপে বাচনি কৰি শিক্ষা গ্ৰহণ কৰিব । যান্মাসিক ৪, ৫ আৰু ৬ ৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীয়ে এই মূল বিষয়ৰ উপৰিও দুটা বিষয়ভিত্তিক বা আন্ত-বিষয়ৰ ক্ষেত্ৰক পাতলীয়া বিষয় (Minor) হিচাপে গ্ৰহণ কৰিব লাগিব । যান্মাসিক ৭ আৰু ৮ ৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীয়ে গ্ৰহণ কৰা একোটা মূল বিষয় বা আন্তঃবিষয়ৰ ওপৰত উন্নত পাঠ্যক্ৰম গ্ৰহণৰ উপৰিও গৱেষণা প্ৰকল্পৰ পাঠ্যক্ৰম থাকিব ।

বিদ্যালয় শিক্ষাৰ পৰ্যায় - ৪ সম্পূৰ্ণ কৰাৰ পাছত অৰ্থাৎ দ্বাদশ শ্ৰেণী উৰ্তীন হোৱাৰ পাছত এগৰাকী ছাত্ৰ বা প্ৰথম বছৰটোত প্ৰায় ৪০-৪৫ Credit-hours ৰ বিভিন্ন বিষয়ৰ কাকত ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব লাগিব । উক্ত দুটা যান্মাসিকৰ উপৰিও তৃতীয় যান্মাসিকত সকলো ছাত্ৰ-ছাত্ৰীয়ে **সাধাৰণ কাকত (Common Course)** হিচাপে দুটা ভাষা (ইংৰাজী আৰু এটা আঞ্চলিক ভাষা), ভাৰত সম্পৰ্কত ধাৰণা, পৰিৱেশ শিক্ষা, ডিজিটেল আৰু প্ৰযুক্তিগত সমাধান, গাণিতিক আৰু গণনাসম্পৰ্কীয় ধাৰণা আৰু বিশ্লেষণ, স্বাস্থ্য আৰু কৰ্মক্ষমতা, য়োগ শিক্ষা, খেল আৰু শাৰিৰীক সক্ষমতা আদিৰ কাকত ল'ব লাগিব । তাৰোপৰি, প্ৰথম তিনিটা যান্মাসিকৰ প্ৰতিটোত এটাকৈ মুঠ তিনিখন **প্ৰাৰম্ভিক**

কাকত (Introductory Courses) বাছনি কৰিব লাগিব। এইক্ষেত্ৰত **প্ৰাকৃতিক বিজ্ঞান** (ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান,পদাৰ্থ বিজ্ঞান, কম্পিউটাৰ বিজ্ঞান, পৰিৱেশ বিজ্ঞান,জ্যোতিৰ্বিজ্ঞান,পৰিসংখ্যা বিজ্ঞান, গণিত আদি), **সমাজ বিজ্ঞান** (নৃতত্ত্ব, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, সমাজশাস্ত্ৰ, মাধ্যম আৰু সংযোগ, ভাষা তত্ত্ব আদি), **মানৱতা সম্পৰ্কীয় বিষয়** (কলা আৰু সৃজনীমূলক প্ৰকাশ, তুলনামূলক সাহিত্য, সৃজনীমূলত লেখা, সাহিত্য, দৰ্শন আদি), **বৃত্তিগত শিক্ষাৰ অধ্যয়ন** (জৈৱিক খেতি, উদ্যান শস্য, ফুলৰ খেতি, বেংকিং, বিত্তীয় সেৱা আৰু বীমা, নিৰ্মাণ, স্বাস্থ্য সেৱা, খাদ্য উদ্যোগ, পৰ্যটন আদি) ৰ মাজৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে বাছনি কৰি অধ্যয়ন কৰিব লাগিব। এই পাঠ্যক্ৰম সফলতাৰে সমাপ্ত কৰাৰ পাছত ১০ Credit ৰ দক্ষতা বৃদ্ধিৰ কাকত সম্পূৰ্ণ কৰি এগৰাকী শিক্ষাৰ্থীয়ে মহাদ্যিালয়ৰ পৰা ওলাই যাব বিছাৰিলে তেওঁ নিম্নস্নাতক চাৰ্টিফিকেট লাভ কৰিব আৰু উক্ত চাৰ্টিফিকেটৰ সহায়ত চাকৰি বা আন কৰ্মক্ষেত্ৰত নিয়োজিত হ'ব পাৰিব।

৪ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰমৰ দ্বিতীয় বছৰটো হ'ল পৰ্যায় - ৬ (Level - 6)। ইয়াক নিম্নস্নাতক ডিপ্ল'মা (Undergraduate Diploma) পাঠ্যক্ৰম বুলি নামকৰণ কৰা হৈছে। এই পাঠ্যক্ৰমৰ সময় হ'ল ১ বছৰ বা ২ টা যান্মাসিক আৰু নিৰ্ধাৰিত Credit-hours হ'ব প্ৰায় ৪০-৪৫। প্ৰথম বৰ্ষত অধ্যয়ন কৰা সাধাৰণ বিষয়ৰ আৰু প্ৰাৰম্ভিক কাকতৰ এটা অংশ পৰ্যায় - ৬ ত থকা তৃতীয় ষান্মাসিকত থাকিব। এই পৰ্যায়ত থকা চতুৰ্থ ষান্মাসিকত ছাত্ৰ-ছাত্ৰী সকলে প্ৰথম তিনিটা যান্মাসিকত অধ্যয়ন কৰা প্ৰাৰম্ভিক বিষয় সমূহৰ এটা নিৰ্দিষ্ট বিষয় বা আন্তঃবিষয় প্ৰধান বিষয় (Major) হিচাপে বাছনি কৰিব। তাৰোপৰি, ছাত্ৰ-ছাত্ৰীয়ে এই মূল বিষয়ৰ উপৰিও দুটা বিষয়ভিত্তিক বা আন্ত-বিষয়ৰ ক্ষেত্ৰক পাতলীয়া বিষয় (Minor) হিচাপে গ্ৰহণ কৰিব লাগিব। তৃতীয় বৰ্ষত ষান্মাসিক ৫ আৰু ৬ ৰ সময়ছোৱা হ'ল পৰ্যায় - ৭ (Level - 7) য'ত ৪০-৪৫ Credit-hours নিৰ্দিষ্ট কৰা হৈছে। এই পৰ্যায়ত চতুৰ্থ ষান্মাসিকত গ্ৰহণ কৰা Major আৰু Minor বিষয়ৰ ওপৰত বিভিন্ন কাকত থাকিব। ইয়াক স্নাতক ডিগ্ৰীৰ (Bachelor's Degree) পৰ্যায় বোলা হৈছে। ৪ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰমৰ চতুৰ্থ বছৰটোক পৰ্যায় - ৮ (Level - 6) আখ্যা দিয়া হৈছে। ইয়াক গৱেষণা/সন্মান সহিতে স্নাতক ডিগ্ৰীৰ (Bachelor's Degree with Honours/ Research) পৰ্যায় আখ্যা দিয়া হৈছে। প্ৰথম তিনিটা বছৰৰ দৰে চতুৰ্থ বছৰতো ৪০-৪৫ Credit-hours থাকিব। যান্মাসিক ৭ আৰু ৮ ত বিভক্ত এই পৰ্যায়ত ছাত্ৰ-ছাত্ৰীয়ে পূৰ্বতে গ্ৰহণ কৰা Major বিষয়ৰ ওপৰত উন্নত পাঠ্যক্ৰম (Advanced Courses) গ্ৰহণ কৰিব লাগিব। এই পৰ্যায়ত ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পদ্ধতিৰ (Research Methedology) কাকত অধ্যয়ন কৰিব লাগিব। একেদৰে, ক্ষেত্ৰ নিমজ্জন (Field Immersion) ধাৰণাৰে জীৱনৰ বাস্তৱিক সমস্যা সমূহৰ সমাধানৰ বাবে ক্ষেত্ৰ-ভিত্তিক শিক্ষা আৰু স্থানীয় উদ্যোগ, ব্যৱসায়ী, কলা-কুশলী, কাৰিকৰী বৃত্তিৰ লগত জড়িত ব্যক্তিৰ সৈতে অন্তৰীণ (Internship) পাঠ্যক্ৰম ল'ব লাগিব। এই পৰ্যায়ৰ অন্তিম ষান্মাসিক অৰ্থাৎ ষান্মাসিক ৮ ত ছাত্ৰ-ছাত্ৰী সকলে বাছনি কৰি লোৱা বিষয়ৰ ক্ষেত্ৰ সামৰি এটা গৱেষণা প্ৰকল্প (Research Project) দাখিল কৰিব লাগিব। এই বিলাকৰ উপৰিও NSS, NCC, বয়স্ক স্বাক্ষৰতা, ছাত্ৰ পৰামৰ্শদাতা আদি সামৰি সমুদায়ৰ লগত জড়িত কাৰ্যকলাপৰ বাবে Credit Hours নিৰ্ধাৰিত কৰি দিয়া হৈছে।

মহাবিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰাৰ পাছত ছাত্ৰ-ছাত্ৰী সকলে পৰ্যায় - ৯ (Level - 9)ত স্নাতকোত্তৰ ডিগ্ৰী/ডিপ্ল'মা পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰিব। ৪ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰা সকলৰ বাবে স্নাতকোত্তৰ পাঠ্যক্ৰম ১ বছৰৰ হ'ব। আনহাতে, ৩ বছৰীয়া নিম্নস্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰা সকলৰ বাবে স্নাতকোত্তৰ পাঠ্যক্ৰম ২ বছৰৰ হ'ব। উচ্চতৰ শিক্ষাৰ পৰৱৰ্তী পৰ্যায় হ'ল Doctorate Degree ৰ পাঠ্যক্ৰম।

ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ ৰ সফল কাৰ্যকাৰীতাৰ বাবে শিক্ষানুষ্ঠান সমূহৰ বৌদ্ধিক আৰু পাৰ্থিৱ আন্তঃগাঁঠনি সৰল হ'ব লাগিব। আটাইতকৈ ডাঙৰ বিষয়টো হ'ল এই পৰিৱৰ্তিত ব্যৱস্থা সম্পৰ্কে শিক্ষক

আৰু ছাত্ৰ উভয়ে স্পষ্ট ধাৰণা আয়ত্ব কৰিব লাগিব । এইক্ষেত্ৰত দীৰ্ঘদিনৰ পৰা গ্ৰহণ কৰি অহা মানসিকতা সলনি হ'ব লাগিব । সংশ্লিষ্ট সকলো পক্ষই নিজকে এই ব্যৱস্থাৰ লগত সংহতকৰণ কৰিব লাগিব । এই নীতিয়ে আগন্তক ১৫ বছৰৰ ভিতৰত মহাবিদ্যালয় সমূহক বহুধাবিষয়ক স্বতন্ত্ৰ অনুষ্ঠান (Multidisciplinary Autonomous Institution) হিচাপে গঢ় দিয়াৰ আহ্বান জনাইছে । ইতিমধ্যে, বিশ্ববিদ্যালয় অনুদান আয়োগে উচ্চতৰ শিক্ষাৰ অনুষ্ঠান সমূহ বহুধাবিষয়ক অনুষ্ঠানলৈ পৰিৱৰ্তন কৰাৰ বাবে এক নিৰ্দেশাৱলীৰ খচৰা(Draft Guidelines for Transforming Higher Education Institutions or HEI into Multidisciplinary Institutions) প্ৰস্তুত কৰিছে । এই খচৰাৰ প্ৰস্তাৱনাত উল্লেখ কৰা হৈছে যে প্ৰাচীন ভাৰতৰ উচ্চতৰ শিক্ষাৰ কেন্দ্ৰসমূহত গান গোৱা, ৰং কৰা, ৰসায়ন বিজ্ঞান, অঙ্ক আদি বিষয়, কাঠৰ সামগ্ৰী ছাত্ৰীয়ে মহাবিদ্যালয়ত পৰ্যায় - ৫ (Level - 5)ত নামভৰ্তী কৰিব পাৰিব । এই পৰ্যায়ৰ নাম দিয়া হৈছে নিম্নস্নাতক চাৰ্টিফিকেট (Undergraduate Certificate) পাঠ্যক্ৰম । এই পাঠ্যক্ৰমৰ সময় ১ বছৰৰ (২ টা ষান্মাসিকৰ) হ'ব । প্ৰস্তুত কৰা, কাপোৰ চিলোৱা আদি বৃত্তিগত শিক্ষা, ঔষধ আৰু অভিযান্ত্ৰিকতা দৰে পেছাদাৰী ক্ষেত্ৰ, যোগাযোগ, আলোচনা, তৰ্ক আদিৰ দৰে সহজ দক্ষতা আদি জ্ঞানৰ প্ৰতিটো শাখাৰ শিক্ষা প্ৰদান কৰা হৈছিল । কালক্ৰমত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ব্যাপক শিকনৰ সুযোগ ঠেক হৈ পৰিল আৰু ক্ৰমাগতভাৱে উচ্চতৰ শিক্ষাৰ অনুষ্ঠান সমূহ একোটা নিৰ্দিষ্ট বিষয়ত বিযেশীকৰণ কৰা এটা শাখাৰ অনুষ্ঠানত পৰিণত হ'ল । ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ এ এই বহুধাবিষয়ক শিক্ষাক পুনৰ সংস্থাপন কৰাৰ প্ৰয়াস কৰিব বিচাৰিছে । এই নীতি অনুসৰি উচ্চতৰ শিক্ষাৰ অনুষ্ঠান সমূহ আগন্তক দিনত বহুধাবিষয়ক বিশ্ববিদ্যালয়, বহুধাবিষয়ক মহাবিদ্যালয় আৰু সংযুক্ত অনুষ্ঠান আৰু জ্ঞানৰ কেন্দ্ৰ হ'ব লাগিব । উল্লেখিত খচৰাত মহাবিদ্যালয় সমূহৰ বাবে তিনিধৰণৰ সহযোগিতাৰ ব্যৱস্থা আগবঢ়োৱা হৈছে। সেই কেইটা হ'ল –

(১) দুটা প্ৰধান বিষয় লৈ ডিগ্ৰী(Degree with dual Major) প্ৰদান কৰা আনুষ্ঠানিক সহযোগিতা য'ত মহাবিদ্যালয়ে সমন্বিত শিক্ষাৰ পাঠ্যক্ৰম প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীক একেটা অনুষ্ঠানতে দুটা ডিগ্ৰী প্ৰদান কৰিব । যেনে, বি. এ. বি. এড. ।

(২) একেলগে দুটা ডিগ্ৰী (Dual Degree)প্ৰদানৰ বাবে দুখন উচ্চতৰ শিক্ষাৰ অনুষ্ঠানৰ মাজত সহযোগিতা য'ত ছাত্ৰ-ছাত্ৰী সকলে নিজা বা ঘৰুৱা অনুষ্ঠানত এটা ডিগ্ৰী লোৱাৰ লগেলগে অংশীদৰীত্ব থকা আন এটা অনুষ্ঠানৰ পৰা আন এটা ডিগ্ৰী প্ৰাপ্ত কৰাৰ ব্যৱস্থা । যেনে, বি.এচচি, বি.চি.এ ।

(উল্লেখযোগ্য যে এই ব্যৱস্থা সোণাৰি মহাবিদ্যালয়ে ২০০৯ চনৰ পৰাই আগবঢ়াই আহিছে য'ত ছাত্ৰ-ছাত্ৰীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত বি.এ. বা বি.এচচি, পাঠ্যক্ৰম লোৱাৰ সমান্তৰালকৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰা বি.এম.ছি বা বি.চি.এ পাঠ্যক্ৰম গ্ৰহণ কৰি বি.এ., বি.এম.চি অথবা বি.এচচি., বি.চি.এ দুটা ডিগ্ৰী লৈ ওলাই যাব পৰাৰ ব্যৱস্থা আছে ) ।

(২) কম সংখ্যক ছাত্ৰ-ছাত্ৰী থকা এটা শাখাৰ অনুষ্ঠান সমূহৰ মাজত জোট স্থাপন য'ত কলা, বিজ্ঞান, শিক্ষা, সুকুমাৰ কলা আদিৰ পৃথক অনুষ্ঠান সমূহে জোটবন্ধনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক বহুধাবিষয়ক শিক্ষা প্ৰদান কৰিব ।

পৰিৱৰ্তিত সময়ৰ লগত খাপ খুৱাই শিক্ষক, ছাত্ৰ উভয়ে নিজকে প্ৰস্তুত কৰিব লাগিব । মহাবিদ্যালয় সমূহে এই প্ৰত্যাহ্বানৰ সফলতাৰে মোকাবিলা কৰাৰ বাবে আগবাঢ়ি অহাৰ সময় সমাগত । ইয়াৰ অবিহনে এই উচ্চতৰ শিক্ষাৰ অনুষ্ঠান সমূহ তিষ্ঠি থকা সম্ভৱ নহ'ব ।

# অৰনী চক্ৰৱৰ্তীঃ অসমীয়া প্ৰগতিশীল কাব্য-যাত্ৰাৰ এক বিস্ময় খোজ


ড° ৰঘুনাথ কাগয়ুং
সহযোগী অধ্যাপক আৰু মুৰব্বী
অসমীয়া বিভাগ


অৰনী চক্ৰৱৰ্তী এগৰাকী প্ৰগতিশীল কবি আছিল। অসমীয়া প্ৰগতিশীল কবিতাৰ ধাৰাক তেওঁ সদৰ্থক শক্তিশালী ৰূপ প্ৰদান কৰিছিল। সাম্যবাদী চিন্তাৰ প্ৰতি তেওঁ আছিল অনুৰক্ত। তেওঁ শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠাৰ স্বপ্নত জীৱন উৎসৰ্গা কৰিছিল। মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি অৰনী চক্ৰৱৰ্তীৰ আছিল অগাধ বিশ্বাস। অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত অৰনী চক্ৰৱৰ্তীয়ে তুলনামূলকভাৱে অধিক সময় বিচৰণ কৰিবলৈ সুযোগ নাপালে যদিও অসমীয়া কাব্য সাহিত্যৰ ইতিহাসৰ তেওঁ যে এক উজ্জ্বল নক্ষত্ৰ সেয়া অনস্বীকাৰ্য।

অসমীয়া কাব্য সাহিত্যৰ ইতিহাস অতি প্ৰাচীন। অসমীয়া লোক-কাব্যৰ ইতিহাসৰ প্ৰসংগ বাদ দি কেৱল লিখিত অসমীয়া কাব্যৰ প্ৰসংগ এই প্ৰসংগলৈ আনি 'প্ৰহ্লাদ চৰিত'ৰ ৰূপত প্ৰথম আত্মপ্ৰকাশ কৰা অসমীয়া কবিতাৰ পৰিক্ৰমা সাম্প্ৰতিক সময়লৈ নিৰৱধি বৈ আছে অম্লান অক্ষয় ৰূপত। মন্ত্ৰকাব্য, চৰ্যাপদৰ ৰূপত অসমীয়া কাব্যৰ নমুনা পোৱা যায় যদিও এইবোৰক একচেতিয়া অসমীয়া কাব্য আখ্যা দিব পৰা নাযায়।

হাজাৰোধিক কবিৰ আত্মপ্ৰকাশেৰে অসমীয়া কবিতাৰ জয়জয়কাৰ যাত্ৰা অব্যহত আছে যদিও অসমীয়া কবিতাৰ এই দীৰ্ঘ-পৰিক্ৰমাত প্ৰগতিবাদী কবিৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা যায়। দুই-এক কবিৰ এক-দুই কবিতাত প্ৰগতিবাদী সুৰ দেখা যায় যদিও কেৱল এইখিনি কাব্য-সুৰৰ ভিত্তিত তেওঁলোকক প্ৰগতিবাদী কবি বা প্ৰগতিশীল কবি আখ্যা দিব পৰা নাযায়। উদাহৰণ হিচাপে শ্ৰীমন্ত শংকৰদেৱক ল'ব পাৰোঁ। তেওঁৰ ভালেমান কাব্যাংশত প্ৰগতিবাদী সুৰ প্ৰকাশ পাইছে যদিও তেওঁ প্ৰগতিশীল কবি নহয়। কাৰণ, তেওঁৰ কাব্য মূলতঃ ভাৱবাদী। প্ৰগতিবাদী সুৰ তেওঁৰ কাব্যৰ প্ৰধান সুৰ নহয়। তেওঁৰ পৰৱৰ্তী ভালেকেইজন ভাৱবাদী কবিৰ ক্ষেত্ৰটো একেখিনি কথাই খাটে।

অসমীয়া কবিতাৰ ৰমন্যাস যুগত কেইবাগৰাকীও ৰোমান্তিক কবিৰ কবিতাত শক্তিশালী ৰূপত প্ৰগতিবাদী সুৰ ফুটি উঠাৰ পিছতো এই একেখিনি কথাৰ ভিত্তিত এই কবিসকলকো প্ৰগতিশীল কবি আখ্যা দিব পৰা নাযায়।

দৰাচলতে, শ্ৰমিক, কৃষক, বনুৱা, দৰিদ্ৰ পীড়িত, শোষিত শ্ৰেণী মানুহৰ কল্যাণাৰ্থে কাব্য সাধনা কৰা কলাকাৰ বা কবিকে প্ৰগতিশীল কবি বুলি ক'ব পৰা যায়। এই কবিসকলে 'কলা কলাৰ বাবে' এই দৰ্শনতকৈ 'কবিতা সমাজৰ বাবে' চিন্তা-দৰ্শনেৰে আৰু দায়বদ্ধতাৰে কবিতা ৰচনা কৰে। কলা বা কবিতাৰ সামাজিক দায়বদ্ধতাৰ সাধনা কৰা আদৰ্শটোকে চমুকৈ প্ৰগতিবাদী বা প্ৰগকিশীল আখ্য দিব পৰা যায়। এই কথাখিনিৰ আধাৰতে বহু কেইগৰাকী কবিৰ কিছু কবিতাত প্ৰগতিবাদৰ ধ্বনি প্ৰতিধ্বনিত হোৱাৰ পিছতো তেওঁলোকক প্ৰগতিশীল কবি বুলি ক'ব পৰা নাযায়।

অসমীয়া কবিতাৰ ৰোমান্তিক যুগত অম্বিকাগিৰি ৰায়চৌধুৰী, প্ৰসন্নলাল চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য ইত্যাদি

কবিসকলৰ বোকোচাত উঠি অসমীয়া প্ৰগতিবাদী কবিতাই যাত্ৰাৰম্ভ কৰে। অমূল্য বৰুৱা, ভৱানন্দ দত্তই এই ধাৰাক অধিক ত্বৰান্বিত কৰে। অসমীয়া কবিতাৰ আধুনিক যুগত ৰাম গগৈ, হেম বৰুৱা, চৈয়দ আব্দুল মালিক আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই প্ৰগতিবাদী ধাৰাটো এক শক্তিশালী ৰূপ দিয়ে। ৰাম গগৈ এইসকলৰ ভিতৰতো এইটো ধাৰাৰ অধিক শক্তি কবি।

ৰাম গগৈৰ প্ৰায় সমসাময়িক অৱনী চক্ৰৱৰ্তী প্ৰগতিশীল অসমীয়া কবিতাৰ সাৰুৱা ক্ষেত্ৰৰ এক নৱ সংযোজন। তেওঁ ৰাম গগৈৰ একনিষ্ঠ অনুগামী তথা বিশ্বস্ত সহযাত্ৰী। দৰাচলতে, অসমীয়া প্ৰগতিশীল কাব্য-যাত্ৰাৰ এক বিস্ময় খোজ অৱনী চক্ৰৱৰ্তী। ৰাম গগৈৰ পিছত অসমীয়া প্ৰগতিশীল কাব্য-ধাৰাক যথাৰ্থ সমৃদ্ধি আৰু অৰ্থৱহ কৰা কবিগৰাকীয়ে হৈছে অৱনী চক্ৰৱৰ্তী।

'দেহা ৰমেৰমাই মোৰ'(১৯৭০), 'শ্লোগান'(১৯৮০) আৰু 'কবিকণ্ঠ'(১৯৭) - অৱনী চক্ৰৱৰ্তীৰ তিনিখন কবিতাৰ পুথি। ইয়াৰ বাদেও বিভিন্ন আলোচনী-বাতৰি কাকতত তেওঁৰ ভালেমান কবিতা সিচঁৰতি হৈ আছে। তদুপৰি, তেওঁ সম্পাদিত কেইবাখনো কবিতাপুথি আছে ঃ 'বৃত্ত ভঙা সময়'(১৯৭২, নিৰ্বাচিত কবিতাৰ সংকলন) আৰু 'এই সময়'(১৯৭০, সমসাময়িক অসমীয়া কবিতাৰ সংকলন)। ইয়াৰোপৰি, 'পৰশু গোস্বামীৰ কবিতা'(১৯৮২) আৰু 'অমূল্য বৰুৱাৰ জীৱন আৰু কবিতা' (১৯৮৯) নামৰ দুখন পুথিও তেওঁ সম্পাদনা কৰিছিল। ইয়াৰ বাদেও তেওঁ কেইবাখনো কবিতাপুথি যুটীয়াভাৱে সম্পাদিত, অনূদিত আৰু সংকলিত ৰূপত প্ৰকাশ কৰিছিল; সেইবোৰ হৈছে ঃ 'মাও চে তুঙৰ কবিতা'(১৯৭৯), টুং পি টুৰ কবিতা'(১৯৭৯), 'হো চি মিনৰ কবিতা' (১৯৭৯), 'কৃষ্ণাংগ কবিৰ কবিতা'(১৯৮২), ফয়জ আহমদ ফয়জৰ কবিতা' (১৯৮৫) আৰু মুছা জালিলৰ কবিতা'(১৯৮৭)।

তেওঁ ৰচিত-সংকলিত-অনূদিত কবিতাপুথিসমূহৰ নামবোৰলৈ এবাৰ চকু ফুৰালেই তেওঁৰ প্ৰগতিশীল কাব্যসত্তাৰ আভাস সুন্দৰকৈ পাব পৰা যায়।

অৱনী চক্ৰৱৰ্তীৰ কাব্য ৰচনাৰ সময়লৈ মন কৰিলে দেখা যায় যে, সেই সময়ছোৱাই আছিল আধুনিক অসমীয়া কবিতাৰ স্বৰ্ণিল যুগ। নৱকান্ত বৰুৱা, বীৰেশ্বৰ বৰুৱা, অজিৎ বৰুৱা, ভবেন বৰুৱা, নীলমণি ফুকন, হোমেন বৰগোহাঞি আদি অসমীয়া কবিতাৰ দিগ্‌গজ কবিসকলৰ পদধ্বনিত এই সময়ত অসমীয়া কবিতাৰ চোতালখন ৰজনজনাই আছিল। কিন্তু, এইসকলৰ কাব্য দৰ্শনৰ পৰা যোজন যোজন বাটত অৱস্থান গ্ৰহণ কৰিছিল অৱনী চক্ৰৱৰ্তী। কাৰণ, তেওঁ দেখিছিল দৰিদ্ৰ পীড়িত মানুহৰ ভোকৰ তাড়না। তেওঁ দেখিছিল স্বাধীনতাই ভাৰতৰ নিপীড়িত সাধাৰণ জনতাক ক্ৰমে ক্ৰমে দৰিদ্ৰতাৰ অতল গহ্বৰলৈ লৈ যোৱা দৃশ্য। স্বাধীনতাই যে অসমৰ কৃষক-বনুৱা, শ্ৰমজীৱী মানুহক দিনক দিনে পৰাধীন কৰি তুলিছে, সাতামপুৰুষীয়া অৰ্থনৈতিক স্বাধীনতাৰ শিপাডাল যে লাহে লাহে সোলোকঢোলোক হৈ পৰিছে - সেয়া তেওঁ চকুৰ আগত দেখা পাইছিল; যাৰ ফলত তেওঁৰ বিপ্লৱী মনটো সাৰ পাই উঠিছিল ক্ৰমশঃৰ পৰা ক্ৰমশঃতৰ ৰূপত।

এফালে আমেৰিকা যুক্তৰাষ্ট্ৰকেন্দ্ৰিক পুঁজিবাদ আৰু আনফালে তথাকথিত সৰ্বহাৰাৰ পোছাকধাৰী কমিউনিষ্ট শাসিত ৰাছিয়াৰ শোষণবাদ - কোনো এটা পথেই মানুহৰ মুক্তিৰ পথ দেখুৱাব পৰা নাছিল। বাহ্যিক দৃষ্টিত যদিও ৰাছিয়াৰ শাসকসকলক সাম্যবাদী দৰ্শনত বিশ্বাসী আছিল যেন লাগে, কিন্তু তেওঁলোকৰ এই সাম্যবাদৰ অন্তৰালত অৱনী চক্ৰৱৰ্তীয়ে দেখা পাইছিল শোষণ আৰু নিষ্পেষণৰ বীজ। সেইয়ে, তেওঁ বিদ্ৰোহী হৈ উঠিছিল। এই দুয়োটা শাসন প্ৰণালী আৰু দৰ্শনৰ প্ৰতি তেওঁ আস্থা আৰু বিশ্বাস হেৰুৱাইছিল।

অৱনী চক্ৰৱৰ্তী মূলতঃ সাম্যবাদী দৰ্শনত বিশ্বাসী আছিল যদিও ৰুছ গণৰাজ্যৰ শোষণকেন্দ্ৰিক সাম্যবাদৰ পৰা তেওঁৰ সাম্যবাদে বহু নিলগত অৱস্থান গ্ৰহণ কৰিছিল। মাৰ্ক্স, লেলিন, মাও-চে-তুং, হো-চি-মিনৰ সমাজবাদী দৰ্শনত অৱনী চক্ৰৱৰ্তীৰ আছিল অগাধ বিশ্বাস। দ্বন্দ্বাত্মক বস্তুবাদেই মাৰ্ক্সৰ দৰ্শনৰ মূল আধাৰ। কাৰ্ল মাৰ্ক্সৰ মতে, পৃথিৱীত দুই শ্ৰেণীৰ মানুহ আছে ঃ এটা শোষক শ্ৰেণী আৰু আনটো শোষিত শ্ৰেণী। শোষক শ্ৰেণী আৰু শোষিত শ্ৰেণীৰ মাজৰ বেৰ ভাঙি এখন শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰাটোৱে হৈছে কাৰ্ল মাৰ্ক্সৰ দৰ্শনৰ মূল আধাৰ। অৱনী চক্ৰৱৰ্তীয়ে মাৰ্ক্সৰ এই দৰ্শনৰ প্ৰতি আপ্লুত হৈয়ে কমিউনিষ্ট আন্দোলনত জড়িত হৈ পৰিছিল। অৱনী চক্ৰৱৰ্তীৰ কাব্য দৰ্শনৰ মূল আধাৰো এইখিনিয়ে।

অসমৰ নিষ্পেষিত কৃষক সমাজ আৰু নিপীড়িত জাতিগোষ্ঠীসমূহৰ দুখ-দুৰ্দশা দেখি অৱনী চক্ৰৱৰ্তীৰ মনটো

হাহাকাৰ কৰি উঠিছিল। উমি উমি জ্বলি থকা তেওঁৰ বিদ্ৰোহী মনটোৰ জুইকুৰা এদিন দপ্‌দপ্‌কৈ জ্বলি উঠিছিল; আৰু সেইয়ে চিঞৰি চিঞৰি কৈছিল এইদৰে-

'কাৰ সহায়ত সিহঁতে যুঁজে
মোৰেই কান্ধত বন্দুক থৈ
বিদ্ধ কৰে মোৰ ভাইৰে উমাল বুকু।'
(কাৰ সহায়ত সিহঁতে যুঁজে)

'মোৰ ভাই' বুলি তেওঁ নিপীড়িত জনগোষ্ঠী আৰু নিষ্পেষিত কৃষক সমাজৰ কথাই ক'ব বিচাৰিছে; যিসকলে তেওঁৰ ওপৰতে ভৰসা কৰি আশাপালি ৰৈ আছে বুলি প্ৰকাশ কৰিছে - 'মোৰেই কান্ধত বন্দুক থৈ'। এইবিলাক কথাৰ মাজেদি তেওঁৰ শোষকবিৰোধী মন আৰু সমাজবাদী দৰ্শনৰ আভাস পাব পৰা যায়।

অৰনী চক্ৰৱৰ্তীৰ বিপ্লৱী মনটোৰ পূৰ্ণ বিকশিত ৰূপটো দেখা পোৱা যায় 'কন্‌চেন্‌ট্ৰেছন কেম্পত' শীৰ্ষক কবিতাটোৰ মাজত-

'অক্ষমতাৰ অসহায় আৰ্তনাদেৰে
আপোন সত্তাৰ আশ্ৰয় বিচাৰি কাওঁবাওঁ কৰোঁ।
কিন্তু আপোন সত্তাই বা ক'ত?
ক'তেইবা আশ্ৰয়?'
(কন্‌চেন্‌ট্ৰেছন কেম্পত)

'অক্ষমতাৰ অসহায় আৰ্তনাদেৰে' বুলি কৈ কবিয়ে যেন নিজৰ অস্থিৰ বিদ্ৰোহী মনটোৰ বহিঃপ্ৰকাশহে ঘটাইছে। মনৰ ভিতৰতে গুজৰি গুমৰি থকা বিপ্লৱী সত্তাটোযেন সাৰ পাই উঠিছে, অথচ নিজৰ অক্ষমতাৰ কাৰণে ভবা মতে একোৱে কৰিব পৰা নাই; সেইয়ে 'আপোন সত্তাৰ আশ্ৰয় বিচাৰি কাওঁবাওঁ' কৰিছে। কিন্তু কাৰ ওচৰত কাওঁবাওঁ কৰিব? 'আপোন সত্তাই বা ক'ত?'

কবিয়ে তাৰ পিছত নিজৰ ওচৰত আত্মসমৰ্পণ কৰি 'আত্মঘাতী' হোৱাৰ বাসনা কৰিছে। অথচ, কবিক আত্মঘাতী হ'বলৈয়ো নিদিয়ে; কাৰণ জীৱনৰ প্ৰতি সকলোৰে লালসা থাকে। কবিয়ে কৈছে-

'আপোন ইচ্ছাৰ এনে ক্ৰীতদাস মই
মুক্তি মোৰ - ইচ্ছাৰ যি মইমতালি
এনে লাগে যেন আত্মঘাতী হওঁ
অথচ কি সতৰ্ক পহৰা।
(কন্‌চেন্‌ট্ৰেছন কেম্পত)

কবি হতাশ হয়। অন্তিম সিদ্ধান্ত ল'ব বিচাৰে; অথচ, তাকো নিজ ইচ্ছামতে কৰিবলৈ নিদিয়ে।

কবিয়ে অসহায় আৰু অক্ষমতাক জয় কৰিব বিচাৰে।

'মজিয়া ভকেভকায়' নামৰ কবিতাটিত পোৱা যায় প্ৰগতিশীল চিন্তা-চেতনাৰ অনুপম প্ৰকাশ-

'ঘৰ মোৰ কাৰাগাৰ
স্বদেশ বিদেশ একাকাৰ
মাটি কামুৰি মৰো
মাটি কামুৰি জীয়াতু ভোগো
বিচাৰি আশ্ৰয়
মোৰ কি ভয়?'
(মজিয়া ভকেভকায়)

'স্বদেশ বিদেশ একাকাৰ' বুলি কৈ আচলতে কবিয়ে কি ক'ব বিচাৰিছে? স্বাধীনতাৰ পিছতো স্বদেশী আৰু বিদেশীৰ মাজত যেন একোৱেই পাৰ্থক্য নাই। দেশ স্বাধীন হ'লেও নিষ্পেষিত, নিপীড়িত শ্ৰেণীৰ মানুহে কষ্ট ভূগিব লাগিবই - 'মাটি কামুৰি জীয়াতু ভোগো'।

প্ৰগতিশীল কবিসকলৰ ভাবনাৰ পৰিমণ্ডল আন দহজনৰ ভাবনাৰ পৰিমণ্ডলতকৈ পৃথক। একেদৰে, সচৰাচৰ মানুহৰ দৃষ্টিৰ পৰিধি আৰু প্ৰগতিশীল কবিৰ দৃষ্টিৰ পৰিধি বেলেগ।

প্ৰগতিশীল কবিসকল স্বপ্নদ্ৰষ্টা। সমাজ পৰিৱৰ্তনৰ কাৰণে তেওঁলোকে আনে ভবাৰ আগতেই বহু কথা ভাবিব পাৰে। সচৰাচৰ আন লোকে নেদেখা পথৰ সন্ধান তেওঁলোকে বহু আগতেই দিব পাৰে। আত্মবিশ্লেষণৰ মাজেৰে সেয়ে কবি অৰনী চক্ৰৱৰ্তীয়ে ক'ব খোজে-

'তই মোক দেখিছ
মই তোক দেখিছো
মই তই কি কৰিছ তাকো দেখিছো।'
(কনচেন্‌ট্ৰেছন কেম্প)

প্ৰগতিবাদী কবিসকল যথাৰ্থই ভৱিষ্য' দ্ৰষ্টা; সেয়ে কবিয়ে ক'ব পাৰিছে-

'যিদৰে চকু গজিলে আমি দেখো
সমুখৰ পাহাৰ পিচৰ পৰ্বত এৰি অহা গাঁত
মেঘ ছায়া ৰ'দ দিন ৰাতি সাঁজ সন্ধ্যা পুৱা গধূলি।'
(কনচেন্‌ট্ৰেছন কেম্প)

শাসক পক্ষৰ দুটা ৰূপ থাকে; বাহিৰত এটা আৰু মনৰ ভিতৰত এটা। বাহ্যিক দৃষ্টিত তেওঁলোকে মিঠা মিঠা

কথাৰে সকলোৰে মন জয় কৰিব বিচাৰে; কিন্তু ভিতৰৰ মনটো সদা সতৰ্ক হৈ থাকে - কিদৰে দৰিদ্ৰৰ সম্পত্তি-সামগ্ৰী সৰকাব পৰা যায়। প্ৰগতিশীল কবি অৰুনী চক্ৰৱৰ্তীৰ কবিতাত এনে ভাবৰ প্ৰকাশ বহুত পোৱা যায়-

'আচলতে কথা পাতো ৰুমালেৰে
জেপত মেৰিয়াই ছুৰী'

শোষকৰ প্ৰতীক 'ছুৰী'। শোষকৰ হাথিয়াৰৰ প্ৰতীক এই 'ছুৰী'। এই ছুৰী কেতিয়াবা শোষকে নিপীড়িত মানুহক দিয়া ঢমকি হ'ব পাৰে, কেতিয়াবা ভীতি প্ৰদৰ্শন হ'ব পাৰে আৰু এই 'ছুৰী' কেতিয়াবা শোষকে পীড়িতক অস্ত্ৰ প্ৰদৰ্শনো হ'ব পাৰে।

'ভেৰ্‌ভেৰীত এৰাতি' নামৰ কবিতাত কবিয়ে দৰিদ্ৰ সমাজৰ প্ৰতিচ্ছবি আঁকিছে অতি মৰ্মস্পৰ্শী ৰূপত-

'ইস্কুলৰ মজিয়াত নাঙঠ-পিঙঠ এজাক শিশুৰে
কামিজ খামুচি থাকে এতিয়াও মোৰ'

তাৰ পিছত নিঃস্ব জীৱনৰ ছবি অতি কৰুণভাৱে অংকণ কৰিছে-

'কেৰাচিনৰ চাকিত ইছমাইল দৰ্জীয়ে
তথাপি কামিজ সীয়ে'
(ভেৰ্‌ভেৰীত এৰাতি)

'কবিকণ্ঠ' নামৰ কবিতাটিত প্ৰকাশ পাইছে কবিৰ প্ৰকৃত প্ৰগতিশীল চিন্তা-দৰ্শন। ভোগবাদী সমাজৰ এখন নিখুঁত ছবি কবিয়ে অতি সুন্দৰকৈ আঁকিছে-

'প্ৰতিটো নজন্মা শিশুকে বেচি
তুমি কেনেকৈ টেলিভিছনৰ ৰঙীন নিচাত
মাতাল হোৱা।'
(কবিকণ্ঠ)

ধনী শ্ৰেণীয়ে ভোগবাদী জীৱনকে জীৱন হিচাপে উদ্‌যাপন কৰিব বিচাৰে। কিন্তু শ্ৰমজীৱী সাধাৰণ জনতাৰ বাবে, দৰিদ্ৰপীড়িত নিঃকিন মানুহৰ বাবে ৰঙীন টেলিভিছনৰ কল্পনা এক দুঃস্বপ্ন। বিলাসী সামগ্ৰীতকৈ ভোকৰ ভাত, ৰাতিৰ আশ্ৰয় আৰু পিয়াহৰ এটুপি পানীহে তেওঁলোকৰ বাবে আটাইতকৈ প্ৰয়োজনীয় বস্তু। কবিয়ে কৈছে-

'তাৰ আগতে লাগে মোক পিয়াহৰ পানী
ভোকৰ ভাত ৰাতিৰ আশ্ৰয়
আৰু উশাহৰ অম্লজান...।'
(কবিকণ্ঠ)

কবিয়ে পুঁজিপতি, বহুজাতিক কোম্পানীৰ আগ্ৰাসনত সাধাৰণ লোকৰ সপোন কিদৰে চুচ্ছৰ্মৈ হৈ গৈছে - তাৰ ছবি আঁকিছে কৰুণ ৰূপত-

'যেতিয়া বহুজাতিক নিগমৰ নলীয়েদি
নিৰ্গত হোৱা দেখা বিষবাষ্প
উদ্‌গীৰণত ভূপাল হয় ভয়ংকৰ হিৰোশ্বিমা
ক'লৈ ঢাপলি মেলিবা
ক'ত গঢ়িবা তোমাৰ সপোন
ওমলাবা এমাভিমা?'
(কবিকণ্ঠ)

সাম্ৰাজ্যবাদী শ্ৰেণীৰ আগ্ৰাসনত দুখীয়া দেশবোৰ পতনমুখী হৈছে; নিজৰ পৰিচয়, জাতীয় অস্তিত্ব বিপন্ন হৈ পৰিছে। সাধাৰণ জনতা, শ্ৰমজীৱী লোকৰ সপোনবোৰ আধাতে পঁয়া লাগিছে। চাৰিওফালে শোষকৰ দপদপনি আৰু অট্টহাস্য। দৰিদ্ৰ জনগণ, দৰিদ্ৰ সমাজ আৰু দৰিদ্ৰ মানুহবোৰ আশাহত হৈছে। তথাপিও কবি আশাবাদী; মাৰ্ক্স, লেলিন, মাও-চে-তুং, হো-চি-মিনৰ আদৰ্শ আৰু দৰ্শন তেওঁৰ গাত আছে। নাজিম হিকমতৰ সপোন-সেউজীয়াবোৰ বুকুত সানিছে কবিয়ে, মায়াকভস্কিৰ অম্লান সাজ গাত পিন্ধি আছে কবিয়ে আৰু গাৰ্ছিয়া লৰ্কাৰ পোহৰমন্ত্ৰেৰে দীক্ষিত হৈ আছে কবি। কবি অৰুনী চক্ৰৱৰ্তীয়ে সেয়ে তেওঁলোকক দিছে আশ্বস্তৰ বাণী - 'মই আছো', মইয়ে দেখুৱাম তোমালোকক পৰিত্ৰাণৰ পথ -

'স্পৰ্শ কৰো লোৰ্কাৰ সেউজীয়া নাজিমৰ পোহৰ
পৃথিৱীত অভিষিক্ত হওঁ। মায়াকভস্কিৰ সাজত
মেঘৰ কাচোনেৰে ঘূৰো সেই অমল বাটেদি
আৰু কওঁ ঃ

আকাশত তৰাবোৰ এনেয়ে নজ্বলে
মই আছো
কণ্ঠত তোমাৰ হৃদয় ময়ে উন্মোচিত কৰোঁ।'
(কবিকণ্ঠ)

(১৯৯৪ চনৰ ১২ নৱেম্বৰ, সন্ধিয়া ৫ বজাত গুৱাহাটীৰ খাৰঘুলিৰ স্ব-গৃহৰ পৰা সান্ধ্য ভ্ৰমণলৈ যোৱা কবিগৰাকী পুনৰ উভতি নাহিল। তেওঁ য'তেই নাথাকক কুশলে থাকক)।

# শিক্ষক ছাত্ৰৰ কথোপকথনত শংকৰদেৱৰ বৈজ্ঞানিক দৃষ্টিভংগী

✍ ড° ৰীতা দত্ত
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

(শিক্ষক শ্ৰেণীকোঠালৈ হাঁহি সোমাই আহে। ছাত্ৰ-ছাত্ৰীবিলাক থিয় হয় আৰু সুপ্ৰভাত জনায়। শিক্ষকেও প্ৰতি সম্ভাষণ জনাই চক্ পেঞ্চিলডাল লৈ ৰূমত ব'ৰ্ডত সেইদিনাৰ পাঠটোৰ বা বিষয়টোৰ নাম লিখে।)

ছাত্ৰ-ছাত্ৰী ঃ চাৰ নমস্কাৰ।

শিক্ষক ঃ নমস্কাৰ। আজি মই তোমালোকক নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰী শংকৰদেৱৰ বৈজ্ঞানিক মানসিকতাৰ বিষয়ে পাঠ আগবঢ়াম। তোমালোকে জানানে 'বৈষ্ণৱ' শব্দটোৰ আগত কিয় 'নৱ' শব্দটো ব্যৱহাৰ কৰা হয়?

ছাত্ৰঃ 'নৱ' মানে নতুন। কিন্তু কিয় ব্যৱহাৰ কৰা হয় নেজানো ছাৰ।

শিক্ষক ঃ তেন্তে শুনা। দ্বাদশ শতিকাৰপৰা পঞ্চদশ যোড়শ শতিকাৰ ভিতৰত একেলগে বা অলপ অগা-পিছাকৈ ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ বিষ্ণুভক্তি আন্দোলনে প্ৰবলভাৱে দেখা দিছিল। এই বিষ্ণুভক্তিৰ দৰ্শনক সৰলীকৃত কৰি শংকৰদেৱে সমাজ কল্যানৰ উদ্দেশ্য আগত ৰাখি নতুনকৈ কিছু দিশ নিজে সংযোজন কৰি নতুনত্ব প্ৰদান কৰিছিল। কেৱল শংকৰ দেৱেই নহয়, বঙ্গদেশত চৈতন্যদেৱ, উৰিষ্যাত বলৰাম দাস, সৰলা দাস, জগন্নাথ দাস আদিয়েও নৱ বৈষ্ণৱীধৰ্মৰ প্ৰচাৰ কৰিছিল।

ছাত্ৰ ঃ ছাৰ, আমি শুনিবলৈ পোৱা মতে মহাপুৰুষজনাৰ উদ্ভৱ কালত বোলে অসমত এক বিশৃংখল অৱস্থাৰ সৃষ্টি হৈছিল? এই বিষয়ে আমাক জনাব নেকি ছাৰ?

শিক্ষক ঃ হয় হয়। তোমালোকে ঠিকেই শুনিছা সেইসময়ত নানা উপভাষা, নানা ধৰ্ম নানা নৈতিক আদৰ্শ আধ্যত্মিক সাধনা আৰু সত্যধৰ্ম আচৰণ কৰাৰ কোনো সুযোগ আৰু সুবিধা নাছিল বাবে ব্যভিচাৰ আৰু কু-আদৰ্শই গা কৰি উঠিছিল।

ছাত্ৰঃ এইবোৰ কাৰণতেই মহাপুৰুষজনাৰ মনলৈ বোধহয় সহজ ভক্তিমাৰ্গৰ কথা মনলৈ আহিছিল। নহয়নে ছাৰ?

শিক্ষক ঃ ও তুমি ঠিকেই কৈছা। শংকৰদেৱে নাম, দেউ (উপাস্য), গুৰু আৰু ভকত (সৎসঙ্গ) অঙ্গস্বৰূপে 'একশৰণ নাম-ধৰ্ম' প্ৰচাৰ কৰিছিল। আটাইতকৈ ভাললগা কথাটো হৈছে আজিৰ পৰা হেজাৰ হেজাৰ বছৰৰ আগৰ হৈ ও শংকৰদেৱৰ ধৰ্মত বিজ্ঞান আছিল।

ছাত্ৰ ঃ বিজ্ঞান আৰু শংকৰদেৱ ? ই কেনেকৈ সম্ভৱ ছাৰ?

শিক্ষক ঃ বৰ আমোদজনক আৰু গুৰুত্বপূৰ্ণ কথা নহয়নে ? শুনা-

(ক) নামঘৰ মহাপুৰুষৰ সৃষ্টি বুলি তোমালোকে জানাই। তাত বহি ভক্ত সমাজে বিষ্ণুৰ নাম গুণ গায়। তোমালোকে নিশ্চয় মন কৰিছা ভকত সকল চাৰি-পাটীত যে বহে, সেয়া আসন। আসন মানে একপ্ৰকাৰৰ ব্যায়াম।

(খ) হাত-চাপৰি বজোৱা দেখিছা নহয়? বাউসী ওপৰলৈ তুলি তুলি হাত-চাপৰি বজাওঁতে ৰক্ত সঞ্চালন হয়। সিও একপ্ৰকাৰৰ ব্যায়াম।

(গ) ভক্তই নিৰামিষ বা ফলাহাৰ ভোজন কৰে। দুয়োটাই হৈছে সাত্বিক আহাৰ। শক্তিকাৰক

বিজ্ঞানসন্মত।

(ঘ) নামৰ শেষত মাহ-প্ৰসাদ গ্ৰহণ কৰে। মাহ-প্ৰসাদৰ লগত কল, কুঁহিয়াৰ, নাৰিকল, মগু, অন্যান্য ফলমূলবোৰে শৰীৰত প্ৰচুৰ পৰিমাণে ভিটামিনৰ যোগান ধৰে নহয় জানো? ই ও বিজ্ঞান

(ৰ) বুট আৰু মগুমাহত উচ্চ মাত্ৰাত প্ৰ'টিন থাকে। ই তেজ বৃদ্ধিকাৰক বাত বিষ নিবাৰক। বুটে ৰক্ত দোষ নাশ কৰে।

(ঙ) প্ৰসাদ বিলোৱা ভকতজনলৈ মন কৰাচোন তেখেতে মুখত এখন গামোচা বান্ধি লয়-যাতে থু-খেকাৰ আদি বতাহত মিহলি হৈ খাদ্যত মিহলি নাযায়

ছাত্ৰ ঃ ছাৰ আজিকালি যে আমি মুখত মাক্স লগাও, তেখেতলোকেচোন সেই তেতিয়াই লগাইছিল? আচৰিত ছাৰ।

শিক্ষক ঃ হয় হয় তুমি ঠিক কথাই ভাবিছা ভকতে নামঘৰত বা গোসাই ঘৰত প্ৰৱেশ কৰাৰ পূৰ্বে গা-পা ধোৱা, নিৰ্দিষ্ট এযোৰ পোছাক (ত্ৰি-বস্ত্ৰ) পৰিধান কৰা, ভৰি-হাত ধোৱা, মাহ প্ৰসাদ কলপাত- পাচি - খৰাহি সকলো পৰিস্কাৰকৈ ধুই থোৱা, দৈনিক নামঘৰীয়াৰ সহায়ত নামঘৰত মনিকোট আৰু মজিয়া (ৰ) চাফা কৰা- এইবিলাক জানো বৈজ্ঞানিক মানসিকতাৰ পৰিচয় নহয়?

আনকি নাম গাওঁতে জিভাৰ ব্যায়াম মন কৰিবলগীয়া, আজিকালি সততে হোৱা এটা ৰোগ হৈছে এলজাইমাৰ, অথাথ পূৰ্বৰ কথা মনত থাকিলেও তাৎক্ষনিক কথা বোৰ ৰোগীয়ে খুব ক্ষীপ্ৰগতিত পাহৰি যায়। চিকিৎসা বিজ্ঞানৰ মতে, জিভাৰ সঞ্চালন দৈনিক কৰি থকা মানুহৰ ক্ষেত্ৰত এই ৰোগ কমকৈ হয়। কেৱল নাম-গুণ গোৱাই নহয়, গীত-মাত, কথা-বতৰা, তামোল-চালি খেশৰা সকলোতে জিভাৰ কাম থাকে।

(চ) ইয়াৰ উপৰিও জিভাৰ সঞ্চালনে উচ্চাৰণ আৰু বাকপটুতাৰ মান উন্নত কৰাত সহায় কৰে।

ছাত্ৰঃ কীৰ্তন, শ্ৰৱন আৰু স্মৰণ কি? তাতো বিজ্ঞান আছে নেকি?

শিক্ষক ঃ হয়। কীৰ্তন কৰোতে মূল ভাগৱতৰ পাঠটো বৰ মনোযোগেৰে কৰা হয়। ইংৰাজীত যাক ট্ৰঙ্গঃস্তুঙ্গঃব্ধৰ্ন্গঃ বুলি কোৱা হয়। ই এক প্ৰকাৰৰ ধ্যান বা মনোযোগ।

ঠিক তেনেদৰে, বিষ্ণুৰ নাম উচ্চাৰণ কৰিব নোৱাৰা সকলে শ্ৰৱণ বা শুনি থাকিলেও ভগৱানক অনুভৱ কৰিব পাৰে। ই এক প্ৰকাৰৰ ধ্যান বা মনোযোগ।

আৰু স্মৰণ হৈছে মনত পেলোৱা ত পুন ঃ পুনঃ স্মৰণ কৰা বা কৰাৰ কথা তোমালোকে পঢ়িবলৈ পাইছা। পাঠত থকা কথাবোৰ বাৰে বাৰে মনত পেলালে যিদৰে স্মৃতিশক্তি বাঢ়ে, তালৈ চাই ইয়াকো একপ্ৰকাৰৰ সাধনা বুলিয়েই ক'ব লাগিব। শংকৰদেৱে ব্যয়বহুলতাৰ পৰা আঁতৰি সকলো স্তৰৰ ভক্তই যাতে সহজেই ভগৱানক অনুভৱ কৰিব পাৰে, তাৰ বাবে ন বিধ ভক্তিৰ কথা কৈছিল। এয়া প্ৰধান তিনিবিধ।

ছাত্ৰঃ ছাৰ, মহাপুৰুষ মাধৱদেৱ অবিহ'নে শংকৰদেৱ সম্পূৰ্ণনে?

শিক্ষক ঃ বৰ সুন্দৰ প্ৰশ্ন কৰিছা। নহয়, মাধবদেৱক বাদ দি শংকৰদেৱ সম্পূৰ্ণ নহয়, মাধৱদেৱ তেৰাৰ প্ৰধান আৰু প্ৰিয়তম শিষ্য।

ছাত্ৰ এই বিষয়ে বিস্তৃতভাৱে ক'ত পোৱা যায় ছাৰ?

শিক্ষক ঃ কথা গুৰু চৰিত বিলাকত পাবা শংকৰ -মাধৱৰ শিষ্যসকলে গুৰু দুজনাৰ দৈনন্দিন কৰ্মকলাপ সমূহ যিবোৰ পুথিত লিখি হৈ গৈছিল, সেই বোৰেই হৈছে কথা গুৰু চৰিত। কথা গুৰু চৰিত শংকৰোত্তৰ যুগৰ অৱদান।

ছাত্ৰঃ ছাৰ শংকৰদেৱ আৰু মাধৱদেৱে পূৰ্বৰ কবি সকলক কেনেদৰে সন্মান প্ৰদৰ্শন কৰিছিল ক'ব নেকি ?

শিক্ষক ঃ অ তোমালোকে দেখিছো বহুত খবৰেই ৰাখিছা। শংকৰ- মাধৱৰ আগৰ সাহিত্যিৰ যুগটোক প্ৰাক-শংকৰী যুগ বুলি কোৱা হয়। এই কথা নিশ্চয় তোমালোকে জানা। এই যুগৰ শ্ৰেষ্ঠ কবি কোন আছিল বাৰু কোনোবাই ক'ব পাৰিবানে?

ছাত্ৰ ঃ ছাৰ, মাধৱ কন্দলি।

শিক্ষক ঃ তেওঁ অসমীয়ালৈ কি অনুবাদ কৰিছিল বাৰু কোৱাচোন?

ছাত্ৰঃ বাল্মিকীৰ ৰামায়ণ নেকি ছাৰ? শুনামতে সেই ৰামায়নখনত সাতটা কাণ্ড আছিল বুলি মাধৱ কন্দলিয়ে নিজে কৈ গৈছিল। পিছত বোলে পোৱা নগ'ল ছাৰ?

শিক্ষক ঃ হয় হয়। পোৱা নগ'ল। তেতিয়া শংকৰদেৱ আৰু মাধৱদেৱে পূৰ্ব কবিজনাৰ কথাষাৰৰ সত্যতা অটুট ৰখাৰ মানসেৰে ৰামায়নৰ আদি কাণ্ড মাধৱদেৱে আৰু উত্তৰাকাণ্ড শংকৰদেৱে সম্পূৰ্ণ কৰি

তেখেতক সন্মান জনায়।

ছাত্ৰ ঃ ছাৰ, আপুনি আগতে শংকৰদেৱে সমাজ কল্যানৰ কথা চিন্তা কৰা বুলিও কৈছিল। এই বিষয়ে যদি অকনমান কয়?

শিক্ষক ঃ অ' পাহৰিছিলোৱেই। মনত পেলাই দিয়াৰ বাবে ধন্যবাদ। শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্ম একেশ্বৰ বাদত বিশ্বাসী আছিল। সেয়ে বহু দেৱ-দেৱীৰ পূজা কৰা নহৈছিল। ফলত অৰ্থব্যয়ৰ সুযোগ নাছিল। এয়া কল্যান নহয় জানো? নামঘৰত থকা দুখীয়া দৰিদ্ৰ জনক পাচি-খৰাহী -শৰাই আদি বনাবলৈ শিকাই আত্ম নিৰ্ভৰশীলতাৰ শিক্ষা দিয়া, প্ৰতিভাসম্পন্নজনক উপযুক্ত মৰ্যাদা দিয়া আদি সমাজ কল্যানৰে একোটি অংশ নহয় জানো? জাতি-ধৰ্ম -নিবিশেষে নামঘৰত প্ৰৱেশ কৰিবলৈ দি সমাজখনক তেৰাই একত্ৰিত কৰি ৰাখিছিল। ইয়াতকৈ কল্যানকৰ আৰু কিবা থাকিব পাৰেনে বাৰু ?

ছাত্ৰঃ ধন্যবাদ ছাৰ। আজি আপোনাৰ পৰা আমি বহুত নজনা কথা শিকিলোঁ। পৰৱতী শ্ৰেণীত শংকৰ-মাধৱ বিৰচিত গীত-মাত-নাট আদিৰ বিষয়ে বহলাই ক'লে আমি অধিক উপকৃত হ'ম ছাৰ।

শিক্ষক ঃ এঘন্টা সময়ে তোমালোকে অতি মনোযোগেৰে পাঠ গ্ৰহণ কাৰাৰ বাবে তোমালোককো মই ধন্যবাদ জ্ঞাপন কৰিছো। তোমালোকৰ ভাৱ চিন্তনৰ বিনিময়তহে একোটি শ্ৰেণীয়ে সাৰ্তকতা লাভ কৰে। আশা কৰো পৰৱতী শ্ৰেণীলৈ তোমালোক সাজু হৈ আহিবা।

ছাত্ৰ-ছাত্ৰী ঃ নমস্কাৰ ছাৰ।

শিক্ষক ঃ নমস্কাৰ।।

# ছাত্ৰ-ছাত্ৰী আৰু মূল্যবোধ শিক্ষাৰ

✍ যতীন্দ্ৰ নাথ শইকীয়া

প্ৰতি বছৰে উচ্চ মাধ্যমিকৰ চুড়ান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চুড়ান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চুড়ান্ত পৰীক্ষাত বহুতো ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতাৰে উত্তীৰ্ণ হোৱা আমি দেখিবলৈ পাওঁ হাজাৰজনে ষ্টাৰ লেটাৰসহ প্ৰথম, বহুহাজাৰজনে দ্বিতীয় আৰু তৃতীয় স্থান পায়। আমাৰ দেশ আৰু জাতিৰ বাবে এইসকল মূল্যবান সম্পদ বুলি বিবেচিত হ'ল। দুয়োটা পৰীক্ষাতে শীৰ্ষস্থান পোৱাসকলক লৈ সকলোৱে গৌৰৱ কৰিছে। বাতৰি কাকততো ডাঙৰ ডাঙৰ ফটো ওলাইছে বিভিন্ন জাতীয় সংগঠন, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে তেওঁলোকক সম্বৰ্দ্ধনা জ্ঞাপন কৰিছে। অভিনন্দন জনোৱাটো বেয়া হৈছে বুলি আমি কব বিচৰা নাই। কিন্তু শীৰ্ষস্থান পোৱাসকলৰ বাদে আন ছাত্ৰ-ছাত্ৰীসকলক সমাজে সিমান গুৰুত্ব দিয়া দেখা নাযায়। বিশেষকৈ দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্তসকলক কোনেও অভিনন্দন নজনায়। এইসকলৰ প্ৰতিভা নথকা নহয়। প্ৰতিভাৰ প্ৰকাশত হয়তো সফল হ'ব পৰা নাই। আমি প্ৰতিভাবান সকলোকে অভিনন্দন জনাব লাগে।

পৰীক্ষাত শীৰ্ষস্থান লাভ কৰা অথবা পৰীক্ষাত সফল হোৱা ছাত্ৰ-ছাত্ৰীসকলে ৰঙীন সপোন দেখিছে। কিন্তু ডাঙৰ কথা এইটো যে শীৰ্যস্থানৰ ছাত্ৰ-ছাত্ৰীসকলে পৰৱৰ্তী সময়ত শীৰ্যস্থান অদিকাৰী হৈ থাকেনে নাথাকে তাৰ খবৰ পোৱা নাযায়। এইসকল ছাত্ৰ-ছাত্ৰী জন অৰণ্যৰ ক'ত হেৰাই যায়? আনকি দক্ষ সামাজিক নেতা, শ্ৰেষ্ঠ ৰাজনীতি বিদ, আদৰ্শকৰ ধৰ্মীয় নেতাসকলৰ মাজতো এই শীৰ্যস্থানৰ লোকসকলক প্ৰায় দেখা নাযায়। প্ৰতিবছৰে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে চমক প্ৰদ সফলতাৰে শীৰ্ষস্থান লাভ কৰিছে। বহু হাজাৰজন প্ৰথম হৈছে। সমাজত উচ্চ-শিক্ষিত লোকৰ সংখ্যা উৰ্দ্ধগতিত বাঢ়িছে। সকলোৱে আশা কৰে শিক্ষিত লোক বঢ়াৰ লগে লগে সমাজৰ সৰ্বাংগীন উন্নতি হ'ব। কিন্তু পূৰ্বৰ তুলনাত সমাজত দুৰ্নীতি, ভ্ৰষ্টাচাৰ, অন্যায়, অত্যাচাৰ, হত্যা-ধৰ্ষণ বহুগুণে বাঢ়িছেহে। মানুহৰ লগত মানুহৰ সম্পৰ্ক কমি গৈছে। এই কথাই নিশ্চিত কৰে সমাজত ক'ৰবাত কেণা লাগিছে।

পৰীক্ষা দুইপ্ৰকাৰৰ এৰিধ স্কুল-কলেজৰ পৰীক্ষা আৰু আনবিধ জীৱন পৰীক্ষা। স্কুল-কলেজত শীৰ্ষস্থান পোৱা সকলোৱে জীৱনৰ পৰীক্ষাত শীৰ্ষস্থান লাভ কৰিব নোৱাৰিবও পাৰে, অথবা স্কুল- কলেজত নিম্নস্থান পোৱাজনে হয়তো কেতিয়াবা জীৱনৰ পৰীক্ষাত শীৰ্ষস্থান পাবও পাৰে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিদিষ্ট কেইখনমান পাঠ্যক্ৰম পঢ়ি মুখস্থ কৰি পৰীক্ষাত শীৰ্ষ স্থান পাইছে, জীৱনৰ বাবে যিখিনি জ্ঞানৰ প্ৰয়োজন সেই জ্ঞানৰ সন্ধান কৰা নাই সেইসকল ছাত্ৰ-ছাত্ৰীয়ে দেশ আৰু জাতিক নেতৃত্ব দিব পৰা নাই। বহুতো শীৰ্ষস্থান পোৱা মেধাবী ছাত্ৰ-ছাত্ৰীয়ে।

অসমৰ বাহিৰত উচ্চ শিক্ষা লববৈলে গৈ ড্ৰাগছ আসক্ত হোৱা এইছ.আই. ভি. পজিটিভ ধৰা পৰা উদাহৰণ বাতৰিত পঢ়িবলৈ পোৱা যায়। এনে পৰিস্থিতিৰ বাবে ছাত্ৰ-ছাত্ৰী নিজে দায়ী। কাৰণ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা বাবে শিক্ষা ললে, কিন্তু জীৱনৰ বাবে জ্ঞান নললে।

মূল্যবোধৰ শিক্ষাই জীৱনৰ জ্ঞান দিব পাৰে, জীৱনৰ পৰীক্ষাত শীৰ্ষস্থান প্ৰাপ্তি কৰাব পাৰে। মূল্যবোধৰ শিক্ষাৰ অভাৱতে ছাত্ৰ-ছাত্ৰীয়ে পথ এৰি বিপথে যায় আৰু তেতিয়া ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ ৰং সলনি হৈ যায়। মূল্যবোধৰ শিক্ষা মহামূল্য শিক্ষা গুণবিশিষ্ট শিক্ষা। যি শিক্ষাই ছাত্ৰ-ছাত্ৰীক গুণৱান কৰে, আদৰণীয় আৰু সন্মনীয় কৰি তোলে তেনে শিক্ষাকে মূল্যবোধ শিক্ষা বোলে। এই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়ে, জীৱন সুন্দৰ কৰে জীৱন নান্দনিক কৰি তোলে। ব্যক্তি আৰু সমাজৰ মূল্য দিবপৰা সকলো বিয়েকে মূল্যবোধৰ শিক্ষাই সামৰি লয়। ব্যক্তি জীৱনৰ আচাৰ-ব্যৱহাৰ চাল-চলন, নীতি-সদাচাৰ, ধৰ্ম জ্ঞান, সত্য, প্ৰেম, কৰুণা, অহিংসা, সহিষ্ণু, সাধুতা, নম্ৰতা এই সকলোবোৰেই মূল্যবোধৰ শিক্ষাৰ অন্তৰ্গত। মূল্যবোধ শিক্ষা সত্য, শিৱ, সুন্দৰৰ আধাৰত প্ৰতিষ্ঠিত। মূল্যবোধৰ শিক্ষাই ছাত্ৰ-ছাত্ৰী।

শুদ্ধ দৃষ্টিভংগী, ভাল-বেয়া বিচাৰ ক্ষমতা, সত্য আৰু অসত্যৰ সম্বন্বয় দিয়ে। এনে শিক্ষাই ছাত্ৰ-ছাত্ৰীক সমাজমুখী কৰি তোলে। সমাজৰ দলিত পতিত ৰোগী নিষ্পেষিতজনৰ প্ৰতি সহানুভূতিশীল আৰু পৰোপকাৰী কৰে। মূল্যবোধৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক সামাজিক দায়িত্ববোধৰ কথা শিকায় সমাজৰ প্ৰতি কৰিব লগা ত্যাগ আৰু সেৱাৰ কথা শিকায়, এনে শিক্ষাই মানুহৰ প্ৰতি থকা মানুহৰ দায়বদ্ধতাৰ কথা শিকায়। মূল্যবোধৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ জীৱনটো সংযমী কৰি তোলে। ছাত্ৰ-ছাত্ৰীৰ জীৱনটো হাঁহি, মাতি, নাচি-বাগি ফুৰা পাখিলাহি পখিলাৰ জীৱন। এই সময়ত মনৰ চঞ্চলতাই ছাত্ৰ-ছাত্ৰীক কেতিয়াবা বিপথে লৈ যায়, ছাত্ৰ-ছাত্ৰীৰ চঞ্চল ভূৱা জীৱনৰ বিষয়ে সাৱধান কৰি প্ৰকৃত জীৱনৰ মিঠা অনুভূতি উপলব্ধি কৰাত মূল্যবোধৰ শিক্ষাই সহায় কৰে।

মূল্যবোধৰ শিক্ষা জন্মগত নহয়। শিশু জন্ম হৈ আহোঁতে এইবোৰ শিক্ষা লৈ নাহে। এই শিক্ষা অৰ্জন কৰিব লাগে। জীৱনৰ পঢ়াশালিৰ পৰা এই শিক্ষা লাভ কৰিব পাৰি। সমাজৰ বিভিন্ন পটভূমিত বিভিন্ন ব্যক্তিৰ ভাৰতীয় সংবিধান ভাৰতীয় সংস্কৃতি আৰু ভাৰতীয় ধৰ্ম আদিৰ উৎসৰ পৰা এই শিক্ষা পোৱা যায়। দেশ, জাতি, আৰু সমাজ সুশৃংখলিত কৰি পৰিচালনা কৰিবলৈ আমাৰ দেশৰ সংবিধান আছে। দেশৰ উন্নত সভ্যতা - সংস্কৃতি, জাতীয় ঐতিহ্য আৰু পৰম্পৰা আছে। পৃথিৱীৰ আন দেশবোৰ অন্ধকাৰত ডুব গৈ থকাৰ সময়তে ভাৰতীয় সভ্যতা - সংস্কৃতিয়ে উন্নতিৰ শিখৰত আছিল। কিন্তু দুৰ্ভাগ্যৰ কথা আজিৰ সমাজৰ ছাত্ৰ-ছাত্ৰীসকলে মূল্যবোধৰ শিক্ষাৰ উৎসবোৰ নজনা হ'ল। অথবা জানিলেও সেইবোৰত গুৰুত্ব নিদিয়া হ'ল। বাৰীৰ ঘাঁহে গোহালিৰ গৰুৰ ৰাহি নহা হ'ল। আমাৰ দেশত মূল্যবোধৰ শিক্ষা লব লৈ বিদেশৰ পৰা ছাত্ৰ-ছাত্ৰীসকল আহে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে যান্ত্ৰিক শিক্ষা ল'বলৈ বিদেশলৈ যায়। উন্নত শিক্ষাৰ বাবে বিদেশলৈ যাব লগা হ'ব পাৰে, যোৱাত বাধা নাই। কিন্তু দেশৰ ঐতিহ্যপূৰ্ণ মূল্যবোধৰ শিক্ষা লগত লৈ যাত্ৰা কৰিলে ছাত্ৰ-ছাত্ৰীৰ জীৱন সফল হ'ব লগতে জাতিৰ অস্তিত্ব ৰক্ষা হ'ব।

বৰ্তমান বিদ্যালয় মহাবিদ্যালয়ত দেখা পোৱা ছাত্ৰ-ছাত্ৰীৰ উশৃংখল মানসিকতাৰ পৰিবৰ্তন আনিব পাৰে মূল্যবোধৰ শিক্ষাই। মূল্যবোধৰ শিক্ষা বিস্তাৰৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে পদ্ধতিগতভাৱে আগবাঢ়িব লাগিব। ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে শিক্ষানুষ্ঠানত শিক্ষকসকল আৰু ঘৰত অভিভাৱকসকল আদৰ্শৰ প্ৰতীক। তেওঁলোকৰ সৎ আদৰ্শ সৎ আচাৰ আচৰণ অনুকৰণ কৰিব লাগিব সেইদৰে মহাপুৰুষসকলৰ জীৱনী আৰু কৰ্মৰাজি আলোচনা-পৰ্যালোচনা আৰু ভালেখিনি জীৱনত প্ৰয়োগ কৰিব লাগিব। মূল্যবোধৰ শিক্ষাৰ বাবে মহাপুৰুষৰ সৎ গ্ৰন্থ, ধৰ্মীয় আদৰ্শমূলক গ্ৰন্থ অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে। তেনেবিলাক গ্ৰন্থ অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উত্তৰণ ঘটাব পাৰে, সৎ আদৰ্শপূৰ্ব জীৱনৰ সন্ধান দিব পাৰে। ঠিক

তেনেদৰে মহাপুৰুষ সকলৰ বিভিন্ন উৎসৱ-পাৰ্বণ, ধৰ্মীয় আলোচনা সভা আদিত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশ গ্ৰহণে, ছাত্ৰ-ছাত্ৰীৰ মনত মূল্যবোধৰ জ্ঞান বঢ়াই তুলিব পাৰে। ইয়াৰ উপৰি সমাজত প্ৰচলিত বিভিন্ন ধৰ্মৰ গুৰুসকলে প্ৰচাৰিত ধৰ্মীয় ৰীতি নীতিৰ মাজত মূল্যবোধৰ শিক্ষা লাভ কৰিব পাৰি। শিক্ষানুষ্ঠানত আৰু পুৱা-সন্ধ্যা নিজৰ ঘৰত কৰা ঈশ্বৰ প্ৰাৰ্থনাই, উৎসৱ পাৰ্বনত পিতৃ-মাতৃ তথা গুৰুতুল্য ব্যক্তিক কৰা সেৱা সৎকাৰে ছাত্ৰ-ছাত্ৰীৰ নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা লাভ কৰাত সহায় কৰে। মূল্যবোধৰ শিক্ষা অবিহনে ছাত্ৰ-ছাত্ৰীৰ জীৱন মূল্যহীন হৈ পৰিব। ছাত্ৰ-ছাত্ৰীৰ জীৱন বিফল হ'ব। কিন্তু মূল্যবোধৰ শিক্ষাই প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ জীৱন মধুৰ কৰি তুলিব।

# এটা পিশাচৰ লগত এনিশা

✍ ৰীণা বৰঠাকুৰ

ৰাতিপুৱাতে ড০ চিন্নস্বামীৰ ফ'নটো পালো। ম'বাইলৰ স্ক্ৰীনত তেওঁৰ নামটো ভাঁহি অহাৰ লগে লগে আচৰিত আৰু আনন্দিত দুয়োটাই হৈছিলো। আচলতে বহুত দিনেই তেওঁৰ লগত সংযোগবিহীন হৈ আছিলো। ড০ চিন্নস্বামী, মাত্ৰ কেইদিনমানৰ বাবে লগ পোৱা এটা মধুৰ সান্নিধ্যৰ নাম। তেখেতৰ প্ৰতি থকা এক অনাবিল আকৰ্ষণৰ বাবেই তেওঁৰ নামটো ইমানদিনে মোৰ ফ'নবুকত সাঁচি ৰাখিছো। হয়তো তেখেতৰো মোৰ প্ৰতি একেধৰণৰ অনুভূতি থাকিব পাৰে। আপোনজনৰ লগত মন সংযোগৰ বাবে কোনো কণিকা তৰংগৰ শক্তিশালী ইন্টাৰেক্চন থাকিবও পাৰে। আমাৰ মগজুৰ নিউৰণ কণিকাবোৰে কিমান জটিল কাম সমাধা কৰি থাকে সেয়া শুদ্ধৰূপত জনাটো এতিয়াও সহজসাধ্য নহয়।

আজি চাৰিবছৰৰ আগৰ কথা। মোৰ মামাৰ এক জটিল অষ্টোপচাৰ চেন্নাইৰ এপল' হস্পিতেলত কৰাব লগা হৈছিল। মামা আৰু মামীৰ লগত ময়ো এই যাত্ৰাৰ অংশীদাৰ। মই পুত্ৰবৎ মৰম পাইছিলো। সেয়ে মহাবিদ্যালয়ৰপৰা কেইদিনৰ ছুটি লৈ চেন্নাই পাইছিলোগৈ গৈ পোৱাৰ পিছতে মামাৰ যাৱতীয় শাৰীৰিক পৰীক্ষা নিৰীক্ষা চলি আছিল আৰু সেই সময়তে ড০ চিন্নস্বমীক লগ পাইছিলো। পত্নীৰ চিকিৎসাৰ বাবে আহিছে। তেনেই সাধাৰণ বেশভূষাৰে সহজ সৰল যেন লগা মানুহজনৰ চকুযোৰত কিন্তু এক অমোঘ সন্মোহন আছিল। হস্পিতালৰ নানা তৰহৰ পৰীক্ষাৰ ৰিপৰ্ট আদি সংগ্ৰহৰ বাবে অপেক্ষাৰত সময়খিনি দুঃ চিন্তাৰ পৰা সাময়িক সকাহ বিচাৰি মই তেখেতৰ লগত কথা আৰম্ভ কৰিলো। মোৰ আন্তৰিক প্ৰ্নত তেখেতে কিছু সময় তভক মাৰি থাকিল, কিন্তু তাৰ পিছতে সহৃদয়তাৰে কথা পাতিবলৈ আৰম্ভ কৰিছিল। মোক অসমৰ বুলি জানি আলফা, এন এছ চি এন আদি সংগঠনৰ কথা সুধিলে। (অসমৰ বাহিৰত এটা সমস্যা। সমগ্ৰ পূৰ্বাত্তৰ অঞ্চলক উগ্ৰপন্থী আধ্যুষিত অঞ্চল বুলি ভাবে।) কিন্তু এই মানুহজনে উত্তৰ পূৰ্বাঞ্চলৰ ইতিহাসত অজ্ঞ নহয় । কিছু ব্যক্তিগত অধ্যয়ণৰ বাবে তেখেতে অসম হৈ অৰুণাচল আৰু শ্বিলং পৰিভ্ৰমণ কৰিছে। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ এই সেউজ ভূমিৰ কথা ক'বলৈ যাওঁতে কেঁচা পকা দাড়ি ভৰ্ত্তি মুখখনত এক আনন্দৰ ৰেখা ফুটি উঠিল, ঠিক কেইবাদিনো মেঘে ঢাকি থোৱা আকাশখনিত সুৰুযে ভুমুকিওৱাৰ দৰেই। তেখেতৰ ঘৰুৱা কথা মাত্ৰ ইমানেই জানিলো যে তেখেতৰ পত্নী অসুস্থ। তামিলনাডুৰ অৰশ্যে চৰকাৰী খণ্ডৰ চিকিৎসা সেৱাও ভাল। তাতেই পত্নীৰ চিকিৎসা কৰাইছিল। কিন্তু বাবেহে ইয়ালৈ আনিছে। অকলশৰীয়া মানুহজনক ল'ৰা ছোৱালীৰ কথা সুধিম বুলি ভাবিও ৰৈ গলো। ক'বলগীয়া থাকিলে তেখেতে নিজেই ক'ব। নিঃসন্তানো হ'ব পাৰে বা উচ্চ শিক্ষিত হৈ বিদেশত থাকিব পাৰে ব্যস্ততা তথা প্ৰতিযোগিতাৰ পৃথিৱীখনত থাউতি হেৰুৱা আজিৰ প্ৰজন্মই অনিচ্ছকৃত ভাবেও পিতৃ-মাতৃৰ হৃদয়ত কেঁচা ঘাৰ সৃষ্টি কৰে, আৰু তেনেধৰণৰ ঘা বুকুত লৈ আজিৰ কিমানজন পিতৃ মাতৃ নিসংগতাৰ চিকাৰ হৈ পৰিছে তাৰ সংখ্যা কেতিয়াবা হিচাবৰ বাহিৰত হৈ পৰিছে।

মাত্র সাতোটা দিন, ইয়াৰ মাজতে ভিন্নবয়সী আমি দুয়োজনৰ মাজত এক অদৃশ্য অথচ অভিন্ন সূতাৰ বান্ধোন আহি পৰিছিল। একেখন দেশৰে এজন পূবৰ আনজন দক্ষিণৰ। কিন্তু প্ৰত্যেক দিনাই আমি লগ হৈছিলো, খোজ কাঢ়িছিলো একেলগে এজনে আনজনৰ ডাক্তৰী কামত সহযোগ কৰিছিলো। বিদায়ৰ আগ দিনা তেওঁৰ ঘৰলৈ গৈছিলো, অতি কম সময়ৰ বাবে। ইতিমধ্যে মই সকলো জানি পেলাইছিলো।

প্ৰকৃতিৰ প্ৰতি থকা তেওঁৰ অমোঘ আকাষৰ্ণৰ কথা। তেখেতৰ ঘৰখনে মোক ইতিহাসত পোৱা মুনিৰ তপোবীনলৈহে মনত পেলাইছিল। নানা তৰহৰ গছ বিৰিখৰ মাজত সৰু অথচ পৰিপাটি ঘৰখনে কিয় জানো বাৰে বাৰে কথমুনিৰ আশ্ৰমখনলৈহে মনত পেলাইছিল, যি আশ্ৰম দুষ্যন্ত শকুন্তলাৰ মিলনৰ থল আছিল। তেতিয়াই গম পাই ছিলো, চিন্নস্বামী নিঃসন্তান। পত্নীৰ এক জটিল অপাৰেশ্যনে সন্তান জন্মৰ প্ৰক্ৰিয়া বিয়াৰ দুবছৰ পিছতে বন্ধ কৰি দিছিল। অৱশ্যে মোক কৈছিল তেওঁ অসুখী নহয়। এই উদ্যানৰ প্ৰতিজোপা গছ, প্ৰতিটো প্ৰাণী তেওঁৰ সন্তান। আৰু আছে এজন বিশ্বস্ত সহায়কাৰী যাৰ প্ৰকৃত নাম উচ্চৰণ কৰা বা মনত ৰখা মোৰ সম্ভৱ নহ'ল। নামটোৰ শেষ অংশৰ উচ্চাৰণ আপ্পা। সেয়ে তেওঁৰ কথা ভাবিলে মই আপ্পা বুলিয়েই ভাবিচিলো। আপ্পাই প্ৰস্তুত কৰা ইদলি খাই খুউব সোনকালে ঘূৰি আহিছিলো।

সেই চিন্নস্বামীৰ আমন্ত্ৰণ । প্ৰথমতে চলি থকা ফ'নকলবোৰৰ দ্বাৰাই মই ইতিমধ্যে গম পাইছিলো তেওঁৰ পত্নীৰ বিয়োগৰ কথা। লাহে লাহে কথোপকথনৰ মাত্ৰা কমি আহিছিল। যোৱা দুবছৰ একেবাৰে সংযোগৰহিত আৰু আজি এয়া খৰতকীয়া আমন্ত্ৰণ, ফ'নত বাৰে বাৰে কৈছে, মই যোৱাটো হেনো খুউব জৰুৰী।

ফ'নটো পোৱাৰ দহদিন পিছত মই চেন্নাইৰ বিমানকোঠত নামিলো ডায়েৰীত ঠিকনাটো লিখাই আছিল। অট' এখন লৈ চালকজনক ঠিকনাটো বুজাই দিলো। চেন্নাইত সাধাৰণ মানুহে হিন্দী নাজানে। ইংৰাজী শব্দ কেইটামানে কাম চলাব পাৰি। আজিকালি অৱশ্যে ব্যৱসায়ৰ স্বাৰ্থত দুই এটা শব্দ শিকিবৰ চেষ্টা কৰিছে। এপল' হস্পিতালৰ গৱেষণাগাৰৰ সহায়ক সকলেও দুই এটা শব্দ শিকিবৰ চেষ্টা কৰিছে। এপল' হস্পিতালৰ গৱেষণাগাৰৰ সহায়ক সকলেও দুই এটা শব্দৰ হিন্দী ৰূপান্তৰ মোক সুধিছিল। যি নহওক অট'চালকজনে মোক সঠিক স্তানতে নমাই দিলে। ঘৰৰ সন্মুখতে চিন্নস্বামী থিয় হৈ আছিল। মানুহজনক কিছুপৰিমাণে উদভ্ৰান্ত যেন লাগিছিল। যেন প্ৰবল ধুমুহা এজাকে কোবাই যো-ন এজোপা গছ। কিন্তু মোক দেখাৰ লগে লগে মুখখনত সেই সুন্দৰ হাঁহিটো যেন অলপ ফুটি উঠিব খুজিছিল। দুয়োহাতে মোৰ হাত দুখনত ধৰিলে। "থেংক য়ু শব্দ দুটা তেওঁ কেইবাবাৰো উচ্চাৰণ কৰিলে।

মই আচলতে ভিতৰি ভিতৰি তুমুল উদ্বিগ্নতাত ভুগিছিলো। ইমান জৰুৰী নিমন্ত্ৰণ তেখেতে কিয়বা কৰিলে। সুদূৰ দক্ষিণৰ এই প্ৰসিদ্ধ বিজ্ঞানীজন নিজৰ ঠাইত সঁচাকৈয়ে নিসংগ হৈ পৰিছে নেকি? অৱশ্যে মনৰ ভিতৰত এটা কত্তব্যই গা কৰি উঠিছিল, অসমবয়সী এই সৰল বন্ধজনক পাৰিলে কিবা সহায় কৰাৰ ইচ্ছা জাগিছিল। সেয়েহে ইমান কমদিনতে কৰ্ম্মস্থল আৰু বাসস্থান দুয়োটা কোনোমতে মেনেজ কৰি অৰ্থব্যয় কৰিও তেওঁৰ ওচৰলৈ ঢপলিয়াস আহিছো। আপ্পাই মোৰ স্নান আৰু আৰামৰ ব্যৱস্থা কৰিছিল। পিছে চাহ খোৱাৰ পিছতে আৰামৰ কথা পাহৰি মই লাহে লাহে উদ্যানখনলৈহে খোজ পেলাইছিলো। কথমুনিৰ আশ্ৰম যেন লগা এই আশ্ৰমে মোকটো মাজে মাজে নিমন্ত্ৰণ দিয়েই আছিল। উদ্যানখন প্ৰায় একেই আছে। সামান্য অযত্ন পালিত যেন বোধ হ'ল। উদ্যানখনৰ উত্তৰ-পশ্চিম কোণত এটা গোল সেউজ কাচৰ ঘৰ দেখিলো। ঘৰটো আগৰবাৰ দেখা মনত নপৰিল, সেসফালে অগ্ৰসৰ হওতে ডঠাৎ ক'ৰবাৰ পৰা চিন্নস্বামীয়ে মোক বাৰণ কৰিলে। সামান্য আহত হ'লো। যাৰ বাবে কিলোমিটাৰ ঢপলিয়াই আহিলো, তেওঁ মোক একেবাৰে আপোন জ্ঞান কৰা নাই নেকি? নিজৰ ওপৰত অলপ খঙো উঠিল। ল'ৰাটোৰ বছেৰেকীয়া পৰীক্ষা চলি আছিল। পত্নীৰ ওপৰত, সমস্ত দায়িত্ব দি যাৰ বাবে উৰাজাহাজৰ তৎকালীন টিকটৰ ইমান খৰছ কৰি ঢপলিয়াই আহিলো তেওঁ দেখোন এতিয়ালৈকে মনটোক খোলাৰ ভিতৰতে সুমুৱাই ৰাখিছে।

৯ বজাত নিশৰ আহাৰ খালো। নিজৰ বিছনাত আকাশ পাতাল ভাবি বহি থাকোতে চিন্নস্বামী মোৰ ৰুমলৈ সোমাই আহিল দুহাতত দুকাপ ধোঁৱা ওলাই থকা কফি লৈ।

'কফিকাপ খাইলওক, আজি ৰাতি কিছু টোপনি খতি কৰিব লাগিব। আপোনাক ক'বলৈ মোৰ এটা সুদীৰ্ঘ কাহিনী আছে। বোধহয় দেখুৱাবলৈও কিবা আছে।'

একো নামাতি কফিকাপ হাতত ললো। কিছুসময় নিমাতে থাকি তেখেতে যি কাহিনী আৰম্ভ কৰিলে, তাৰ সাৰমৰ্মটো এনেধৰণৰ -

এবাৰ যাদৱপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৰা এখন ছেমিনাৰত অংশগ্ৰহণ কৰিবলৈ তেখেত পশ্চিমবংগলৈ গৈছিল। ছেমিনাৰত ভাষণ প্ৰদান কৰি তেওঁ এটা অতিথিশালত জিৰণি লৈ থাকোতে এজন গৱেষক ছাত্ৰই তেওঁক পেকেট কৰা এখন ডায়েৰী দি এটা গোপন অনুৰোধ কৰিছিল।

"আপুনি বাৰু প্ৰখাত প্ৰকৃতিবিদ ড০ বেনাজীৰ নাম শুনিছিল নেকি?"

কথাৰ মাজতে তেখেতে প্ৰশ্ন কৰিছিল ।

"ড০ ৰবীণ বেনাৰ্জী নেকি, যিজনে জীৱনৰ পিছৰ কালছোৱা অসমৰ প্ৰকৃতিত বিচৰণ কৰিছিল। অসমতে মৃত্যুবৰণ কৰা তেখেত এজন দূৰন্ত পক্ষীবিদ আছিল।"

-"নহয়, নহয়। এইজন বেনাজীৰ জীৱনৰ শেষকাল বৰ দুখ লগা আছিল। মানুহে কৈছিল তেখেতে মগজুৰ ভাৰসাম্য হেৰুৱাই পেলাইছে। তেখেতৰ এখন ডায়েৰী এসময়ৰ ছাত্ৰজনে মোৰ হাতত অৰ্পণ কৰিছিল। বোধহয় ড০ বেনাজীৰ বৰ মৰমৰ ছাত্ৰ আছিল। ডায়েৰীখন দিওতে তেওঁৰ চকুযোৰ বাষ্পাকুল হৈ পৰিছিল। মহান গুৰুৰ প্ৰিয় এই ছাত্ৰজনৰ লগত মোৰ যোগাযোগ আছে, কিন্তু নিৰাপত্তাৰ স্বাৰ্থতে মই তেওঁৰ নামটো গোপন কৰি যাম।"

পুনৰ আৰম্ভ হৈছিল কাহিনী। ড০ বেনাৰ্জীৰ কাহিনী।

"ডায়েৰীখন পঢ়ি মই আশ্বৰ্য হৈ পৰিছিলো। কিছুমান কথা সাংকেতিক ভাষাত লিখা আছিল যদিও এজন উদ্ভিদ বিজ্ঞানী হিচাপে বহু কথা মই বুজি পাইছিলো। ড০ বেনাজী পৃথিৱীৰ চুকে কোণে ঘুৰিফুৰা এজন সংসাৰবিৰাগী মানুহ। গছ পাতৰ আকৰ্ষণত তেওঁ দুবাৰকৈ আফ্ৰিকা পৰিভ্ৰমণ কৰিছিল। আপোনালোকৰ চুবুৰীয়া অৰুণাচলো তেওঁৰ প্ৰিয় ভ্ৰমণস্থলীৰ এটা আছিল। আফ্ৰিকাত প্ৰথমবাৰ ভ্ৰমণ কৰোতে এজন জনজাতীয় গাইডে তেওঁক এটা আচৰিত সংৰক্ষিত এলেকা দূৰৰ পৰা আঙুলিয়াই দেখুৱাইছিল। সেই এলেকা জনবসতি শূন্য আছিল আনকি জনজাতীয় যুৱকজনৰ মতে তাত গছৰূপী চৈতান থাকে, তাৰবাবেই মানুহ নালাগে পশু পক্ষীয়েই পৰাপক্ষত সেইফালে নাযায়।

বেনাজী চৈতান বিশ্বাসী কৰা পুৰুষেই নাছিল। তেওঁৰ মনটো লকলকাই উঠিছিল, কিন্তু সেবাৰ সময়ৰ অভাৱত মনৰ ইচ্ছা মনতে সামৰি ভাৰতলৈ ঘূৰি আহিছিল।

মনত কিলবিলাই থকা অনুসন্ধিৎসু পোকটোৰ বাবেই ড০ বেনাজীয়ে দ্বিতীয়বাৰ আফ্ৰিকা ভ্ৰমণ কৰিছিল। অৱশ্যে ভ্ৰমণ বুলি ক'লে সঠিক নহ'ব, কাৰণ তেওঁৰ লক্ষ্যস্থান কেৱল এটুকুৰা ঠাইতে আৱদ্ধ আছিল। এইবাৰ বৰ চুতুৰতাৰে তেওঁ আগবাঢ়িছিল। প্ৰাণৰ ভয় তেওঁৰ নাছিল। সেয়েহে অত্যন্ত আঁচনি কৰি তেওঁ সেই এলেকাৰ ওচৰ জচাপিছিল। বহু উপহাৰ আদি দি ওচৰৰ জনজাতীয় লোকসকলৰ লগতে বন্ধুত্ব স্থাপন কৰিছিল। আগৰ ভ্ৰমণৰ অভিজ্ঞতাই তেওঁক কিছু অভিজ্ঞ কৰি তুলিছিল।

বহু চলচাতুৰীৰে তেওঁ সেই নিষিদ্ধ এলেকা পৰিভ্ৰমণ কৰিছিল। আৰু তাতেই পৰিদৰ্শন কৰিছিল সেই অদ্ভূত গছজোপাৰ, জনজাতীয় লোক সকলৰ মতে 'চৈতান ৰূপী গছ' সেউজ ৰঙৰ কোনো বৰণ নথকা অলপ বেঙুনীয়া আৰু কলা ৰঙৰ সংমিশ্ৰণৰ এটা ৰং । নাই কোনো সেউজ ডাল পাত। ওপৰৰ অংশত কেৱল ছাতিৰ আকাৰৰ এটা চক্ৰ । যেন কোনো মানুহে ছাতি লৈ মুখ ঢাকি থিয় হৈ আছে। আচলতে বেনাৰ্জীয়ে ঠিক কৰিব পৰা নাছিল অদ্ভুত আকৃতিৰ এইজোপা গছনে কিবা অদ্ভুত জন্তু। বহু সময় আঁতৰৰ পৰা লক্ষ্য কৰি ঠিৰাং কৰিছিল বস্তুটোৰ চলন ক্ষমতা নাই। কিছুদূৰত কেইজোপামান বৃহৎ আকাৰৰ গছ দেখা পাইছিল। সেইবোৰ স্বাভাৱিক আছিল। সঁচাকৈ এলেকাটোত কোনো বনৰীয়া জীৱ-জন্তু বা চৰাইৰ মাত তেওঁ শুনা নাছিল।

বেনাৰ্জীয়ে আঁতৰৰ পৰা অনুসন্ধান আৰম্ভ কৰিলে। নাই, তেনেধৰণৰ গছৰ বা তাৰ কোনো পুলিৰো সন্ধান নাপালে। গছজোপাৰ কিছু কঠিন মূল (আদাৰ দৰে) ওপৰতে ওলাই আছিল মৰসাঁহ কৰি তাৰে সৰু টুকুৰা দুটা মান সংগ্ৰহ কৰি জেপত ভৰালে। আৰু কাষ্টম অভিচাৰৰ সন্মুখত ধুলি মাৰি বেনাজী ভাৰত পালেহি।

পিছৰ সময়ছোৱাত তেখেতে সেই মূলকেইটাক লৈ ব্যস্ত হৈ পৰিল। তেওঁৰ এখন সুন্দৰ বটানিকেল গাৰ্ডেন আছিল। তাৰে এটা প্ৰস্তুত কেইযামান বৃহৎ আকাৰৰ টাব স্থাপন কৰি তেওঁ মূলকেইটা ৰোপন কৰিছিল আৰু পৰ্যাপ্ত পৰিমাণে ৰ'দ পৰাৰ ব্যৱস্থা কৰিছিল। বেনাজীৰ নেৰানেপেৰা প্ৰচেষ্টাত কেৱল এটা মূলৰ পৰা এটা অংকুৰণ ঘটিছিল। অহৰহ নিৰীক্ষণৰ পিছত তেওঁ সিদ্ধান্তত উপনীত হৈছিল গছজোপাৰ পুলিটো মাংসহাৰী ঠিক কলচী উদ্ভিদৰ দৰে কেৱল পাত নাছিল। ওপৰৰ ধেনুৰ আকাৰৰ সৰু ডালৰে তৈয়াৰী চক্ৰটোত কোনো পোক পতংগ পৰিলেই চক্ৰযোৰ ছিদ্ৰবোৰ বন্ধ হৈ পৰিছিল। পুনৰ যেতিয়া ওপৰৰ ছিদ্ৰ খোল খাইছিল পোক পতংগৰ অৱশিষ্ট একোৱেই নাছিল।

ক্ৰমে পুলিটো ডাঙৰ হৈ আহিছিল আৰু ই তাৰ চিকাৰৰ মান সলনি কৰিছিল। গছজোপাই কিন্তু সদায় চিকাৰ নকৰিছিল, ডাঙৰ হৈ অহাৰ লগে লগে ইয়াৰ চিকাৰ সমূহৰ মাজত গেপটো বাঢ়ি আহিছিল। চিকাৰৰ ইচ্ছা হ'লে ওপৰৰ চক্ৰটো মেল খাইচিল, ঠিক ছাতি এটা ওলোটাই লাহে লাহে মেলিবলৈ ধৰাৰ দৰে। সেইসময়ত মন মতলীয়া কৰা এটা মিং গোন্ধে অঞ্চলটো আমোলমোলাই উঠিছিল। উৰি ফুৰা চৰাইবোৰ ইয়াৰ আকৰ্ষণত ওচৰ চাপিছিল আৰু কেনেবাকৈ চক্ৰত স্পৰ্শ কৰিলেই কঠিন বন্ধনত আবদ্ধ হৈ পৰিছিল।

গছজোপা ডাঙৰ হৈ অহাৰ লগে লগে তেওঁৰ উদ্যানৰ পক্ষীকুলৰ সংখ্যা কমি আহিছিল। গছজোপাৰ চাৰিওফালে তাঁৰৰ বেৰ দি তেওঁ চৰাইবোৰ ৰক্ষা কৰাৰ চিন্তা কৰিছিল আৰু বজাৰৰ পৰা কুকুৰা কিনি আন সময়মতে তাক যোগান ধৰিছিল। কিন্তু এদিন এটা ডাঙৰ অঘযন ঘটিল। আমি আগতে উল্লেখ কৰিছিলো তেওঁ অবিবাহিত বাঘা নামৰ দেশী কুকুৰাটো তেওঁৰ একান্তসংগী আছিল। এদিন অসৰ্তক মুহূৰ্তত বাঘাও গছৰ সেই সন্মোহনী গোন্ধত আক্ৰান্ত হৈ তেওঁ দিবলৈ যোৱা কুকুৰাবোৰ লগতে গছৰ ওপৰৰ চক্ৰৰ অভিমুখে জঁপ মাৰি দিলে। বহু চেষ্টা কৰি টানি আঁজুৰি তাক সেই চৈতান গছৰ কৱলৰ পৰা আতৰাই আনিলেও বাঘা আঘাত প্ৰাপ্ত হৈ পৰিল। তিনিদিন ছটফট কৰি বাঘা মৰিল। আৰু ড০ বেনাজী? তেওঁ যেন নিৰ্বাক প্ৰতিমা হৈ পৰিল। মানুহৰ সংগ সমূলি ত্যাগ কৰাৰ বাবে মানুহে ইতিমধ্যে পগলা বিজ্ঞানীৰ উপাধিটো তেওঁৰ নামৰ লগত যুক্ত কৰিছিলেহে। এদিন তেওঁ সিদ্ধান্ত লৈছিল সেই চৰম পৰিকল্পনাৰ। উদ্যানসহ সকলো বস্তু তেওঁ জ্বলাই দিছিল আৰু নিজেই আত্মহননৰ দৰে নিষ্ঠুৰ সিদ্ধান্ত লৈ পেলাইছিল। অৱশ্যে তাৰ কেইদিন মানৰ পূৰ্বে কিছু মূল্যৱান গ্ৰন্থৰ লগতে এই ডায়েৰীখনো প্ৰিয় শিষ্যৰ হাতত দি গৈছিল।

তেন্তে সেই চৈতান গছজোপাৰ বাবেই তেওঁ মৃত্যুবৰণ কৰিলে?

ইমানদেৰি ড০ বেনাজীৰ কথা মন্ত্ৰমুগ্ধৰ দৰে শুনি থকা মোৰ মুখৰ পৰা হঠাতে স্বতঃস্ফূৰ্তভাবে ওলাই গৈছিল। গছজোপাৰ ক্ষেত্ৰত চৈতান শব্দটো ব্যৱহাৰ কৰি নিজে আচৰিত হৈছিলো।

- এৰা চৈতানেই দিয়কচোন। সেই জনজাতি মানুহসকল কাৰোবাৰ নিশ্চয় তেনে চাক্ষুস অভিজ্ঞতা হৈছিল। আৰু বাঘাৰ মৃত্যুৰ বাবে বেনাজীয়ে হয়তো নিজক ক্ষমা কৰিব পৰা নাছিল। বাঘাক কুকুৰ বুলিলে ভুল কৰা হ'ব, সি বেনাজীৰ পোষ্য পুত্ৰৰ দৰে আছিল।

"গুড নাইট "হঠাৎ চিন্নস্বামীয়ে মোক নিশাৰ শেষ সম্ভাষণ জনালে।

"আজি আপুনি বহু কষ্ট কৰি আহিছে। এতিয়া ৰাতি বহুতেই হ'ল। আপোনাৰ বিশ্ৰাম৭ প্ৰয়োজন আছে।'

মোক কোনো কথা কোৱাৰ সুযোগ নিদি চিন্নস্বামী কোঠাটোৰ পৰা ওলাই গ'ল।

"আপুনি নিশ্চয় উৎকণ্ঠিত হৈ আছে-?"

মই একো উত্তৰ নিদিলো। আজিৰ দিনৰ দিনটো তেওঁ নিজৰ কামত ব্যস্ত হৈ আছে। পুৱাৰ কফিকাপ খেশৱাৰ পিছতে আপ্পাৰকথামতে (হয়তো চিন্নস্বামীৰ নিৰ্দেশ) তেখেতৰ লাইবেৰীত বহুত সময় কটালো। মই নপঢ়া কোনোদিনে নামো নুশুনা বহুগ্ৰন্থৰ মেটমৰা সম্ভাৰ লৈ তেখেতৰ লাইব্ৰেৰীটো নিঃসন্দেহে এটা শ্ৰেষ্ঠ সংগ্ৰহালয়। উদ্ভিদ বিদ্যাৰ বহু মূল্যবান গ্ৰন্থৰ লগতে প্ৰাণীবিদ্যা, ৰসায়ণ বিদ্যাৰ লগতে বহু প্ৰখ্যাত ইংৰাজী ঔপন্যাসিকৰ বহু নামী দামী গ্ৰন্থ। এটা আলমাৰিত কেৱল ভ্ৰমণ কাহিনীৰ কিতাপেই ভৰি আছে। কিতাপৰ সংগ্ৰহ দেখি লগতে এই জ্ঞানপিপাসু আপোনভোলা বিজ্ঞানীজনৰ ওচৰত নিজকে বৰ নিঃকিন অনুভৱ কৰিলো। আমাৰ সহকৰ্মীসকলৰো বেছিভাগেই মোৰ দৰে, অথাৰ্ৎ প্ৰথমে অধ্যয়ণ, তাৰ পিছতে নাৰী, বাৰী আৰু গাড়ী লৈ এক ৰসুখী ভাবৰ জীৱন যাপন। পিছে চিন্নস্বামীয়েনো মোৰ মাজত কি বিচাৰি পালে যে নিজৰ প্ৰদেশৰ অতবোৰ বিজ্ঞানী, জ্ঞাতি কুটুম্বক একাষাৰ কৰি মোলৈ জৰুৰী তলব পঠালে। দিনটোৰ অপেক্ষাৰে লাহে লাহে ময়ো অধৈৰ্য হৈ পৰিছিলো। আজি দিনটো মানুহজন নিজৰ কামত ব্যস্ত। হয়তো মোৰ কথা তেওঁ পাহৰিলেই। দস্তৰমত মোৰ খং উঠিছিল। আৰু এয়া গধূলি কফিকাপ হাতত লোৱাৰ সময়তহে তেওঁৰ দৰ্শন লাভ কৰিলো।

"মোৰ হিচাপত আজি ৰাতিটোতে মই আপোনাক কিবা এটা দেখুৱাব পাৰিম। অৱশ্যে কেতিয়াবা আকৌ ই হিচাপ মতে কাম নকৰে।

আকৌ প্ৰহেলিকা, কোনে হিচাপমতে কাম নকৰিব পাৰে একোকে নুবুজিলো। তথাপি মনে মনে থাকিলো।

"- আজিৰ দিনটোতে মই মোৰ যাৱতীয় কাম কিছু কৰি ললো। এই উদ্যানখনৰ লগত যুক্ত কৰি মই এখন বৃদ্ধাশ্ৰম খোলাৰ সিদ্ধান্ত কৰিছো। ইতিমধ্যে এটা এন জি অৰ লগত এই সৰ্ম্পৰ্কে চুক্তি হৈ গৈছে। জীয়াই

থাকোতে মোৰ পত্নীক মই একো নিদিলো, আনকি প্ৰয়োজনীয় সান্নিধ্যও তেওঁ নাপালে। সেয়েহে পত্নীৰ নামতে 'আশ্ৰমখন' খোলাৰ সিদ্ধান্ত কৰিলো। অৱশ্যে তেওঁ এগৰাকী মহিয়সী মহিলা আছিল। কোনো বিষয়সম্পত্তি বিচাৰি কোনোদিন মোক ব্যতিব্যস্ত কৰা নাছিল। মোৰ দৰে তেঁৱো গছ-গছনি ভাল পাইছিল"।

নিশাৰ আহাৰৰ পিছতে পুনৰ লগ হোৱাৰ কথাৰে সেমেকা চকুহাল মচি তেখেত আঁতৰি গৈছিল।

নিশাৰ আহাৰৰ পিছতে তেখেতে মোক তেখেতৰ শোৱনি কোঠালৈ লৈ গ'ল। কোঠাটোত পত্নীৰ এখন বৃহৎ আকাৰৰ ফটো সজাই থোৱা দেখিলো। আপ্পাক দুকাপ কফি দিবলৈ কৈ তেখেতে পুনৰ আৰম্ভ কৰিলে।

"—আচলতে ড০ বেনাজীয়ে তেওঁৰ ছাত্ৰজনক একো নকলেও ছাত্ৰজনে তেওঁক সেই চৈতান গছজোপাৰ লগত লাগি থকা লক্ষ্য কৰিছিল। শেষৰ দিনা লগ পাওতে বেৰ্নাজীৰ গছজোপালৈ আঙুলিয়াই ইয়ে মোক শেষ কৰি দিলে বুলি এবাৰ উল্লেখ কৰিছিল। গুৰুৰ অজ্ঞাতে তেঁৱো দুটামান মূল সংগ্ৰহ কৰিছিল, কিন্তু কিবা কাৰণত তাক ৰোপন কৰিব খোজা নাছিল। নতুনকৈ সংসাৰ আৰম্ভ কৰিছে। গতিকে গুৰুৰ শেষ দশা দেখি হয়তো সাহস গোটাব পৰা নাছিল। ডায়েৰীখনৰ লগতে মূল কেইটা মোৰ হাতত গটাই দিছিল।

চিন্নস্বামীয়ে তেওঁৰ আলমাৰিৰ পৰা এটা বৰ দামী কেমেৰা উলিয়ালে। কেমেৰাটো অন কৰি মোৰ মনোযোগ আকৰ্ষণ কৰিলে।

-প্ৰথমতে কেইটামান মূল, এটা মাথো আঙ্কুৰিত পুলি, পুলিটোৱে জপতিয়াই ধৰি পোক পতংগ ধৰি খোৱাৰ দৃশ্য, ক্ৰমে ক্ৰমে এজোপা ডাঙৰ গছ, ঠিক গছ বুলি ক'বলৈ দিগদাৰ কিবা এটা যেন অদ্ভুত জন্তু ঠিয় হৈ আছে।

— এইজোপাই সেই মাংসহাৰী গছজোপা নেকি?

"—আহক, মোৰ লগত, বোধহয় আজিয়েই মই আপোনাক কিবা এটা দেখুৱাব পাৰিম।"

মোৰ কৌতূহলে ইতিমধ্যে চৰমসীমা অতিক্ৰম কৰিছিল। যাৰ বাবে ড০ বেনাজীৰ দৰে মানুহে জীৱন হেৰুৱাইছিল সেইজোপা গছ মই আজি স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ পাম। মানসিক চঞ্চলতাত মই অজানিতে ঘামিবলৈ আৰম্ভ কৰিছিলো।

উদ্যানলৈ খোজ লওঁতে এটা সুতীব্ৰ অথচ মিঠাঁচ ভৰা গোন্ধে মোৰ মগজু আচন্ন কৰি পেলালে।

· "-আপুনি বাৰু গোন্ধটো পাইছেনে? উৎসৰ সন্ধান কৰোতেই তেওঁ কৈ উঠিল। সেইটো সেই জোপাৰপৰা আহিছে।" জোনাকৰ পোহৰত আঁতৰৰ কাচৰ ঘৰটোলৈ আঙুলিয়াই তেওঁ ক'লে লাহে লাহে মোৰ মগজুৰ আঁৰ কাপোৰ আঁতৰিবলৈ ধৰিছিল। সেউজ ঘৰৰ ৰহস্য, মোক কৰা বাধা নিষেধ আদিৰ কাৰণবোৰ হঠাৎ বুজি পোৱা যেন লাগিল।

সেয়া চৈতানৰ ভোক লাগিছে। প্ৰায় এসপ্তাহমানৰ ব্যৱধানত এই গোন্ধটো ওলায়। মানে ই চিকাৰক আকাৰ্ষণ কৰে। আহক মোৰ পিছে পিছে।"

হাতত টৰ্চ লৈ আমি আগবাঢ়িলো উদ্যানৰ সেই অংশত লাইটৰ কোনো কানেকচ্‌ন নাই। এই অংশত জোনৰ পোহৰো ম্লান। তথাপিও বাগিচাৰ সৰু অথচ মসৃণ পথত খোজ কাঢ়িবলৈ অসুবিধা পোৱা নাছিলো। চিন্নস্বামীৰ অসুবিধাৰ প্ৰ্নই নাহে। দিনটোৰ কতবাৰ তেওঁ এই ৰাস্তাৰে খোজ কাঢ়ে তাৰ চাগৈ জোখ নাই।

গোল ঘৰৰ দৰ্জা খোল খালে কেমেৰাত দেখে। কেমেৰাত দেখা জন্তু সদৃশ গছডাল দেখি মই স্তব্ধ হৈ পৰিলো। এটা তীক্ষ্ণ চি-চিয়ঁনিৰ শব্দৰে জন্তুটো (নে গছজোপা?) যেন ফোঁপাইছে। কেমেৰাত নেদেখা হ'লে নিশ্চয় মোৰ মুখৰ পৰা চিৎকাৰ ওলালেহেঁতেন। তথাপিও গাৰ মাজেৰে সিৰসিৰণিৰ স্ৰোত এটা অনুভৱ কৰিলো।

পিছে পিছে আহি থকা আপ্পাই অব্যৰ্থ নিজানত বাহ্নি অনা কুকুৰাটো সেই অদ্ভুত জীৱনটোৰ চক্ৰটোলৈ দলি মাৰি দিলে। চক্ৰটো জাপ খাই গ'ল, কুকুৰাটোৰ তীব্ৰ আৰ্তনাদে পৰিৱেশটো আৰু জয়াল কৰি পেলালে।

কেতিয়া সেউজঘৰৰ দৰ্জা বন্ধ হ'ল, কেতিয়া আহি আমি নিজৰ কোঠা পালোহি মানসিক আছন্নতাত মই গমেই ধৰিব নোৱাৰিলো।

"- সেই জনজাতীয় লোক সকলৰ কথাই সঁচা। এনেই নিমাখিত হৈ থাকিও ভোক লাগিলে ই চৈতানৰ দৰে আচৰণ কৰে। মই নিজে নিৰামিষভোজী, প্ৰণীহত্যা বেয়া পাওঁ। এতিয়া এই চৈতানৰ বাবে মাংস যোগান ধৰি ধৰি মই বিবেকৰ দংশনত ভুগি আহিছো। তাৰোপৰি ডাঙৰ হৈ অহাৰ লগে লগে ইয়াৰ ভোকটোও বাঢ়ি আহিছে। ড০ বেনাজীৰ অৱস্থা মই মৰ্ম্মে উপলব্ধি কৰিব পাৰিছো।"

মই উচপ খাই উঠিলো। তাৰ মানে এইজন বিজ্ঞানীয়েও - মোৰ মনৰ ভাব উপলব্ধি কৰিয়েই যেন তেওঁ পুনৰ কৈ উঠিল ।

"- মই অৱশ্যে আত্মহত্যা নকৰো। কিন্তু ইয়াক মই শেষ কৰি দিম। ড০ বেনাজীৰ সেই ছাত্ৰজনৰ লগতো

কথা পাতিছো। তেঁৱো ইয়াক শেষ কৰি দিয়াৰ কথাকে কয়। এজন উদ্ভিদ বিজ্ঞানী হিচাপে আপোনাক সুধিছো ইয়াক লোকালয়ত বাচি থাকিবলৈ দিয়া উচিতনে ? আপোনাৰ লগত মই এক আত্মিক সম্পৰ্ক অনুভৱ কৰো। নে আপুনিও ইয়াৰ ওপৰত কিছু গৱেষণা কৰিব খোজে ?

"- নাই নাই, অটব্য অৰণ্যত হে ইয়াৰ বাসস্থান হোৱা উচিত। অ নহয় নহয় ই ক'তো জীয়াই থকা উচিত নহয়-" বিষয় সৰ্ব্বাছি মোৰ মাতটো প্ৰয়োজনতকৈ ডাঙৰ হৈ ওলাল।

"-আপুনি ঠিকেই কৈছে। কিন্তু ওপৰৱালাই সৃষ্টি কৰিছে যেতিয়া হয়তো গভীৰ অৰণ্যত ইয়াৰ বাবেও নিশ্চয় জেগা আছে। কিজানি প্ৰাকৃতিক ভাৰসাম্যতাৰ বাবেই হয়তো ইয়াৰ প্ৰয়োজন আছে। কিজানি প্ৰাকৃতিক ভাৰসাম্যতাৰ বাবেই হয়তো ইয়াৰ প্ৰয়োজন আছে। মই পুনৰবাৰ আপোনাক সুধিব বিচাৰিছো ইয়াৰ মূল সংগ্ৰহ কৰাৰ আঁপোনাৰ কিবা ইচ্ছা আছে নেকি ?

মই চিঞৰি উঠিলো। উদ্ভিদ বিজ্ঞানত ডক্তৰেট ডিগ্ৰীটো ললেই মই কোনো বিজ্ঞানী নহও। মই এটা নিচেই সাধাৰণ পৰিয়ালকেন্দ্ৰিক মানুহ। এটা চৈতানক প্ৰতিপাল কৰি মই মোৰ পৰিয়ালক ধ্বংস কৰিব নোৱাৰো। মনৰ ভাৱ গোপন কৰি তেওঁক ক'লো-" চাওক, আপুনি কৈছিল, এনেকুৱা উদ্ভিদৰ বাবে লোকালয়ত কোনো স্থান নাই। মানুহৰ মাজত ইয়াক ৰক্ষা কৰাটো কিমান কষ্টকৰ তাৰ প্ৰমাণ ড০ বেনাজী আৰু আপুনি নিজেই। গতিকে মোৰ মাত ইয়াক সমূলি ধ্বংস কৰি পেলাব লাগে।"

"- গুড়, আচলতে সিদ্ধান্ত মই ইতিমধ্যে লৈয়েই থৈছো। আপোনাৰ মতামতে মোক এটা মেন্টেল চাৰ্পট দিলে। বাই ডা ৱে, এই গোটেই গৱেষণাটোৰ বিষয়ে আপুনি, মই, আপ্পা আৰু সেই ছাত্ৰজনৰ বাহিৰে আন কোনোৱে নজনাই ভাল। মই মাত্ৰ মানৱ সমাজলৈ এটা বাৰ্তা এৰি থৈ যাম। এইবুলি তেওঁ সৰু ডায়েৰীখনৰ কেইটামান কথালৈ মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। তাত লিখা আছিল- " এই পৃথিৱীত ক'ৰবাত হয়তো বৃহৎ মাংসহাৰী উদ্ভিদ থাকিবও পাৰে। গৱেষণাত পোৱা তথ্য অনুসৰি এনে উদ্ভিদৰ কাণ্ড আৰু ডালৰ ৰং বেঙুণীয়া। অক্টোপাচৰ দৰে ওপাৰৰ চক্ৰটোত লুকাই থকা ডালসমূহে ডাঙৰ ডাঙৰ জন্তুৰ চিকাৰ কৰিব পাৰে। আফ্ৰিকাত লগ পোৱা জংঘলত বাস কৰা ছিু জনজাতিয়ে এনে উদ্ভিদ আগতে আছিল বুলি মত পোষণ কৰিছিল।"

এই ডায়েৰীখন মই মানৱ সমাজলৈ এৰি যাম। ভবিষ্যতৰ কোনো পৰ্টকে যাতে এনে উদ্ভিদৰ মুখামুখি হ'লে সৰ্তক হ' পাৰে। আচল সত্যটো আমাৰ চাৰিওজনৰ মাজত সীমাবদ্ধ থাকিব।"

সিদ্ধান্তটো লওঁতে মানুহজনৰ যে কষ্ট হৈছে। মই বুজিব পাৰিছো। এটা বৃহৎ গৱেষণাত মানুহজনে জীৱনৰ বহু সময় ব্যয় কৰি সাফল্য লাভ কৰিলে, অথচ নিজহাতে ইয়াক ধ্বংস কৰিব লাগিব। মানুহজনৰ কান্ধত আলফুলে স্পৰ্শ কৰিলো। কিছু সময়ৰ পিছত তেওঁ পুনৰ ক'লে- "চাওক, ৰাতিপুৱাই আহিছে। আপুনি কিছু বিশ্ৰাম লওঁক । মই পুৱাতে ফ্লাইটত আপোনাৰ ৰিটাৰ্ন যিকট কৰি থৈছো। আপুনি মোৰ কথামতে ইমান দূৰ দৌৰি আহিল মোক মানসিক সাহস যোগালে। আপোনাৰ মহানুভৱতাৰ মই জীয়াই থকা দিনকেইটাত মনত ৰাখিম। কেতিয়াবা সপৰিবাৰে আহি মোৰ পত্নীৰ নামৰ আশ্ৰমখন চাই যাবহি । পৰহিলৈ মই সেউজ গৃহটো জ্বলাই দিম, এমাহ পিছতে ইয়াত কনষ্ট্ৰাকচনৰ কাম আৰম্ভ হ'ব।"

মই আন্তৰিকতাৰে তেওঁ দুয়োখন হাতত ধৰিলো। "নিশ্চয় আহিম আৰু খুউব সোনকালে আহিম। মই মনতে ভাবিলো।

হৃদয়ৰো ভাষা থাকে। মোৰ আন্তৰিকতাই বোধকৰো তেওঁৰ হৃদয় চুলেগৈ এটা স্মিত হাঁহিৰে পুনৰ ক'লে - " চাওক, জীয়াই থাকোতে মই মোৰ পত্নীক বহুত কম সময় দিলো। কোনে জানে মনৰ একাকীত্বই তেওঁলৈ কিজানি দুৰাৰোগ্য ৰোগ কঢ়িয়াই আনিলে। সেয়েহে এতিয়াৰ পৰা জীৱনৰ বাকী সময়খিনি মই আমাৰ বয়সৰ বৃদ্ধ লোকসকলৰ লগতে কটাম, তেওঁলোকৰ সুখ দুখৰ সমভাগী হৈ । আপ্পাকো তাৰ গাঁৱৰ ঘৰৰ পৰা পৰিয়াললৈ আহিবৰ বাবে কৈছো।"

এটা সঁচা জীৱনৰ কৰুণ গাঁথাৰ অন্ত পৰিল। হাতৰ ঘড়ীটোলৈ চালো । পুৱা ৩ বাজি ৩০ মিনিট। দহ বজাত বিমান। হাতত থকা সময়খিনিত অলপ বিশ্ৰাম লোৱাৰ প্ৰয়োজন।

# ডং ভূপেন হাজৰিকা আৰু নদী

## প্ৰস্তাৱনা-

✍ কেশৱী ভুঞা
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয

কথাশিল্পী, কলাবিদ ভূপেন হাজৰিকা এজন মানৱপ্ৰেমী, সমাজ সচেতক, গায়ক সুৰকাৰ গীতিকাৰ আৰু সংগীত পৰিচালক আছিল। তদুপৰি তেখেত আছিল এগৰাকী চিত্ৰকৰ লেখক, বিশ্ববিদ্যালয়ৰ শিক্ষক চলচ্চিত্ৰ পৰিচালক আৰু আলোচনী সম্পাদক, সুধাকণ্ঠ নামেৰে পৰিচিত ভূপেন হাজৰিকাই অসম পশ্চিমবংগ তথা ভাৰতৰ অন্যান্য প্ৰদেশৰ বাহিৰেও চুবুৰীয়া দেশ বাংলাদেশটো এগৰাকী জনপ্ৰিয় শিল্পীৰূপে খ্যাতি লাভ কৰিছিল। অসমীয়া, বঙালী হিন্দী, ইংৰাজী আদি বিভিন্ন ভাষাত তেখেতে সংগীত ৰচনা কৰি কণ্ঠদান কৰিছিল। তেখেতে নিজে লিখা আৰু কণ্ঠদান কৰা গীতসমূহক ভূপেন্দ্ৰ সংগীত বোলে।

ওপজা মাটিৰ পৰা বিশ্বখনৰ যলৈকে ভূপেন হাজৰিকা গৈছিল তাৰেই আকাশ বতাহ, সমাজ সভ্যতা, সংস্কৃতি সকলোকে আকোৱালি লৈ গীত ৰচি মৃত্যুপৰ্যন্ত গাই গৈছিল। নদীৰ প্ৰতি থকা সহজাত আকৰ্ষণৰ কাৰণেই হয়তো পৃথিৱীৰ কেইবাখনো বৃহৎ নদীয়ে তেখেতৰ গীতৰ কথাত ঠাই পাইছে।

অধ্যয়নৰ পৰিসৰ

ড০ ভূপেন হাজৰিকা আৰু নদী - এই বিষয়টোৰে অধ্যয়নৰ পৰিসৰত এক বিশাল ক্ষেত্ৰক সামৰি লয় যদিও এক নিৰ্দিষ্ট পৰিসৰকহে অধ্যায়নত সামৰা হৈছে। অসমীয়া সংস্কৃতিৰ প্ৰাণ হৈছে নদী আৰু সেউজীয়া প্ৰকৃতি। বৰলুইত, লুইত বঢ়ালুইত অথবা ব্ৰহ্মপুত্ৰ অসমীয়া জাতিৰ প্ৰাণ ভূপেন হাজৰিকাই লুইতক সৃষ্টিৰ চেৰাশালি হিচাপে গণ্য কৰিছে। ভূপেন হাজৰিকা আৰু নদীৰ সম্পৰ্ক বিচাৰ কৰিবলৈ যাওঁতে পৰিসৰৰ বিস্তৃতিলৈ লক্ষ্য ৰাখি লুইতক পৰিসৰৰ মাজত সামৰা হৈছে।

বিষয়ৰ পৰিচয়

ভূপেন হাজৰিকাৰ গীতত বণাঢ্য ৰূপত আত্মপ্ৰকাশ কৰিছে। কেতিয়াবা নদীক বিষয়বস্তু হিচাপে লৈ তেখেতে গীত ৰচেদে - কেতিয়াবা পটভূমি হিচাপে কেতিয়াবা প্ৰতীক হিচাপে নদীক স্থান দিছে। নদী প্ৰধান দেশৰ নাগৰিক হিচাপে নদী প্ৰধান ৰাজ্য অসম তেওঁৰ মাতৃভূমি হোৱাৰ হেতু গীতত নদীয়ে প্ৰাধান্য পোৱাটো স্বভাৱিক, শদিয়া ধুবুৰী তেজপুৰ গুৱাহাটী সকলোতে ভূপেন হাজৰিকাই লুইতক অতি ওচৰৰ পৰা পাইছে লুইতৰ গহীন-গভীৰ ৰূপৰ পৰা সংহাৰী ৰূপলৈ সকলোতে ভূপেন হাজৰিকাৰ সম্বন্ধ আছিল নিবিড়।

২০০ মূল বিষয়ৰ আলোচনা

ভাৰতীয় প্ৰেক্ষাপটত আত্মাৰ বৰ অসমক ভাল পোৱা ভূপেন হাজৰিকাৰ গীতত নদীৰ ভূমিকা বিদ্যমান। অকল ভাৰতৰ নদীয়েই যে তেখেতৰ গীতত ঠাই পাইছে তেনে নহয়, পৃথিৱীত য'লৈকে গৈছে তাৰ নদীৰ লগত তেখেতৰ আত্মীয়তা গঢ় লৈ উঠিছে আৰু ব্ৰহ্মপুত্ৰ নতুবা লুইতক স্মৃতিৰে সিক্ত হৈ তেওঁৰ গীতৰ মাজেদি প্ৰকাশ কৰিছিল। লুইতক লৈ যিমান কল্পনা কৰিব লাগে তাতোকৈ অধিক নিকট সম্বন্ধ আছিল ভূপেন হাজৰিকাৰ।

ভূপেন হাজৰিকাই আকাশী যানেৰে বোলা গীতটোক তেজপুৰলৈ আহি থাকোতে ওপৰৰ পৰা লুইতৰ অবয়ব দেখি এনেদৰে কৈছিল-

'অকোৱা পকোৱা গামোচা এখন
যেন বালিত মেলি থোৱা আছে
সেইখন গামোচা বৰহমপুত্ৰ
শীততে ব'দহে পুৱাইছে....

নৈৰ সৈতে মানৱ প্ৰেমৰ সম্পৰ্ক প্ৰাচীন লুইত আৰু

অসমীয়া সমাজৰ প্ৰেম আন এক অন্য ৰূপ। বিহু, বনভোজ, বহুৱা বিৰিণা সকলোতে আছে প্ৰেমৰ মিঠা আমেজ ভূপেন হাজৰিকাই প্ৰেমিকাক মনত পেলাই দিছিল লুইতত সাঁতোৰাৰ কথা। লুইতক অনেক সৌন্দৰ্যৰ লগত বহাগৰ লুইতৰ সৌন্দৰ্যত অতি আবেগমনা সেইবাবে তেওঁ গাইছিল-

বহাগ মাহৰ লুইত খনিত
দুয়ো সাতোৰা মনত আছে

অসমৰ সকলো জনগোষ্ঠী মিলি বৰ অসম গঢ়ি উঠিছে। পাহাৰ, ভৈয়াম পৃথক পৃথক হৈ গলেও অসমীয়াৰ সংজ্ঞা সলনি হলেও আশাৰ শেষ ৰেঙনিকণ এতিয়াও লুইতৰ বুকুত দেখা যায়। সেই বাবে তেখেতে

'ময় অসমৰ মই ভাৰতৰ
ময়ে ডেকা ল'ৰা অগ্নিগড়....'

বুলি কৈ অসমৰ সকলো জাতি জনগোষ্ঠীক লুইতত একাকাৰ কৰি দিছে। সেই বাবেই তেওঁ কৈছিল-
—

'মই কত পৰ্বতৰ ক'ত ভৈয়ামৰ
কত শত নিজৰাৰ ধাৰ
হিল দল ভাঙি বৈ আহি আহি
বৰ লুইতত হৈ যাও একাকাৰ

জাতিৰ সংকটৰ সময়ত মহাবাহুৰ গাত ডেজা দি ভূপেন হাজৰিকাই অসমীয়া জাতিটোক সাহস দি সকলোৰে আগত দাঙি ধৰিছিল। তেতিয়া তেখেতে মহাবাহুক মিলনৰ তীৰ্থ বুলি আখ্যা দিছিল।

মহাবাহু ব্ৰহ্মপুত্ৰ
মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ।

লুইতৰ বিধ্বংসী ৰূপ অতি নিষ্ঠুৰ ভূপেন হাজৰিকাই বলিয়া লুইতক লুইতৰ পাৰতে প্ৰত্যাহবান জনাইছিল এনেদৰে-

# গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা

✍ ৰেখামণি গগৈ,
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

গ্ৰন্থ অধ্যয়ন সাম্প্ৰতিক কালত জ্ঞান লাভৰ অন্যতম উপায়। কিতাপতেই যুগ-যুগান্তৰৰ, দেশ-বিদেশৰ, নানা তৰহৰ জ্ঞান-অভিজ্ঞতা থুপ খাই আছে। আলবানিয়াত প্ৰচলিত যোজনা এটিয়ে কয়-যি পঢ়িব আৰু লিখিব পাৰে তাৰ চকু চাৰিটা। এইদৰে কিতাপ আৰু জ্ঞানৰ সমাদৰ পুৰণি কালৰ পৰা চলি আহিছে। কিতাপ লাগে জ্ঞানৰ কাৰণে, জ্ঞান দৈনন্দিন জীৱনত আৱশ্যকীয় যেন নালাগিলেও সংসাৰৰ জটিলতা বুজিবলৈ দৰকাৰ মনৰ শান্তিৰ কাৰণে লাগতিয়াল। জ্ঞান-বিদ্যাৰে চহকী, জীৱনৰ চেপাত পোৱা তিতা-কেঁহাৰে চহকী বহুতো লোকে তেওঁলোকৰ অভিজ্ঞতাবোৰ কিতাপৰ লগত সাঁচি থৈ গৈছে। এইবিলাক কিতাপ মানৱ জাতিৰ উমৈহতীয়া সম্পত্তি: এইবিলাকে যুগে যুগে ধৰি এচামৰ পিছত এচামকৈ পাঠকৰ মন আকৰ্ষণ কৰি আছে। পুৰণি ধৰ্মপুথি কিছুমান দৰ্শনৰ কিতাপ, আত্মজীৱনী আৰু কেতবোৰ উপন্যাস, এই ধৰণৰ ৰচনা। এইবিলাকে পাঠকৰ আন্তৰাত্মাত সঁহাৰি তোলে।

আজিৰ যুগত সৰহ কিতাপ আন ধৰণৰ। বৰ্তমান সভ্যতাৰ বিভিন্ন আভাস এইবিলাকে দিবলৈ চেষ্টা কৰে পাঠ্যপুথি, আৰু বোৱা-কটা, ৰন্ধা-বঢ়া আদি কেনেকৈ কৰিব লাগে তাৰ সংকেত দিয়া কিতাপৰপৰা সাধাৰণ উপন্যাস আৰু ভ্ৰমণ কাহিনীলৈ আজিৰ দিনত কিতাপৰ অলেখ পো-পোৱালি। এইবিলাকৰ সৰহভাগ সময়ৰ লগে লগে সাময়িক কাম সাধি লোপ পায়, তাৰে কিছুমান বাচে, পিছৰ যুগলৈ, মানৱ জাতিৰ সম্পত্তি হিচাপে।

কিতাপ ওলায়ে আছে, কিতিাপ আমি লিখিয়ে আছোঁ। ইয়াৰ আটাইবোৰ পঢ়া সম্ভৱ নহয়, পঢ়িবৰ দৰকাৰো নহয়। এই কাৰণেই ইংৰাজী দাৰ্শনিক বেকনে দিহা দিছিল এইদৰে - "কিছুমান কিতাপৰ সোৱাদ ল'ব লাগে, আন কিছুমান লাগে গিলিব, আৰু অলপ সংখ্যক লাগে চোবাব

আৰু হজম কৰিব।” চীনদেশীয় লোকে কিতাপ সম্পৰ্কে এসদৰে কয়— “কিতাপ মেলা মানেই লাভ। বিদ্বান লোকে চোৰাং কাম নকৰে। প্ৰথমবাৰ কিতাপ এখন হাতত লোৱা মানে নতুন বন্ধু এজনৰে চিনাকী হোৱা, দ্বিতীয়বাৰ সেইখন হাতত লোৱা মানে পুৰণি বন্ধুক লগ পোৱা। যদিহে কোনোবাই অতীত আৰু বৰ্তমান জানিব খোজে তেনেহলে তেও পাঁচগাড়ী কিতাপ পঢ়ি ল'ব লাগে।

হাডচনৰ মতে, “সেইবোৰ গ্ৰন্থ, কেৱল সেইবোৰ গ্ৰন্থই সাহিত্য যিবোৰৰ বিষয়বস্তু আৰু তাৰ প্ৰয়োগ সাধাৰণতে মানৱধৰ্মী হয় আৰু দ্বিতীয়তে যিবোৰৰ আকৃতিগত উপাদানে যোগোৱা আনন্দ বিশেষ প্ৰয়োজনীয় হৈ পৰে।” অৰ্থাৎ সাহিত্য অধ্যয়নৰ বস্তু, হৃদয়ঙ্গম কৰি নিজে নিজৰ জীৱনত প্ৰয়োগ কৰি নতুন চিন্তাৰ পথ প্ৰশস্ত কৰা। যি পুথিত শুদ্ধ আৰু সত্য জীৱনৰ অভিজ্ঞতা লিপিবদ্ধ হয় সেয়া সাহিত্য। সাহিত্যৰ পৰিসৰ অন্তহীন। হালামে সাহিত্যৰ গণ্ডীৰ ভিতৰত আইন, জ্যোতিষ আৰু চিকিৎসা শাস্ত্ৰকো অন্তৰ্ভুক্ত কৰি পেলাইছে। মুঠৰ ওপৰত মানুহৰ মনৰ সকলো ধৰণৰ ভাৱ শব্দৰ মাজেৰে প্ৰকাশিত হোৱা মাধ্যমেই হ'ল সাহিত্য।

মানুহ সৃষ্টিৰ সৰ্বশ্ৰেষ্ঠ প্ৰানী। অন্যান্য ইতৰ প্ৰানীতকৈ মানুহৰ পাৰ্থক্য এইখিনিতে যে মানুহৰ আশা আকাংক্ষা, বিচাৰ- বুদ্ধি আবেগ-অনুভূতি আছে। মানুহে যেনেকৈ আনক জানিব খোজে, তেনেকৈ নিজকো জনাব বিচাৰে। সি মানুহৰ সহজাত প্ৰবৃত্তি। এই নিজক জনাব বিচৰাতেই আত্মপ্ৰকাশৰ প্ৰয়াস আৰু তাতেই সাহিত্যৰ উৎপত্তি। মানুহ যদি প্ৰকৃতিৰ এক অঙ্গ হয়, সাহিত্য তেনে মানুহৰ মনৰ কৰ্ষিত শিল্প। মানুহৰ মনৰ অভিজ্ঞতাবোৰক কলাত্মকভাৱে ৰূপত প্ৰকাশিত হ'লেই সাহিত্যৰ সৌন্দৰ্য প্ৰতিভাত হয়। গতিকে মানুহে সততে গ্ৰন্থৰ লগত বন্ধুত্ব কৰিব লাগে। এখন ভাল কিতাপ এজন ভাল বন্ধুৰ নিচিনা। জীৱনৰ প্ৰতিটো খোজত গ্ৰন্থৰ ভূমিকা অতুলনীয়।

Roald Dahl এ কৈছিল if you are going to get any where in life, you have to read a lots of books “অথাৎ জীৱনৰ যিকোনো পৰিস্থিতিৰ সম্পকে বুজিবলৈ আৰু জানিবলৈ হ'লে গ্ৰন্থ অধ্যয়ন কৰা উচিত মুঠতে গ্ৰন্থ অধ্যয়নৰ যেনে মাদকতা তেনে মাদকতা অন্য কোনো মাধ্যমত পোৱা নাযায় গ্ৰন্থ অধ্যয়নৰ বহু উপযোগিতা আছে। সেয়া হ'ল-

১) গ্ৰন্থ অধ্যয়নে জ্ঞান বৰ্ধন কৰে।
২) মগজুৰ কৰ্ষণ হয়।
৩) লক্ষ্য স্থিৰ হোৱাৰ লগতে দৃষ্টি সুদৃঢ় হয়।
৪) স্মৃতি শক্তি বৃদ্ধি হয়।
৫) মনৰ আনন্দ বৰ্ধণ হয়।
৬) যোগাযোগৰ শৈলী উন্নত কৰিব পাৰি।
৭) শৰীৰৰ চিন্তা-ভাবনা তথা অৱশ মনোভাৱ হ্ৰাস হয়।
৮) মানসিক স্বাস্থ্য উন্নীতকৰণ কৰিব পাৰি।
৯) গ্ৰন্থ অধ্যয়নে মানুহক দীৰ্ঘজীৱী কৰি তোলে।

এনেধৰণৰ কাৰণৰ বাবেই গ্ৰন্থ অধ্যয়নৰ অভ্যাস কৰা উচিত। জীৱনত গঢ়ি উঠা ভাল অভ্যাসৰ ভিতৰত কিতাপ পঢ়া অভ্যাসটোৱেই অন্যতম। কিতাপ পঢ়িলে মানুহৰ চিন্তা- চৰ্চা উন্নত হয়। এই উন্নত চিন্তা-চৰ্চাইহে কাম কৰাৰ শৈলী উন্নত কৰে। শুদ্ধ কৰিবলৈ হ'লে শুদ্ধ চিন্তা কৰিব লাগিব। প্ৰতিটো দিন মানুহৰ বাবে মূল্যবান। এই বহুমূলীয়া সময়কণ গঠনমূলক অতিবাহিত কৰিবৰ বাবেই আমাক প্ৰয়োজন হয় কেইখনমান নিৰ্বাচিত যুগজয়ী গ্ৰন্থৰ। কাৰণ দৈনিক অসংখ্য গ্ৰন্থ ছপাশালাত ছপা হৈ উলাই আছে। তাৰ ভিতৰত সকলোবোৰ গ্ৰন্থই উপযোগী যদিও ছাত্ৰ-ছাত্ৰীৰ সহায় হোৱাকৈ কোনকেইখন গ্ৰন্থ বেছি উপযোগী আমি জানিব লাগিব। তাৰবাবে বিজ্ঞজনে লাভকৰা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি তলত কেইখনমান গ্ৰন্থৰ নাম থোৰতে দাঙি ধৰা হ'ল। যিকেইখন গ্ৰন্থই ছাত্ৰ-ছাত্ৰী তথা নৱপ্ৰজন্মক জ্ঞানৰ বাট দেখুৱাব।

কিতাপৰ নাম আৰু বিষয়ক্ষেত্ৰ-

**আধ্যত্মিক ঃ**

১) শ্ৰীমদ্ভাগৱতগীতা, এখন যুগজীয়া আৰু সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ। এই গ্ৰন্থখন ল'ৰা, দেকা, বুঢ়া তিনিও লোকৰ বাবে উপযোগী। ল'ৰাই কাহিনী তথা সাধুকথাৰ দৰে শুনি নৈতিকতাৰ জ্ঞান লাভ কৰিব পাৰে। ডেকাসকলে জীৱনৰ আদৰ্শ লাভ কৰিব পাৰে, ঠিকতেনেদৰে বুঢ়ালোকে জীৱনৰ মায়ামোহৰ পৰা পৰিত্ৰাণ বিচাৰি মুক্তিৰ পথ বিচাৰি পায়।
২) নামঘোষা, মাধৱদেৱৰ দ্বাৰা ৰচিত অসমীয়া সমাজ আৰু সাহিত্যৰ বাবে অদ্বিতীয় আধ্যত্মিক গ্ৰন্থ হ'ল নামঘোষা। এই গ্ৰন্থ অসমীয়া বৈষ্ণৱ সমাজত নামঘৰত থাপনাত স্থাপন কৰা চাৰিখন প্ৰধান ধৰ্মগ্ৰন্থৰ ভিতৰত অন্যতম। বাকী তিনিখন হ'ল- কীৰ্তন, দশম আৰু ভক্তি-ৰত্নাৱলী। নামঘোষাত ৰসময়ী ভক্তিৰ তিনিটি ভাবৰ গভীৰ আবেগৰ সমাৱেশ ঘটিছে। যেনে- পূন্যলোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণভক্তি মাহাত্ম্য।

ভক্তিধৰ্মৰ আধাৰ হোৱাৰ উপৰিও নামঘোষা অপূৰ্ব কাব্য সৌন্দৰ্যৰে মহিমামণ্ডিত গ্ৰন্থ।

৩) কীৰ্তন পুথি, নাম প্ৰসঙ্গৰ গ্ৰন্থ হিচাপে কীৰ্তনঘোষাৰ সাহিত্যিক মূল্যৰ লগতে সামাজিক প্ৰমূল্য অতি উচ্চ খাপৰ। কীৰ্তনঘোষা এখনি আখ্যানমূলক ভক্তিকাব্য। মুঠ ২৭ টা খণ্ডৰ এই গ্ৰন্থত প্ৰতিটো খণ্ডতে সমাজৰ সংকীৰ্ণতা, অনৈক্য, ব্ৰাক্ষণবাদ আদিক মষিমূৰ কৰি সমাজৰ সকলো শ্ৰেণীৰ মাজত সমতা সৃষ্টিৰ জৰিয়তে সংস্কাৰপূৰ্ন সমাজ এখনৰ প্ৰতিফলন কৰা দেখা যায়। জীৱন গঢ়াৰ ভাল কথাবোৰ এই কীৰ্তনতে পোৱা যায় বুলি ক'ব পাৰি।

৪) ভক্তি-ৰত্নাৱলী, বিষ্ণুপুৰী সন্ন্যাসীয়ে সংগ্ৰহ কৰা ভাগৱতৰ গ্ৰন্থৰাজিৰ অসমীয়া অনুবাদেই হৈছে ভক্তি ৰত্নাৱলীৰ মূল বিষয়। বৈষ্ণৱ ধৰ্মৰ ধৰ্মপুথি। যিয়ে সমগ্ৰ মানৱসমাজক উপকৃত কৰিছে।

৫) দশম, ভক্তিতত্ত্বৰ আন এখনি উল্লেখযোগ্য পুথি হ'ল দাম। পাঠ হিচাপে পঢ়িবপৰা এইখনো এখন অতি মূল্যবান গ্ৰন্থ।

এনেধৰণৰ গ্ৰন্থবোৰে পঢ়ুৱৈ সমাজক আধ্যত্মিক দিশত সমল যোগায়। মানুহ আধ্যত্মিক হ'লে কেতিয়াও সত্য আৰু শুদ্ধ পথৰ পৰা বিচলিত হ'ব নোৱাৰে। তেনেদৰে বেদ, উপনিষদ, পুৰাণ, অশোকৰ অনুশাসন আদিৰ বিষয়েও অলপ অচৰ পঢ়িব লাগে। কাৰণ এই ধৰ্মগ্ৰন্থবোৰৰ প্ৰাসংগিকতা কেতিয়াও কোনোকালে হ্ৰাস হ'ব নোৱাৰে।

**দৰ্শন/তত্ত্বমূলক**

৬) 'কথা-মহাভাৰত' চক্ৰৱতী ৰাজাগোপালাচাৰীৰ দ্বাৰা এই গ্ৰন্থৰ অনুবাদক হ'ল প্ৰদীপ শইকীয়া। মহাভাৰত হৈছে প্ৰাচীন ভাৰতৰ দুই প্ৰদান সংস্কৃত মহাকাব্যৰ ভিতৰত এখন (আনখন হৈছে ৰামায়ণ)। এই মহাকাব্য ভাৰতৰ ইতিহাসৰ এক অংশ। মহাভাৰতত হিন্দুদৰ্শনৰ বহুতো তত্ত্ব বিষয়ক আলোচনা সন্নিৱিষ্ট হৈছে। যেনে, জীৱনৰ চাৰিলক্ষ্য বা পুৰুষাৰ্থৰ বৰ্ননা, যেনে-ধৰ্ম (সঠিক কাৰ্য), পুৰুষাৰ্থ (উদ্দেশ্য), সুখ আৰু মোক্ষ বা মুক্তি। গতিকে ছাত্ৰ-ছাত্ৰীৰ বাবে এইখন গ্ৰন্থ উৎকৃষ্ট পাঠৰ অন্তৰ্ভুক্ত কৰিব পাৰি।

৭) 'কথা-ৰামায়ণ'। প্ৰদীপ শইকীয়াৰ অনুবাদ কৰা আন এখন অন্যতম গ্ৰন্থ হ'ল 'কথা-ৰামায়ণ', ভাৰত ইতিহাসৰ এক অন্যতম নিদৰ্শন।

৮) চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাভাৰত ঃ বিশ্বাস আৰু বিস্ময়' এখন অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ। মহাভাৰতৰ 'কাহিনীক যুক্তিৰে বিশ্লেষণ কৰি লেখকে পাঠকক এখনি সুখপাঠ্য গ্ৰন্থ উপহাৰ দিছে। বেদ, ব্ৰক্ষণ, উপনিষদ, ৰামায়ণ মহাভাৰত আদি ধৰ্মগ্ৰন্থবোৰত প্ৰকৃততে একোটা কাহিনী থাকে। যি কাহিনীৰ মাজেৰে সকলো শ্ৰেণীৰ বয়সৰ মানুহক নৈতিক মূল্যবোধৰ জ্ঞান দিয়ে। গতিকে চন্দ্ৰপ্ৰসাদ শইকীয়াই এই গ্ৰন্থত যুক্তিৰে বিশ্লেষণ কৰিবৰ যত্ন কৰিছে। গতিকে এইখন এখন অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ।

ভাৱগধুৰ চিন্তামূলক গ্ৰন্থ ঃ

৯) 'জীৱন কলা' ড০ প্ৰহ্লাদ কুমাৰ বৰুৱাৰ জীৱন সম্পকীয় এখনি সুন্দৰ গ্ৰন্থ। মানুহৰ অন্তৰজগতখন কিযে ভয়ানক অথচ কি যে সুন্দৰ, কি যে বিচিত্ৰ আৰু কি যে ৰহস্যময়, এনেধৰণৰ অনুভৱবোৰকে লেখকে গ্ৰন্থখনত উপস্থাপন কৰিছে। জীৱন যেনেকৈ বিচিত্ৰ তেনেকৈ সুন্দৰ। জীৱনত লাভ কৰা অভিজ্ঞতাবোৰক সাহিত্যত কলাত্মকভাৱে বৰ্ণনা কৰা হয়। 'জীৱনকলা' গ্ৰন্থখনো ঠিক তেনেধৰণৰেই এখনি গ্ৰন্থ।

জীৱন যিহেতু এটা বিমূৰ্ত ধাৰণা গতিকে এই বিমূৰ্ত ধাৰণাটোৰ সৌন্দৰ্য বিচৰা যথেষ্ট জটিল কাম। কাৰণ গুণৰ আধাৰত গঢ় লৈ উঠা মানুহৰ জীৱনৰ সৌন্দৰ্য অতি সূক্ষ্ম। কিন্তু সূক্ষ্ম সৌন্দৰ্য আনে অনুভৱ কৰিব পাৰে মানুহৰ চিন্তা- ভাৱনা, আচৰণ, কাৰ্য আৰু প্ৰাত্যহিক জীৱন পদ্ধতিৰ মাজেদি। অথাৎ একোজন ব্যক্তিৰ চিন্তা ভাবনাবোৰ কেনেকুৱা, আচৰণেইবা কেনেকুৱা তথা দৈনন্দিন জীৱনত মানুহজনে কেনেধৰণৰ জীৱন যাপন কৰে, এনেধৰণৰ কথাবোৰেই গ্ৰন্থখনত দেখিবলৈ পোৱা যায়।

১০) 'ভাৰতৰ আত্মা' এ.পি. জে আব্দুল কালামৰ এইখন গ্ৰন্থত যুৱ প্ৰজন্মৰ স্বপ্ন, উৎকণ্ঠা আৰু আশা-আকাঙ্খা প্ৰতিফলন ঘটিছে। গ্ৰন্থখনৰ অসমীয়া অনুবাদ কৰিছে সুৰেশ শৰ্মাই। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জনাই দেশৰ তৰুণ-তৰুনীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি চলিছিল। তেওঁ কোমলমতি শিশু ছাত্ৰছাত্ৰীৰ মনৰ কথা শুনিছিল। গ্ৰন্থখনত ড০ কালাম আৰু দেশৰ বিভিন্ন ঠাইৰ বিদ্যাথীসকলৰ মাজত হোৱা অন্তৰঙ্গ আলাপ বা কথোপকথন অথবা উভয় পক্ষৰ মাজত স্থাপিত হোৱা মন সংযোগ বুলিব পাৰি।

১১) সত্যনাথ বৰাৰ এখনি চিন্তামূলক গ্ৰন্থ। ছাত্ৰছাত্ৰীৰ জীৱনৰ সাৰথি স্বৰূপ গ্ৰন্থ এইখন। এই পুথিখনত জীৱন যুদ্ধৰ আও-ভাও, আঁত-ধৰি আৰু কৌশলবিলাক বুজাই দিবলৈ চেষ্টা কৰা হৈছে। উদ্‌গতি সাধন মনুষ্য জীৱনৰ মূল মন্ত্ৰ, আৰু

সংসাৰ কৰ্মক্ষেত্ৰ, এই ক্ষেত্ৰত যি নিজৰ আলম লৈ পুৰুষাৰ্থ কৰি সম্পদ লাভ কৰিব পাৰে। আৰু ডাঙৰ হয়, সি ধন্য, যি নোৱাৰে তাক কোনেও মানুহ বুলি লেখত নধৰে। এনেধৰণৰ কথাবোৰেই সাৰথিৰ মূল বিষয়বস্তু।

বুৰঞ্জীমূলক গ্ৰন্থ ঃ

১২) সূৰ্যকুমাৰ ভূএঞাৰ 'সাতসৰী অসম বুৰঞ্জী' এখন অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ। অতীতৰ ভেটিতহে বৰ্তমানক উপস্থাপন কৰি ভৱিষ্যতৰ সপোন ৰচিব পাৰি। অসমত বাস কৰি অসমৰ ইতিহাস জানিবলৈ তথা আমাৰ নিজৰ অস্তিত্ব ও পৰিচয় লাভ কৰিবলৈ 'অসম বুৰঞ্জী' পঢ়াটো নিতান্তই বাঞ্জনীয়। গতিকে ছাত্ৰ-ছাত্ৰীয়ে বুৰঞ্জী অধ্যয়ন কৰাটো খুবেই জৰুৰী। এইখন গ্ৰন্থ বুৰঞ্জীৰ অন্যতম প্ৰকাশ।

১৩) 'ইতিহাসে সোঁৱৰা ছশটা বছৰ' সৰ্বানন্দ ৰাজকুমাৰৰ এখনি উল্লেখযোগ্য গ্ৰন্থ। ইয়াত অসম বুৰঞ্জীৰ স্বৰ্নিল ইতিহাসৰ পৰিপূৰ্ণ প্ৰতিফলন দেখিবলৈ পোৱা গৈছে। চুকাফাৰ ছশ বছৰ শাসনকালৰ সূক্ষ্মাতিসূক্ষ্ম অৱলোকন এইখন গ্ৰন্থ। অসমৰ জনসাধাৰণে নিজৰ অতীত সৰ্ম্পৰ্কে জনাটো একমাত্ৰ কৰ্তব্যই নহয় জাতীয় দায়িত্বও। সেই দিশেৰে এইখিনি গ্ৰন্থ উত্তম বুলিব পাৰি।

ব্যাকৰণ ঃ

১৪) সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ" এখনি উল্লেখযোগ্য পুথি। কোনো এটা ভাষা শুদ্ধকৈ ক'বলৈ আৰু লিখিবলৈ হ'লে ব্যাকৰণ পঢ়াটো অতি জৰুৰী। তাৰবাবে এইখন কিতাপ অতি উপযোগী। সত্যনাথ বৰাই অতি সহজ-সৰলকৈ এই কিতাপখন ৰচনা কৰিছে।

সাহিত্য- সংস্কৃতিমূলক গ্ৰন্থ ঃ

১৫) 'উচ্চাকাংক্ষা' হোমেন বৰগোঞিৰ এখন অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ। ইয়াত পৃথিৱীৰ মহান ব্যক্তিৰ জীৱনৰ মূল্যবান কথাবোৰ বৰ্ণনা কৰিছে। উদাহৰণস্বৰূপে বিশ্ববিখ্যাত ইংৰাজ ঔপন্যাসিক ছাৰ ওৱাল্টাৰ স্কটে মৃত্যুৰ মাত্ৰ কেইমুহূৰ্তমানৰ আগতে পুতেকক তেওঁৰ বিছনাৰ কাষলৈ মাতি আনি কৈছিল - "সৎ মানুহ হ'বি বোপাই, সদাচাৰী হ'বি, ধৰ্মনিষ্ঠ হ'বি" চিৰকাললৈ চকু মুদাৰ আগতে এইকেইটাই আছিল তেওঁৰ মুখৰ পৰা ওলোৱা শেষ কথা। কিতাপখনত জীৱনত কৰিবলগীয়া আৰু জানিবলগীয়া বহু কথা সুন্দৰকৈ বৰ্ণনা কৰিছে।

১৬) 'জ্যোতি মনীষা' ড০ প্ৰহ্লাদ কুমাৰ বৰুৱাৰ এখনি অতি মূল্যবান গ্ৰন্থ। জ্যোতি প্ৰসাদ আগৰৱালা এটি মাত্ৰ নাম নহয়, ই এক স্বতন্ত্ৰ দৰ্শন। যি দৰ্শনত ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, সংস্কৃতি, নৃত্য, গীত, বাদ্য স্থাপত্য এই সকলোবোৰ সন্নিৱিষ্ট হৈ আছে। ৰূপান্তৰে জগত ধুনীয়া কৰিব খোজা শিল্পীগৰাকী যে কিমান প্ৰতিভাধৰ আৰু বিপুল গুনধৰ ব্যক্তি আছিল সেইকথা এই গ্ৰন্থখনত স্পষ্টকৈ দেখিবলৈ পোৱা গৈছে।

১৭) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত সত্যেন্দ্ৰনাথ শৰ্মাৰ এখনি অতি ধুনীয়া গ্ৰন্থ। অসমীয়া সাহিত্যৰ ইতিহাস সম্পৰ্কীয় এই গ্ৰন্থখনত লোকসাহিত্যৰ স্তৰৰ পৰা আধুনিক স্তৰলৈকে সাহিত্যৰ গতি-বৈচিত্ৰ্য সুন্দৰকৈ উপস্থাপন কৰা হৈছে।

১৮) স্বামী বিবেকানন্দৰ এখনি অতি উল্লেখযোগ্য পুথি। ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশত সহায় কৰা এখনি গ্ৰন্থ।

১৯) 'চৰিত্ৰবোধ' ছেমুৱেল স্মাইলচনৰ এই গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰে ড০ প্ৰফুল্ল কটকীয়ে। এইখন গ্ৰন্থত মহামূল্যবান জ্ঞানৰ সম্ভেদ পাব পাৰি। এনেধৰণৰ আৰু তিনিখন যুগান্তকাৰী গ্ৰন্থ হ'ল - কৰ্তব্যবোধ, দায়িত্ববোধ আৰু স্বাৱলম্বন। এনেধৰণৰ কিতাপে ছাত্ৰ-ছাত্ৰীৰ লগতে সমগ্ৰ মানৱসমাজকে উপকৃত কৰিব বুলি ভাবিব পাৰি। চৰিত্ৰবোধ কিতাপখন এটুকুৰা হীৰাতকৈ মূল্যবান। যিখন সমগ্ৰ পৃথিৱীত প্ৰবলভাৱে মানুহৰ চিন্তা-ধাৰণাত আলোড়িত কৰি তুলিছে।

২০) 'আত্মোৎকৰ্ষ, বৌদ্ধিক, শাৰীৰিক আৰু নৈতিক' জন ষ্টুৱাৰ্ট ব্লেকিৰ এখন অতি বহুমূলীয়া গ্ৰন্থ। গ্ৰন্থখনৰ অসমীয়া অনুবাদ কৰে ড০ প্ৰফুল্ল কটকীয়ে। পুথিখনক সৰ্বকালৰ সাংসাৰিক জ্ঞানৰ মেটমৰা ভঁৰাল বুলি ক'ব পাৰি।

২১) 'জীৱনৰ ভাস্কৰ্য .........'মানুহ'গঢ়াৰ কমাৰশাল, অৰুন্ধতী দত্তই লিখা এখনি বৰ মৰমলগা গ্ৰন্থ।

২২) 'জীৱনৰ উপহাৰ' সংকলন কৰিছে হোমেন বৰগোহাঞি আৰু গীতিমালিকা নেওগ এ। জীৱনৰ বিষয়ে অতি সুন্দৰ উপস্থাপন কৰিছে এইখন গ্ৰন্থত।

২৩) উইল ডুৰান্টৰ 'জীৱনৰ অৰ্থ সম্পৰ্কত' । অসমীয়া অনুবাদক ড০ প্ৰফুল্ল কটকী। এইখনো এখন ভাল কিতাপ।

২৪) 'জীৱনৰ পৰা আমি কি বিচাৰোঁ' লেখক হোমেন বৰগোহাঞি। বৰ উপযোগী কিতাপ।

২৫) 'জীৱনৰ পৰা আমি কি বিচাৰোঁ, আব্ৰহাম মাছলোৰ মনোবৈজ্ঞানিক তত্ব' সম্পৰ্কীয় গ্ৰন্থ।

২৬) 'জীৱনৰ পৰা মই কি শিকিলোঁ, গ্ৰন্থখনৰ সংকলন আৰু সম্পাদনা কৰিছে হোমেন বৰগোহাঞি আৰু জিনামণি ফুকনে।

**আত্মজীৱনী**

আত্মজীৱনী বুলি ক'লেই মনলৈ আহে নৱপ্ৰজন্মৰ বাবে উপযোগী কেইবাখনো জীৱনী গ্ৰন্থৰ। তাৰভিতৰত পৃথিৱীৰ সকলো দেশৰ শ্ৰেষ্ঠ লেখকসকলৰ মাজত এজন টলষ্টয়ৰ কথা। মানুহে জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ উচ্চাকাংক্ষা থকাটো বাঞ্ছনীয়। এই উচ্চাকাংক্ষাক বাস্তৱত পৰিণত কৰিবলৈ তেওঁ বহুতো গুন আয়ত্ত কৰিব লাগিব। ধৈৰ্য, অধ্যৱসায় একাগ্ৰতা, মনোবল আদি। কিন্তু সেইবোৰ গুনতকৈ পৰিপাটিতি, পৰিস্কাৰ পৰিচ্ছন্নতা, চিন্তাৰ স্পষ্টতা, নিজৰ বক্তব্য সাৱলীলভাৱে প্ৰকাশ কৰাৰ ক্ষমতা আৰু শিষ্টাচাৰৰ গুৰুত্ব কোনো গুনেই কম নহয় গতিকে মহান পণ্ডিতৰ আত্মজীৱনীৰ পৰা মানুহৰ স্বভাৱত যে বহুতো গুনৰ সমাৱেশ ঘটোৱাৰ প্ৰয়োজন এই কথা টলষ্টয়ৰ জীৱনী পঢ়িলেই গম পোৱা যায়। ইয়াৰোপৰি আন কেইবাখনো আত্মজীৱনীৰ নাম তলত উল্লেখ কৰা হৈছে।

২৭) 'মোৰ দেশ আৰু মোৰ মানুহ' পুন্যাত্মা দালাই লাম্আৰ আত্মজীৱনী।

২৮) 'মোৰ সত্য অন্বেষণৰ কাহিনী' অসমীয়া অনুবাদক ৰূপা বৰা।

২৯) 'জীৱন-জীৱন বৰ অনুপম - ড০ নিৰ্মলপ্ৰভা বৰদলৈ।

৩০) 'মোৰ শৈশৱ মোৰ কৈশোৰ' - ভৱেন্দ্ৰনাথ শইকীয়া।

৩১) 'Wing of Fire - ড০ এ.পি.জে.আব্দুল কালামৰ আত্মজীৱনী । ইয়াত ড০ কালামে জীৱনত সফলতা লাভ কৰাৰ আগলৈকে জীৱনত ঘটা নানা উথান-পতন, বিভিন্ন অভিজ্ঞতা এই গ্ৰন্থত দাঙি ধৰিছে। গতিকে তেওঁৰ জীৱনৰ আদৰ্শ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী সকলে কেনেদৰে ভৱিষ্যত জীৱনৰ বাবে নিজক সাজু কৰি তুলিব পাৰে। তাৰ উৎকৃষ্ট উদাহৰণ এই গ্ৰন্থখন।

**উপন্যাস ঃ**

৩২) 'নৈ বৈ যায়' লীলা গগৈৰ এখনি উৎকৃষ্ট উপন্যাস। উপন্যাস যদি মানৱ জীৱনৰ পৰিপূৰ্ণ প্ৰতিফলন হয় তেনেহলে নৈ বৈ যায় ' উপন্যাসখনো তেনেখৰণৰে এখনি উপন্যাস। ইয়াত লীলা গগৈয়ে অসমীয়া সংস্কৃতিৰ পূৰ্ণ প্ৰতিচ্ছবিখন প্ৰতিফলন কৰিছে। উপন্যাসখন অসমীয়া সংস্কৃতিৰ ক্ষুদ্ৰ সংস্কৰণ বুলিব পাৰি।

৩৩) 'মৌন ওঁঠ মুখৰ হৃদয়' য়েচেদৰজে ঠংচিৰ উপন্যাস। অৰুণাচলৰ মানুহৰ তথা নগা জীৱনৰ কাহিনী ৰূপায়ণ কৰা হৈছে।

৩৪) 'বৰদোৱানী' মণিকুন্তলা ভট্টাচাৰ্যৰ উপন্যাস। ইয়াত কুৰি শতিকাৰ নাৰীৰ চিন্তন মনন আৰু জীৱন ধাৰণাৰ উৎকৃষ্ট প্ৰতিফলন দেখিবলৈ পোৱা যায়। এখনি ভাল সামাজিক উপন্যাস।

৩৫) 'ইয়াৰোইঙ্গম' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাস। কিতাপখনৰ ভাষা, কাহিনী তথা সামগ্ৰিক অবয়বৰ এখনি সুন্দৰ গ্ৰন্থ।

৩৬) 'দেওলাংখুই' ৰীতা চৌধুৰীৰ উপন্যাস। তিৱা জনগোষ্ঠীৰ সম্পৰ্কে জানিবলৈ এইখন গ্ৰন্থ সৰ্বোত্তম।

৩৭) 'সোণ হৰিণৰ চেঁকুৰ' অনুৰাধা শৰ্মা পূজাৰীৰ এখনি ধুনীয়া উপন্যাস। নৱপ্ৰজন্মৰ বাবে বিশেষভাৱে উপযোগী এইখন কিতাপত স্বাধীনভাৱে মুক্তমনে আকাশত বিচৰণ কৰাৰ উদাহৰণ আছে।

৩৮) 'অন্তৰীপ' ভবেন্দ্ৰনাথ শইকীয়াৰ এগৰাকী নাৰীৰ কাহিনীৰে শ্ৰেষ্ঠ উপন্যাস হ'ল অন্তৰীপ।

৩৯) 'নীল প্ৰজাপতী' অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস। ইয়াত মানুহে কৰা জীৱনৰ সংগ্ৰাম, সময়ৰ ওপৰত দিয়া যুঁজ আদিৰ সম্পৰ্কে সুন্দৰকৈ উপস্থাপন কৰিছে।

৪০) 'অঘৰী আত্মাৰ কাহিনী' চৈয়দ আব্দুল মালিকৰ এখনি সুন্দৰ উপন্যাস।

৪১) 'ছাংলট ফেংলা' উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্যৰ বিভিন্ন কথা, সমাজৰ প্ৰতি দায়িত্ব কৰ্তব্যৰ উপস্থাপন কৰা পৰাগ কুমাৰ চলিহাৰ অন্যতম এখনি সুন্দৰ উপন্যাস।

৪২) 'অনুৰাধাৰ দেশ' ফনীন্দ্ৰকুমাৰ দেৱচৌধুৰীৰ এখনি ৰোমান্টিক কাহিনীৰ দেশ, উৰিষ্যাৰ অনুৰাধাৰ দেশত গৈ ৰচনা কৰা এখন অনন্য সুন্দৰ উপন্যাস।

৪৩) 'অসীমত যাৰ হেৰাল সীমা' কাঞ্চন বৰুৱাৰ এখনি অতি মৰমৰ গ্ৰন্থ তথা জনপ্ৰিয় উপন্যাস য'ত পাঠকৰ মনৰ কল্পনাৰ সীমাৰ পৰিধি ভাঙি লাভ কৰা কাহিনীৰে সুন্দৰ উপন্যাস।

**কবিতা পুথি ঃ**

৪৪) 'সুগন্ধি পখিলা' হীৰেণ ভট্টাচাৰ্যৰ কবিতাপুথি। সুন্দৰ সুন্দৰ কবিতা কবিতা লগা বাছকবনীয়া শব্দ তথা কবিতাৰ সমাবেশ এইখিনি কবিতা পুথি। য'ত উন্মুক্ত চিন্তা-চেতনাৰ প্ৰয়োভৱে ৰোমান্টিচিজমৰ প্ৰকাশ ঘটিছে গ্ৰন্থখনে ইতিমধ্যে বহুতো বঁটা পাবলৈও সক্ষম হৈছে।

৪৫) 'সঞ্চয়ন' অসমীয়া কবিৰ নিৰ্বাচিত সংকলন। পুথিখনৰ সম্পাদক মহেশ্বৰ নেওগ।

৪৬) ড০ কৰবী ডেকা হাজৰিকাৰ কেইখনমান কবিতা ছাত্ৰ-ছাত্ৰীৰ বাবে অতি উপযোগী। সেয়া হ'ল - 'সুবাসিত

এই যন্ত্রণা' 'মাটিৰ পৰা মেঘলৈ, এমুঠি সোনালী তৰা' গানৰ পাখী, চুলি নাবান্ধিবা যাজ্ঞসেনী' ইত্যাদি

**শিশু সাহিত্য ঃ**

৪৭) ৰ'দালি ৰ'দ একন দে'। লেখক হ'ল ভবেন্দ্ৰনাথ শইকীয়া।

৪৮) 'উমলা ঘৰৰ পুথি' নৱকান্ত বৰুৱাৰ এখনি বৰ ভাল শিশু পুথি।

৪৯) 'উমলা গীত' নিৰ্মলপ্ৰভা বৰদলৈৰ এখনি উল্লেখযোগ্য শিশুপুথি।

৫০) 'আখৰৰ বাখৰ' ধীৰেন্দ্ৰনাথ বৰুৱাৰ শিশু পুথি।

৫১) দেশ বিদেশৰ সাধু' কাশীনাথ বৰ্মনৰ শিশু পুথি।

৫২) 'সোণ তৰা' লীলা গগৈৰ শিশু পুথি।

৫৩) 'ৰংমনৰ কথা আৰু মাখনৰ কুকুৰাপোৱালি' এইকেইখন শিশু পুথিৰ লেখক হ'ল নৱকান্ত বৰুৱা।

**গল্পপুথি ঃ**

৫৪) ভৱেন্দ্ৰনাথ শইকীয়াৰ গল্প সংকলন ঃ বৃন্দাবন, গ্ৰহুৰ, সেন্দুৰ, শৃংখল।

৫৫) লক্ষ্মীনন্দন বৰাৰ গল্প সংকলন ঃ দৃষ্টিৰূপা, সেই সুৰে উতলা, গোপন গধূলি, অচিন কইনা।

৫৬) অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সংকলন ঃ মিলেনিয়াৰ সপোন, মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা

**অভিধান ঃ**

৫৭) 'হেমকোষ' হেমচন্দ্ৰ বৰুৱাৰ অভিধান।

৫৮) চন্দ্ৰকান্ত অভিধান অসম সাহিত্য সভাই সংকলন আৰু প্ৰকাশ কৰিছে এই অভিধান খন।

৫৯) আধুনিক অসমীয়া শব্দকোষ সুমন্ত চলিহাৰ দ্বাৰা সংকলিত অসমীয়া ভাষাৰ অভিধান।

৬০) অসমীয়া জাতীয় অভিধান ' অসম জাতীয় প্ৰকাশ এ প্ৰকাশ কৰা এইখন এখন সামুদায়িক অভিধান। ইয়াত গোৱালপৰীয়া, কামৰূপী, দৰঙী আদি অসমীয়া ভাষাৰ সকলোবোৰ উপভাষা আৰু সিবোৰৰ ঠাল ঠেঙুলিবোৰ শব্দবোৰে সংকলিত হৈছে।

৬১) বেজবৰুৱা অভিধান - ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড০ কৰবী ডেকা হাজৰিকাৰ দ্বাৰা সংকলিত আৰু সম্পাদিত এই বেজবৰুৱাৰ অভিধানখনত মুঠ ৪৯৪০ টা বেজবৰুৱাই প্ৰয়োগ কৰা শব্দ সন্নিৱিষ্ট হৈছে।

**সাধুকথাৰ পুথি ঃ**

সাধুকথা ই মানুহৰ কল্পনাৰ পৃথিৱীখন অতি বেছি গভীৰ কৰি তোলে। কল্পনাৰ আশ্ৰয়তে মানুহে নতুন সৃষ্টিৰ পথ উদ্ভাৱন কৰে। মানুহ জীৱশ্ৰেষ্ঠ হোৱাৰ মূলতে মানুহৰ চিন্তা কৰিব পৰা ক্ষমতা। মগজুৰ কৰ্ষিত আচৰণে মানুহক শ্ৰেষ্ঠতম কৰি তোলে। গতিকে সাধুকথা বা সাধুকথাৰ পুথি সকলো সময়ৰ বাবেই প্ৰাসংগিক হৈ থাকিব। শিশু অৱস্থাত ল'ৰা-ছোৱালীক সাধুকথাৰ মাজেদি নীতি-নৈতিকতাৰ জ্ঞান দিয়াৰ লগতে শিশুটিক কল্পনাৰ এনে এখন জগতৰ লগত পৰিচয় কৰি দিয়া হয়। যিয়ে ভৱিষ্যত জীৱনত মানসিক উৎকৰ্ষ সাধন কৰিব পাৰে। তেনেধৰণৰ কেইখনমান সাধুকথাৰ পুথি তলত উল্লেখ কৰা হ'ল-

৬২) বুঢ়ী আইৰ সাধু - ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অনন্য সুন্দৰ এখনি সাধুকথাৰ পুথি। চিৰদিনৰ বাবে প্ৰাসংগিকতা অৰ্জন কৰা এই পুথিখন কেৱল শিশুৰ বাবেই নহয় সকলো লোকৰ বাবেই উপযোগী বুলি ক'ব পাৰি।

৬৩) লিও টলষ্টয়ৰ সাধু টলষ্টয়ৰ এখনি সুখপাঠ্য সাধুকথাৰ পুথি।

৬৪) সাধুৰ সাতসৰী - জ্যোৎস্না দেৱীৰ এখনি শিশু উপযোগী সাধুকথাৰ পুথি।

৬৫) হিতোপদেশ - মৃত্যুঞ্জয় বিদ্যালঙ্কাৰৰ সাধুক পুথি।

৬৬) পঞ্চতন্ত্ৰ

৬৭) বীৰবলৰ সাধু

৬৮) 'জাতকৰ সাধু'

ওপৰত উল্লেখ কৰা গ্ৰন্থবোৰ কেৱল মাত্ৰ সততে পাব পৰা গ্ৰন্থৰ এক নমুনাহে। এনেধৰণৰ বিভিন্ন বিষয়ৰ জ্ঞান ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক স্তৰত লাভ কৰিলে ভৱিষ্যত জীৱনত গ্ৰন্থ অধ্যয়ন অভ্যাসত পৰিণত হ'ব বুলি ক'ব পাৰি। শেষত ইয়াকে ক'ব পাৰি আধুনিক যুগত কৃতকাৰ্যতা অৰ্জন কৰা এটা প্ৰধান সঁজুলি হ'ল কিতাপ। এই কিতাপে উন্নতিৰ প্ৰধান আহিলা জ্ঞান আহৰণ কৰাত সহায় কৰে। বৰ্তমান যান্ত্ৰিক যুগত মানুহৰ আজৰি সময় অনেক গুনে বৃদ্ধি পাইছে। গতিকে আজৰি সময় কেনেকৈ কটোৱা যায় সেই প্ৰশ্নও আগতকৈ বেছি জটিল হৈ আহিছে। ধনী-দৰিদ্ৰ নিৰ্বিশেষে সকলো মানুহেই লাভদায়ক ভাবে আজৰি সময়খিনি ব্যৱহাৰ কৰিব পৰাৰ এটা সহজ উপায় হ'ল ভাল কিতাপ পঢ়া। কিতাপে মানুহক কু-সঙ্গ আৰু কু-কৰ্মৰ পৰা ৰক্ষা কৰাৰ উপৰি ই মানুহক মানসিক অৱসাদৰ পৰা ৰক্ষা কৰে। ই মানুহক সঙ্গ দিয়ে, শিক্ষা দিয়ে, আনন্দ দিয়ে। যি মানুহক এবাৰ কিতাপৰ নিচাই পাইছে তেওঁক আন একো নিচাই টলাব নোৱাৰে।

# নাৰীত্ব আৰু নাৰীবাদ

হোমেন গগৈ

*দৰাচলতে পৃথিৱীৰ মুদ্ৰাবোৰত দুই পিঠিৰে জুখি চোৱাৰ প্ৰৱণতা মানৱ সভ্যতাৰ ইতিহাসত দেখি অহা হয়, আৰু নাৰীয়ে চিৎকাৰ কৰি ফুৰা হৃদয়ৰ আগণন ফুলিবোৰ জোৰা টাপলি মাৰি পৃথিৱী গঢ়া এজাক মালাললৈ সুঁৱাৰৰ আৰ্তনাদে পৃথিৱীত এক পৰম্পৰা গঢ়ি তুলিলে।*

*নাৰী মানে শাৰী-শাৰীকৈ কাটি শণিত কোনো অভিসন্ধিত যুগৰ উত্থান-পতনৰ ইউৰেকা।*

*আমি কিদৰে ভাবো*
*ৰ'দ মানে নিৰপেক্ষতাৰ ৰং নহয়*
*সাগৰ মানে গভীৰতাৰ নীলা কিম্বা ড'লফিনৰ ফিচা*
*উৰণ আকাশ নহয়।*

*আমি এনেকৈয়ো ভাবো নি যে নাৰী মানে সমাধিৰ নিষিদ্ধ কোনো অস্পৃশ্য আঙঠা পখিলা ভিজা যোড়শোপচাৰৰ অবাচ্য বশ্যতাৰ সহজ বাক্য।*

*যদি এয়াও নাৰী নহয় বুলি আপুনি ভাবে, তেন্ত নাৰী মানে কিঙ্ক*

*অভিশপ্ত সমাজৰ সপ্তঋাত্বিক বিয়পি সৰি অহা ফাগুনৰ অৱহেলিত মাত্ৰ একো একোজনী নাৰীৰ শৱ?*

*প্ৰকৃততে নাৰীৰ ইয়াৰ কোনো এটা ধাৰণাৰ সৈতে মিতিৰালি নাই।*
*আমি পেশীবহুল অভিলিপ্সাৰ তৰংগত তুংগত ইচ্ছাৰ বেদখল পাহাৰৰ চূড়া নতুবা স্খালনৰ ঢৌ চাই হতবাক হওঁ, মূকাবধিৰ তৃষা।*
*সেয়ে নাৰীত্বৰ ক্লিষ্ট দেহত সংগ্ৰামৰ সতেজ পতাকাখন চিত্ৰহৰিৎ ৰঙেৰে অংকিত কৰি দিবলৈ আৰম্ভ কৰিছে।*

*পৃথিৱীত বিয়পি পৰা এক মুদ্ৰাৰ দুইপিঠি তত্ত্বই ইতিমধ্যে মানুহে সততে আঁতৰি থাকি ভাল পোৱা ভাৰসাম্যতাৰ সংশয়ে নাৰীবাদ বনাম ডাৰউইনৰ 'Survival of the fittcst' প্ৰকৃতিত কিশলয় এজনী দিপলিপ নাৰীৰ জন্ম হৈছে আৰু ৰূপান্তৰৰ সাধিনী হৈ আহিছে।*

*প্ৰতিনিধিৰ দ্বাৰা কম্পিত পৰিপক্ক কণ্ঠ বাগৰি আহে*
*"নাৰী নাৰীত্ব*
*সংগ্ৰাম অবিৰত..."*

(মালালা ইউসুফজাই শান্তিৰ নোবেল বঁটা বিজয়ী মহীয়সী নাৰী)

# উজ্জ্বল যৌৱন আৰু জীৱনৰ

✍ হেম্পী গগৈ,
ষষ্ঠ ষান্মাসিক

(১)
তাৰ ধাৱিত সময়বোৰ
আৰু জীৱনৰ এখিলা নতুন পৃষ্ঠা
লিখি অহা পৃষ্ঠাটোত ছাগে বহু যুগ ৰৈ গ'ল
বহু লিখিব লগা কথা ৰৈ গ'ল
ভাষাৰ দৈন্য সেতু ?
হয়তো নহয়
এজাক উচ্ছল যৌৱনৰ মাজত
হেৰাই যোৱাৰ মাদকতা।
(২)
ভাবি থোৱাৰ দৰে হয়তো
ভৰি মণীৰল পৃষ্ঠাটো
এয়া আক্ষেপ বা হুমুনিয়াহ নহয়।
মই আপোনাক আগেয়ে কৈছো
এজাক উচ্ছল যৌৱন
আৰু
তাৰ মাজত হেৰাই যোৱাৰ মাদকতা।।
(৩)
অহ মই পাইছো এখিলা নতুন পৃষ্ঠাৰ আৰম্ভণি এয়া
স্মৃতিবোৰ টোপোলা বান্ধিছো
কালিলৈ আমি প্ৰত্যেকে যাত্ৰা কৰিম
ষ্টেচনৰ পৰাই ভিন্ন ৰেলগাড়ীত
চিনাকী মুখবোৰ লাহে লাহে অচিনাকী যেন হৈ পৰিব
স্বাৰ্থপৰ যেন লাগিব।
আচলতে সময় স্বাৰ্থপৰ
(৪)
পৰিয়ালৰ দায়িত্ব আৰু সাংসাৰিক জীৱনৰ দৈনন্দিনতা
তাপলিমৰা জীৱনটোত আকৌ সোমায় পৰিলো
২০ বছৰৰ পাছত পুনৰ পৃষ্ঠা ৰোমন্থন আৰম্ভ হৈছে
বাৰে বাৰে মনত পেলাই অতীতবোৰলৈ বজাৰলৈ আহোতে
যাওতে চকুত পৰা সেই কলেজীয়া ল'ৰাৰ জাকটোৱে
এজাক উচ্ছল যৌৱন আৰু আমিবোৰ
তাৰ জীৱনৰ এখিলা নতুন পৃষ্ঠা
লিখি অহা পৃষ্ঠাটোত চাগে বহু খুদ ৰৈ গ'ল
বহু লিখিব লগা কথা ৰৈ গ'ল
ভাষাৰে দৈন্য সেনু?
হয়টো নহয়
এজাক উচ্ছল যৌৱনৰ মাজত
হেৰাই যোৱাৰ মাদকতা
ভাবি থোৱাৰ দৰে হয়তো
ভৰি নপৰিল পৃষ্ঠাটো
এয়া আক্ষেপ বা হুমুনিয়াহ নহয়।
মই আপোনাক আগেয়ে কৈছো
এজাক উচ্ছল যৌৱন
আৰু আমিবোৰ
(৫)
চল্লিছ বছৰৰ মাজটো
এইজাক যৌৱনেই মুখ্য চৰিত
মোৰ জীৱনৰ কিতাপখনৰ ৰোমাঞ্চকৰ পৃষ্ঠাবোৰৰ
আপুনি যদি ইচ্ছা কৰে
চকু ফুৰাই চাব পাৰে
যদি এতিয়াও আপুনি ভাবিছে
মোৰ জীৱন ব্যৰ্থ নি
হয়তো এতিয়া আপোনাক মই ক'ব পাৰিম
"এয়া ভাষাৰে দৈন্য সেতু
মই আপোনাক বুজাব পৰা নাই
এইজাক যৌৱনৰ গুৰত্ব
মোৰ জীৱনত।।

# ফাগুন

✍ পুজাশ্ৰী চেতিয়া
অসমীয়া বিভাগ
ষষ্ঠ যান্মাসিক

মোক বলিয়া নকৰিবি ফাগুন
তোৰ উতনুৱা বতাহ ছাটিয়ে
মোৰ মন বিচলিত কৰি নিছে।
ফাগুন বুলিলে মই এনেয়ে বলিয়া
তাতে তোৰ উতনুৱা বতাহছাটিয়ে
মোক চঞ্চল কৰি তুলিছে।
কল্পনাত উটি ভাঁহি ফুৰা
মোৰ মনতো উৰা মাৰিছে
তেওঁৰ কাষলৈ
মই জানো তোৰ স'তে উৰিব পাৰিম?
পাৰিমজানো তোৰ বাউলি বতাহজাকৰ চৌত
মোৰ দৰে তেওঁকো
মোৰ প্ৰেমত বিলীন কৰাবলৈ?
লঠতা শিমলুত ফুল ফুলোৱাৰ দৰে
পাৰিবিনে তেওঁৰ মনত
মোৰ বাবে বীজ সিঁচিবলৈ?
মোক নিৰাশা নকৰিবি ফাগুন
তোৰ অবিহনে মই যে দিশহাৰা পক্ষী



# জ্ঞানপীঠ কবি নীলমণি ফুকন

✍প্ৰজ্ঞাশ্ৰী দুৱৰী
ষষ্ঠ ষামাসিক অসমীয়া বিভাগ

নিজস্ব সাধনাৰে অসমীয়া কবিতাক সমৃদ্ধ কৰা কাব্য জগতৰ ভোটা তৰা সদৃশ এজন ব্যক্তি হ'ল নীলমণি ফুকন, কবিতাৰ বাবে সমগ্ৰ জীৱন উচ্গা কৰা অসমীয়া কবিতাৰ এটা উজ্জ্বল নক্ষত্ৰ নীলমণি ফুকনৰ কবিতাক বাদ দি আধুনিক অসমীয়া কবিতা কেতিয়াও সম্পৰ্ণ হ'ব নোৱাৰে। নিজস্ব অভিজ্ঞতা, স্মৃতি আৰু স্বপ্নৰ সমাহাৰেৰে সমৃদ্ধ নীলমণি ফুকনৰ প্ৰতিটো কবিতাৰ প্ৰকাশৰ ভংগী তথা বিষয়বস্তু প্ৰতি পাঠক সমাজ আকৃষ্ট হয়। অত্যন্ত ইন্দ্ৰিয় সচেতন, সংবেদশীলতাৰ পৰিচয় দিয়া কবি নীলমণি ফুকনৰ কবিতাত সংমিশ্ৰণ হৈ থাকে ঐতিহ্য আৰু পৰম্পৰা।

১৯৩৩ চনৰ ১০ চেপ্টেম্বৰত জন্ম লাভ কৰা নীলমণি ফুকনে ১৯৫০ চনৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰিছিল, তেখেতৰ কবিতা সংকলন হ'ল সূৰ্য হেনো নামি আহে এই নদীয়েদি, ১৯৫৩ নিৰ্জনতাৰ শব্দ ১৯৬৫ আৰু কি নৈ শব্দ ১৯৬৮ 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে ১৯৭১ 'কাইট গোলাপ আৰু কাইট ১৯৭৫ গোলাপী জামুৰ লগ্ন' ১৯৭৭, 'কবিতা ১৯৮১, 'নৃত্যৰতা পৃথিৱী '১৯৮৫, অলপ আগত আমি কি পঢ়িছিলো' ২০০৩, সম্পূৰ্ণ কবিতা ২০০৩ নীলমণি ফুকন ৰচনাৱলী ২০১২ ইয়াৰ ভিতৰত ১৯৮০ চনত প্ৰকাশিত কবিতা পুথিৰ বাবে ১৯৮১ চনত সাহিত্য অকাডেমী বঁটা অৰ্জন কৰিছিল। অন্যহাতে ১৯৭৭ চনত প্ৰকাশিত 'কাইট গোলাপ আৰু কাইট, কাব্য গ্ৰন্থৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা ১৯৯৭ চনত অসম উপত্যকা সাহিত্য বঁটা আৰু কমল কুমাৰী বঁটাও লাভ কৰিছিল।

অসমীয়া কবিতাক নব্য ৰূপেৰে সমৃদ্ধ কৰা কবি হ'ল নীলমণি ফুকন। প্ৰতীক আৰু চিত্ৰকল্প নিৰ্মাণৰ সিদ্ধহস্ত এইগৰাকী কবিয়ে জাপানী হাইকু আৰু টংকু স্পেনীছ কবি ফেডাৰিকা পথিয়া লকা আৰু ফৰাচী প্ৰতিকবাদী আন্দোলনৰ প্ৰভাৱেৰে তেওঁ কবিতাক সমৃদ্ধ কৰিছে। সৌন্দৰ্য বোধ, প্ৰেম, দুঃস্বপ্ন, মৃত্যু চেতনা, ল'ৰালিৰ ধূসৰ স্মৃতি, প্ৰতিকী ৰাঞ্জনা হ'ল নীলমণি ফুকনৰ কবিতাৰ অন্যতম বৈশিষ্ট্য, কম শব্দেৰে অসমীয়া ভাষাৰ সুন্দৰ ব্যৱহাৰেৰে তেওঁ কবিতাক ন- ৰূপ প্ৰদান কৰে। ইয়াৰ উপৰি বিষয়ৰ ব্যাপ্তি আৰু গভীৰতা , প্ৰতীকবাদৰ সফল প্ৰয়োগৰ লগতে চিত্ৰকল্পৰ সঠিক ব্যৱহাৰৰ জৰিয়তে অসমীয়া কবিতাক সমৃদ্ধ কৰা নীলমণি ফুকনৰ কবিতাত অসমীয়া ভাষাৰ প্ৰকাশিক শক্তিৰ বৈচিত্ৰময় ৰূপ পৰিলক্ষিত হয়। কবিতাৰ সমৃদ্ধি আৰু উত্তৰণৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগোৱা নীলমণি ফুকনে আধুনিক অসমীয়া কবিতাত চিত্ৰকলাৰ সম্পৰ্ক স্থাপন উদ্ভিদ জগত লোক জীৱনৰ কলা কৃষ্টিৰ উপজীৱন সফলভাৱে ৰূপদান কৰি স্বীকীয়তাৰ স্বাক্ষৰ বহন কৰিছে। অসমৰ বোকা পানীৰ সজল ৰূপটি বিভিন্ন ৰূপত কবিতাৰ মাজেৰে পৰিস্ফুত কৰা নীলমণি ফুকন হ'ল অসমীয়া কাব্য তথা সাহিত্য জগতৰ এজন পুৰোধা ব্যক্তি। শেহতীয়া ভাৱে অসম কবি তথা সাহিত্যিক নীলমণি ফুকনে সৰ্বোচ্চ ভাৰতীয় সাহিত্য বঁটা জ্ঞানপীট বঁটা লাভ কৰিবলৈ সক্ষম হয়। এই ৫৬ সংখ্যক জ্ঞানপীঠ বঁটা লাভ কৰিবলৈ কবি নীলমণি ফুকনে আগবঢ়োৱা ভাষণ ৰাজি হল ১১ এপ্ৰিল ২০২২ হে মোৰ সপোনৰ সূৰ্যৰ মানুহ জয় জয়তে সমৱেত সুধীসমাজৰ ওচৰত মূৰ দোৱাইছোঁ। নমস্কাৰ জনাইছো। ২০২১ বৰ্ষৰ জ্ঞানপীঠ সন্মান এই ব্যক্তিলৈ আগবঢ়োৱা হৈছে ই এক অসামান্য মানবিশিষ্ট বঁটা মোৰ কবিতাৰ বাবে এয়া এক ওখ খাপৰ স্বীকৃতি। অসমীয়া ভাষাত কবিতা লিখা কবি এজনলৈ এই সন্মান আগবঢ়োৱ মানসেৰে জ্ঞানপীঠ সমিতিয়ে মোৰ নাম বিবেচনা কৰাত মই ভাল পাইছোঁ, সুখী হৈছোঁ। সমিতিৰ লগত মুক্ত হৈ থকা সকলোকে ধন্যবাদ জনোৱাৰ লগতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী প্ৰমূখ্যে অসম চৰকাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছো। চাৰিওপিনে

হিংসা নির্বিচাৰ নির্মম নির্যাটন নিপীড়ণ হত্যাৰ খবৰৰ লগত মিল নোখোৱা খবৰ এইটো ধৰ্মান্ধৰ উন্মাদনা ৰাজনীতিৰ দুবৃত্তায়ন দিনে দিনে বাঢ়ি অহা পৰিৱেশ প্ৰদুষণ অনিশ্চিয়তা দৌৰা-দৌৰি ভয়ৰ মাজত মোলৈ অহা এই ভাল খবৰটোৱে মুকলিকৈ উশাহ লব পাৰিছেনে? চকিষ্টান নামৰ অখ্যাত গাওঁখনৰ এমুৰত থকা হাবিখনৰ পৰা হাতৰ মুঠিত জোনাকী এটা লৈ তাহানিতেই গুৱাহাটী ওলাইছিলোঁহি, অন্তৰত বিষণ্ণ এক সেউজীয়া স্তব্ধতা সোণাৰৰ অকৰমান সোণহালধীয়া লৈ গেজেপণিৰ হাবি এখনৰ পৰা ওলাই আহিছিলোঁ নেঘেৰিটিঙৰ শিৱদৌল, দেওপাহাৰৰ শিলামুৰ্তিবোৰ আৰু আমাৰ গাঁৱৰ কাষেৰে বৈ যোৱা গেলাবিল নামৰ ৰূপহী নৈখনে মোৰ মন প্ৰাণ প্ৰবাহিত কৰি নৰখা হ'লে মই আজিৰ এই ঠাই ওলাব নোৱাৰিলোহেঁতেন সি খাটাং, তাৰ লগতে আছে এই চুটি ভাষণত নামোল্লেখ কৰিব নোৱাৰা মোৰ পুথিৰ প্ৰকাশসকল আলোচনীৰ সম্পাদক সকল, ঘৰখন পৰৱিয়ালৰ সদৌটিকে ধৰি অসংখ্য শুভানুৰাগী, অনুৰাগীৰ মৰম ভালপোৱাৰ আৰু পুজনীয় পিতৃ-মাতৃৰ লগতে জ্যেষ্ঠ জনৰ আৰ্শীবাদ জৰোশ্লাভ চিফাৰ্টৰ এফাকি কবিতাৰ প্ৰতিধ্বনি কওঁ পৃথিৱীৰ কেইবা নিযুত কবিতাৰ মাজত মই মাত্ৰ কেইটামান কবিতাহে যোগ দিছোঁ উইচিৰিঙাৰ মাততকৈ তাত বেছি জ্ঞানগৰ্ভ কথা একো নাই। চহৰত সুদীৰ্ঘকাল কটোৱাৰ পিছতো স্মৃতি-স্বপ্ন, বিষাদ আনন্দ হৈ সেই গাওঁখনেই অজস্ৰ কথা সুৰ-গন্ধ-কৰ্ণ দিন আৰু ৰাতিৰ ৰহস্যময় দৃশ্য হৈ আজিও প্ৰতিনিয়ত মোৰ মন হৃদয় আৰু কল্পনাক বা আলোকিত কৰি ৰাখিছে। গাওঁখনৰ কাষেদি বৈ যোৱা বৰ্ষৰা শীতৰ নৈখনৰ পাৰত থিয় হৈ আজিও যেন দুৰ দিগন্তলৈ চাইছোঁ আবেলি উৰি যোৱা চৰাইজাকৰ ফাললৈ। ওখ ওখ গছবোৰৰ ওপৰলে হাত মেলি দিছোঁ নৈ- সাগৰ অৰুণ্যাদি পৰ্বত-পাহাৰ মৰুভূমি পাৰ হৈ কৰবাৰ মানুহ গৈ কোন সুদুৰত ওলাইছোগৈ। কোনোবা জনমৰ সুহৃদ বুলি ইজনৰ পাছত সিজনক আকোঁৱালি লৈছোঁ নিজকে পাহৰি গৈছোঁ, আকৌ নতুনকৈ নিজকে বিচাৰি পাইছোঁ চিৰকালৰ মানুহৰ অমিত শক্তি আশা - আকাংক্ষা জয়-পৰাজয়ৰ গৌৰৱ-আনন্দ-গ্লানি যন্ত্ৰণাৰ অংশীদাৰ হৈছো যেতিয়া পৃথিৱীৰ সৰ্বত্ৰ মানুহ আছে জড় জীৱন্ত বস্তুবোৰ আছে জুই-পানী আছে হাঁহি আৰু চকুলোৰ জোন বেলি তৰাবোৰ অনন্ত কাল ধৰি একেখন আকাশতে জ্বলি আছে। চি জি য়ুঙে এবাৰ কৈছিল - আধুনিক মানুহে এটা আত্মা বিচাৰি ফুৰিছে। আমাৰ বিশ্বাস, কবিতাৰ মাজেৰেই আধুনিক মানুহে এদিন কেই আমাৰ সন্ধান পাব, সন্ধান পাব এখন প্ৰেমৰ পৃথিৱীৰ নতুন আধ্যত্মিক প্ৰফুল্যৰ সৰ্বাত্মক এটা মানৱিক যুগৰ, কবিতা ভাষা শিল্প জীৱন শিল্পও, সমাজবোধ আৰু ইতিহাসবোধৰ পৰাও উৎসাৰিত হয় কবিতাৰ ভাষা। কিন্তু শেষত এই ভাষাৰো বন্ধন ছিঙি কবিতাই বিচাৰে অন্তহীন ব্যাত্তি মানুহৰ তেজত মঙহতবতাহত আকাশত লিখিছোনে এনে এটা কবিতা যি বচনাতীতৰ আবাদ আনন্দ ৰূপ অমৃত নীল নিসাদি উঠা হুংকাৰ যি জীৱনত প্ৰতিকল্প য'ত কালাতীত মহাজীৱনৰ ধ্বনিসৰ্বস্ব ৰূপময় গন্ধময় বৰ্ণময় বাণী লোকৰ সংগীত হৈ বাজি উঠিছে গুজৰি গুমৰি মৰিছে বহু প্ৰস্তুতি আৰু প্ৰতিক্ষাৰ পিছত পাওঁ এটা তন্ময়ৰ মুহূৰ্ত। লিখো এটা কবিতা বা অকবিতা তাৰ পাছত আকৌ সেই অতৃপ্তি, কেই ব্যৰ্থতাৰ ক্লেশ আৰু যন্ত্ৰণা আকৌ সেই বৈ থকা আৰু সেই এজাক ববযুণলৈ বাট চাই থকা মানুহক মানুহ কৰাই সকলো কলাৰ লক্ষ্য কবিতাৰো মানুহক সৃজনীশক্তি উপলব্ধি শক্তি মংগলবোধক উদ্ৰেক কৰা বোধ অনুভূতিক জীপাল, তেজাল, ধাৰাল কৰা মানুহক সৃজনশীল চৈতন্যক সম্প্ৰসাৰিত কৰা মানুহক দ্ৰষ্টা কৰা স্ৰষ্টা কৰা। পৃথিৱীৰ সকলো কবিয়েই কন্তেৰত বাকা বাবে পৃথিৱীৰ সকলো মানুহেই কবি হওক, বিদ্ৰোহী হওক প্ৰেমিক হওক। জীৱনৰ অখণ্ড ৰূপৰ সাধনাই কবিৰ সাধনা আৰু কবিতা -প্ৰেম, শক্তি, শান্তি, ঐক্য সৌন্দৰ্যত আৰু সৃজনশীলতাক মানুহৰ অটল আস্থা, এই কাৰণেই ই অক্ষয় আৰু অনন্ত। প্ৰতিটো কবিতাই এটা মানৱিক মূৰ্হত যি আনন্দ বেদনাৰ, শেষ হয় চেতনাৰ নিস্ত্ৰৰ উজ্জীৱনৰ, কবিতা মান-তাৰ কৰ্ণস্বৰ, কাণ পাতিলেই প্ৰতিজনে নিজৰ মনৰ নিজানত শুনিবলৈ পাব পুৱা সন্ধ্যাৰ সত্য আৰু সৌন্দৰ্যৰ সেই আৱহমান ৰাগমালা। সাৰ্থক কবিতা এটা পঢ়িলে বা শুনিলে আমি নিজকে পাওঁ আনকো পাওঁ ইহা দেখো কন্দা দেখো জীৱন্ত জড় বস্তুবোৰক নিজৰ মাজত দেখো কৰবাত নিজকে এৰি থৈ কাৰোবাক বিচাৰি কৰবালৈ গুচি যাওঁ। বিশ্ব প্ৰকৃতি আৰু জীৱনৰ ৰহস্যৰ লগত জনা নজনাকৈ আমাৰ এটা সম্পৰ্ক হয়। নিজৰ কল্পনা আৰু বোধ অনুভূতিৰে মানুহৰ অস্তিত্ব অস্তিত্বৰ যন্ত্ৰণা, সত্য অসত্যক অতীত বৰ্তমান আৰু ভৱিষ্যতক জীৱনৰ পূৰ্ণতা অপূৰ্ণতাক জনা নজনাক অনুভৱ উপলব্ধি কৰোঁ। ব্যক্তিমন সাৰ্বজনীন মনৰ লগত কাল স্ৰোত আৰু ইতিহাসৰ লগত অন্বিত হয়। কবি মাত্ৰেই তেওঁ এজন

সৰ্বপ্ৰাণৱদী প্ৰেমিক বিদ্ৰোহী মানৱবাবাদী মানুহৰ বৈত্ৰী-সমতাবোধক শক্তি ঐক্য আৰু মানুহৰ ভৱিষ্যতত বিশ্বাসী। পৃথিৱীৰ সকলো কবিয়েই বাঞ্চা কৰে সৰ্বত্ৰ শোষণ পীৰনৰ অন্ত হওক ভাতৃঘাতী আত্মঘাতী সংঘাত, সংঘৰ্ষ যুদ্ধ বিগ্ৰহ, ৰক্তপাতৰ অন্ত হওক, মানুহৰ মানুহলৈ ভয় নোহোৱা হওক। পৃথিৱীৰ প্ৰতিজন মানুহৰ মাজত বিচাৰি পাওক চিৰকালৰ মূহুৰ্তই হওক একোটা মানৱিক মূহুৰ্ত একোটা আধ্যাত্মিক মুহূৰ্ত। ছাঁ জাঁপল কাইৰ এফাঁকি কথাৰ প্ৰতিধ্বনি কৰি কওঁ কবিতা মাটিৰ চাকি, কবিৰ হাতত থকা এই মাটিৰ চাকিটিৰ পোহৰেই আজিৰ এই পৰিস্থিতিত যথেষ্টনে যথেষ্ট যদি মানুহে কেৱল মনত ৰাখে মাটিক, প্ৰখ্যাত সমালোকে চি এম বাওৰাৰ কথাৰ সুৰন্ত কওঁ মোৰ প্ৰতিটো কবিতা সভ্যতাৰ বাটেৰে আহি থকা আধুনিক মানুহৰ মনৰ বিকাশ উন্মুখ এটা এটা নবীন, খোজহে মাথোন। মানুহ, মানুহ, মানুহ, মানুহ, মানুহ মোৰ সপোনৰ সূৰ্যৰ মানুহ মোৰ অপৰ অগাধ তালৈ আস্থাৰ থলী তাৰ পিছতো মোৰ মনলৈ এই ভাৱ আহে আপুনি কবিতা পঢ়েনে। নিচেই কম সংখ্যক মানুহেহে কবিতা পঢ়ে আৰু কাটিং কোনোৱাজনহে কবিতাৰ দ্বাৰা সামান্য প্ৰভাৱিত হয়। মানুহ য'তেই আছে তাতেই জড় জীৱন্ত বস্তুবোৰ আছে, তাতেই কবিতা আছে জীয়াই থকাটোৱেই কবিতা। জীৱনেই কবিতা। কেৱল মানুহৰেই গান আছে। মানুহৰেই আছে এটা চিন্তাশীল আবেগিক ভাব জীৱন এটা বৃহত্তৰ জীৱন। মানুহৰ অন্তৰাত্মাৰ ব্যাকুলতাৰ অন্ত নাই। মানুহেই কেৱল কল্পনা আৰু সৃজনীশক্তিৰ অধিকাৰী। এই কল্পনাই জ্ঞান আৰু সৃজনীশীল চৈতন্যই পোহৰ সৃজনশীল চৈতন্যৰ সমৃদ্ধি আৰু ব্যাপ্তিতেই মৰণশীল মানুহৰ শৌৰ্য আৰু মনুষ্যত্বৰ গৌৰৱ।

আহক কবিতা পঢ়োঁ। কবিতাই অমৃত মৰি অভয়, পাৰাপাৰহীন প্ৰেমৰ মাজত অনাবিল সৌন্দৰ্যৰ মাজত নগ্ন হওঁক, মগ্ন হওক, স্তব্ধ হওঁক - মুক্ত কৰক মন আৰু হৃদয়ক আৰু আপুনি নিজেই হৈ উঠক এটা কবিতা। আপুনিও এটা শুভকৰ্তাৰ কাৰণে ৰৈ আছে, মানৱতাৰ মুহূৰ্তবোৰৰ কাৰণে আহক উপলব্ধি কৰোঁ অনিবচনীয় এক আনন্দ আৰু বেদনাক, যি আনন্দৰ বেদনাৰ শেষ হয় চেতনাৰ নিস্তক বোধনত। আহক অনুভৱ কৰোঁ- মনৰ ভিতৰত ৰঙা হালধীয়া ফুলবোৰ ফুলি উঠা, এটা শঙ্খৰ ভিতৰত এটা শঙ্ঘ বাজি উঠা, অনুভৱ কৰোঁ- মানুহ মুক্ত, জীৱন সুন্দৰ, জুই সুন্দৰ, পানী সুন্দৰ, টিপচি চৰাইটো সুন্দৰ, সুন্দৰ মানুহৰ মৃত্যু।

মই এক অসমীয়া, মোৰ কবিতাৰ ভাষা অসমীয়া, তাৰ মাজেৰেই মই বিশ্বমন, হৃদয় আৰু প্ৰাণৰ সৈতে মুক্ত হৈ থাকোঁ। দেশ, কাল, ভাষাৰ সীমা চেৰাই গৈ পোৱা মুকুতিৰ স্নিগ্ধ আনন্দত লাগিত মোৰ কল্পনা। অসমৰ বিনন্দীয়া প্ৰকৃতিৰ মোৰ কল্পনাক প্ৰাণৱন্ত কৰি ৰাখে। ইয়াৰ পাহাৰ ভৈয়ামৰ মাটি, শইচৰ সেউজ সোণালীয়ে মোৰ সংবেদনত জোঁৱাৰ তুলি থাকে অনবৰতে, ইয়াৰ কলৰৱমুখৰ নৈবোৰৰ সৌন্দৰ্য মাধুৰ্য, নৈ পাৰৰ ছোৱালীহঁতৰ ৰূপ জেউতীয়ে মোৰ সৃজনশীল মনটোক নিয়ত আলোড়িত কৰি ৰাখে। মোলৈ অহা অতিকে সন্মানজনক জ্ঞানপীঠ বঁটা এই সকলোৰে লগত মই ভগাই লবলৈ পাই পুলকিত হৈছোঁ, শেষত পুনৰবাৰ সমবেত সুধী সমাজক কৃতজ্ঞতা জনাই মোৰ দোৱাইছো, সেৱা জনাইছো।
ধন্যবাদ

••••••••••••••••••••••••••••••••••••••

# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

অনুপম শইকীয়া
ৰাজনীতি বিজ্ঞান বিভাগ
ষষ্ঠ যান্মাসিক

সুন্দৰ যে ফুলাক মন্ত্ৰ
আহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।

জ্যোতিৰ জেউতিয়ে যিগৰাকী ব্যক্তিয়ে অসম মাতৃৰ বাবে ৰহণীয়া সাহিত্য সংস্কৃতিক মণিকোঠা মেটমৰা কৰি থৈ গৈছে তেওঁৰেই হৈছে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। তেওঁ একাধাৰে গীতিকাৰ, সুৰকাৰ নাট্যকাৰ, কবি, স্থাপত্যবিদ নৃত্যবিদ, চলচ্চিত্ৰ নিৰ্মাতাৰ উপৰিও এগৰাকী প্ৰকৃত বিপ্লৱী নেতা আছিল। মাত্ৰ আঠচল্লিশ বছৰীয়া জীৱন কালতেই তেওঁ প্ৰমাণ কৰিছিল তেওঁৰ ব্যক্তিত্ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিছতেই দ্বিতীয়গৰাকী জাতি নিৰ্মাতা হিচাপে পৰিচয় লাভ কৰিছিল জ্যোতিপ্ৰসাদ আগৰৱালাই।

১৯০৩ চনত ১৭ জুনত ডিব্ৰুগড়ৰ মদাৰীহাট মৌজাৰ তামুলপুৰ চাহ বাগিছাত জ্যোতিপ্ৰসাদৰ জন্ম হয়। দেউতাক পৰমানন্দ আগৰৱালা আৰু মাক কিৰণময়ী। তেওঁলোকৰ আদি পুৰুষ ৰাজস্থানৰ আছিল। দেউতাকে সুন্দৰ বেহেলা বজাইছিল আৰু মাকে সুৰদী কণ্ঠেৰে আইনাম, বিয়ানাম নিচুকণিগীত গাইছিল, যিবোৰে জ্যোতিপ্ৰসাদক সংস্কৃতিৰ এই দিশটোত প্ৰভাৱিত কৰিছিল। জ্যোতিপ্ৰসাদে প্ৰথমে তেজপুৰত আৰু পিছত ডিব্ৰুগড়ত স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল ।পুনৰ তেজপুৰলৈ গৈ ১৯২১ চনত তাৰ জাতীয় বিদ্যাপীঠৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।

১৯২৬ চনত উচ্চ শিক্ষাৰ বাবে জ্যোতিপ্ৰসাদ বিলাতলৈ যায়। এডিনবৰা বিশ্বদ্যিালয়ত নাম ভৰ্তি কৰিছিল যদিও সেই পাঠ্যক্ৰমত তেওঁৰ মন নবহিল। সেয়ে লণ্ডনত তেওঁ চলচ্চিত্ৰৰ বিষয়ে অধ্যয়ন কৰি জামনীলৈ যায়। হিমাংশু ৰায়ৰ তত্ত্বাৱধানত চলচ্চিত্ৰ নিমাৰ্ণৰ কাম শিকি ১৯৩০ চনত স্বদেশলৈ ঘূৰি আহে। সেই সময়ত অসমত স্বাধীনতা আন্দোলনৰ ভৰপক সময়। মহাত্মা গান্ধীৰ বাণীৰে উদুদ্ধ হৈ জ্যোতিপ্ৰসাদৰ অন্তৰতো দেশ প্ৰেমৰ অগণি জ্বলি উঠিল। বিপ্লৱীসুৰীয়া গীতেৰে জ্যোতিপ্ৰসাদে অসমীয়া মানুহৰ অন্তৰত দেশপ্ৰেমৰ ভাব গভীৰ কৰি তুলিলে।

লুইতৰ পাৰৰে আমি ডেকা লৰা
মৰিবলৈ ভয় নাই
আমি আগে বাঢ়ি, ডিঙি পাতি পাতি
তেজেৰে বলিশাল যামে বোলায়।

জ্যোতিপ্ৰসাদৰ বিপ্লৱী সত্তাক দমন কৰিবলৈ চৰকাৰী পক্ষ উঠি পৰি লাগিল। আত্মগোপন কৰাৰ পিছতো জ্যোতিপ্ৰসাদ ১৯৩২ চনত গ্ৰেপ্তাৰ হয়। বন্দী অৱস্থাত অসুস্থ হৈ পৰা জ্যোতিক চৰকাৰে সুবিধা দিছিল, আন্দোলন নকৰাৰ লিখিত প্ৰতিশ্ৰুতিৰ বিনিময়ত মুক্তি প্ৰদান। কিন্তু, জ্যোতিয়ে ইয়াক প্ৰত্যাখান কৰে।

স্বদেশলৈ ঘূৰি আহি জ্যোতিপ্ৰসাদে অসমীয়া চলচ্চিত্ৰ 'জয়মতী' নিৰ্মাণ কৰিলে। ১৯৩৭ চনত 'জোনাকী' নামৰ চিনেমা হলো প্ৰতিষ্ঠা কৰে। তাৰ পিছত দ্বিতীয়খন চলচ্চিত্ৰ ১৯৩৯ চনত 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰে। ১৯৪০ চনত জ্যোতিপ্ৰসাদৰ উদ্যোগত তেজপুৰ সংগীত বিদ্যালয়ৰ আৰম্ভণি হয়। একেদৰে অসমীয়া বাতৰিকাকত 'অসমীয়া'ৰ সম্পাদনা কামো তেওঁ কৰিছিল। ১৯৩৫ চনত জ্যোতিপ্ৰসাদ দেৱযানী নামৰ এগৰাকী গুণৱতী কন্যাৰ লগত বিবাহপাশত আবদ্ধ হয়।

জ্যোতিপ্ৰসাদে অসমীয়া ৰাজনৈতিক, সাংস্কৃতিক জগতখনৰ লগতে সাহিত্যিক জগত খনতো নিজৰ নাম ৰাখি থৈ গৈছে। অতি কম বয়সতেই এটি ঐতিহাসিক প্ৰেমকাহিনী লৈ ৰচনা কৰিছিল 'শোণিতকুঁৱৰী'নাটকখন। অসমীয়া নাটকত ট্ৰেজেডীৰ ভাব-ধাৰা সোমোৱাই ৰচনা কৰিছিল 'কাৰেংৰ লিগিৰী নাটকীয় ব্যঞ্জনাৰে চিত্ৰ-বিচিত্ৰ অংকন কৰি ৰচিছিল ৰূপালীম। নাৰী শক্তিক উদ্বুদ্ধ কৰাৰ মানসেৰে 'লভিতা' নাটকখনৰ সৃষ্টি কৰিছিল। নৃত্য, গীতক প্ৰাধান্য দি ৰচনা কৰা নাটকখন হ'ল 'নিমাতী কইনা'। অসমীয়া শিল্প ভাস্কৰ্যৰ স্বৰূপ প্ৰতিফলিত হোৱা নাটক 'খনিকৰ'। 'সোণ পখিলী' তেওঁৰ এখন শিশু উপযোগী নাটক। 'সুন্দৰ কোঁৱৰ' আৰু 'কনকলতা' দুখন অসম্পূৰ্ণ নাটক।

জ্যোতিপ্ৰসাদে অজস্ৰ কবিতা আৰু গীত লিখি থৈ গৈছে। এইবোৰ 'লুইতৰ পাৰৰ অগ্নিসুৰত' সন্নিবিষ্ট কৰা হৈছে। তেওঁৰ গীতবোৰ অসমীয়া জনজীৱনকেই প্ৰতিফলিত কৰাৰ বাবে প্ৰত্যেকগৰাকী অসমীয়াৰ মাজত তেওঁৰ গীতৰ সুৰ প্ৰভাৱিত হৈ আছে। 'লুইতৰে পানী যাবি অ' বৈ, সেউজী সেউজী অ' সেউজী ধৰণী ধুনীয়া 'আমাৰ সখি আকুল বিয়াকুলে সপোনৰ হাঁহিটি চাই এই গীতবোৰ চিৰসেউজ চিৰপ্ৰৱাহিত। তেওঁৰ ৰচনাৱলীত ৩৫৯ টা গীত সন্নিৱিষ্ট কৰা হৈছে।

'মা মই সপোনত দেখিলো এটি ভূতৰ পোৱালি, কুম্‌সৰ সপোন তেওঁৰ উল্লেখযোগ্য কবিতা। জ্যোতি ৰামায়ণ ৰসপূৰ্ণ ৰচনা। 'শিল্পীৰ পৃথিৱী নতুন দিনৰ কৃষ্টি অসমীয়া সংস্কৃতি পোহৰলৈ ইত্যাদি জ্যোতিপ্ৰসাদক তথ্যগধুৰ সুদীৰ্ঘ প্ৰবন্ধ। 'সোণতৰা' বগীতৰা যুঁজাৰু সৈনিক অভিমান ইত্যাদি মন পৰশা গল্প লিখি থৈ গৈছে। "আমাৰ

গাওঁ তেওঁৰ অসম্পূৰ্ব উপন্যাস। 'মহাত্মা গান্ধীৰ জীৱন সৌঁৰণ বেজবৰুৱাৰ প্ৰতিভা "চন্দ্ৰকুমাৰ আগৰৱালা' ইত্যাদি তেওঁৰ জীৱনভিত্তিক ৰচনাৱলী।

অতি কম বয়সীয়া এটা জীৱন। ১৯৫১ চনৰ ১৭ জানুৱাৰীত ৪৮ বছৰ বয়সত জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু হয়। অসমীয়া জাতিয়ে তেওঁক 'ৰূপকোঁৱৰ' আখ্যা দিলে। সুন্দৰৰ জয়গান গোৱা জ্যোতিপ্ৰসাদ আগৰৱালাক জীৱনক লক্ষ্য আছিল অসুন্দৰক আঁতৰ কৰি পৃথিৱীক সজাই তোলা। এই শিল্পী মন, শিল্পী প্ৰাণে আজিও অসমীয়াক জাকত জিলিকা কৰি ৰাখিছে।

শিল্পী যে মই তিনিও লোকৰ
অতীতৰ, বৰ্তমানৰ, অনাগত ভৱিষ্যতৰ
আদিতেই যাত্ৰা কৰি অনাদিলে যাওঁ।
ধ্বংসৰ মাজেদি মই
নতুনৰ নৱতম শলিতা জ্বলাও।

# TOPIC INTRODUCTION TO POSITIVE PSYCHOLOGY

✍ **Surojit Konwar**

Positive psychology is a branch of science which i's mainly deals with The strengths on virtues of human beings. Which make our life better and more lightfull. It 19 the study of the human flourishing and an applied approach to optimal functioning. There are several virtues of Life. For example- Love kindness, cxompassion etc. It is basically a treatment of sickness, mental disorders and cieanical aspects of life. It gives happiness to our life so the science "Positive Psychology" is also known as The Science of happiness.

By increasing the positive aspects or positive emotions, we shall be able to minimize the negativity of our life. So the positive emotions plays a crucial role role in human society. Through the science Ps mainly responsible for the treatment of disorders, sickness. In General, Basically there are two types of drugs present in market.

(i) Cosmetice Drugs, responsible for symptoms reliever or Temporary.

(ii) Curative Drugs., responsible for curation of diseased. It is not found in the market.

"Preventions is than cure" -But now-a-days the cure is obsent because of the absence of curative drugs in the market. The vaccine are the agent which are responsible for reducing the negativity. In case of positive psychology the love, relationship, gratitude may act as a vaccine to build the positive aspect of life.

Positive emotions are the main support of life. When the positive emotion is less than the normal level then there will be the formation of critical problem sickness.

Hopeless Hope Strong person
(Negative)
(Positive)
(Absolute normal)

Prof. M.E. P Seligman is knownas the father of "Positive Psychology"

Exerige No. : 1. To make our life be happy. "WWW"- What want well- counting and recounting the goods happened in our life.

Topic : Ingredients of happiness "PERMA" Theory.

The ingredients of hapiness can be better discussed on the basis of an important

theory, proposed by the father of positive psychology Prof. MEP Seligman called the PERMA theory. The 'PERMA' Theory states that.

P - pleasant life or positive emotions.
E - Engaged life or engagement
R - Relationship
M - Meaningful life.
A - Accomplishment.

Pleasant life or Positiveemotions :-

Positive emotions plays a significant role in the fact of happiness of life. There are several positive emotions like- love, curage, compassion, gratitude, etc. More the positive emotions, more the life will be pleasant. By increasing the positive emotions or increasing the intensity of positive emotions may leads to the formation of happy life. It contributes a lot of to the happy life. Barbara L Enedrickson, a scientist of positive emotion, built a theory called "Broaden and Build theory of positive emotions". According to this theory.

(i) Positive emotions broader the horizon to the infinite.

(ii) Positive emotions makes a man to be with a strong social relationship.

(iii) Positive emotion increases the life satisfactions.

Engaged life or engagements :-

When we are engaged with some particulasr works the we are unaware of time on unware verything whish may resul;t in the formation of happy life. If we engaged with some thing then we are enjoying with the life better. There will be a difference in between work and engagement. Mihalyi Csikzentmihalyi (mee-hi-zeek-zent-mee-hi) an engagement scientist who have proved the "Psychology of optimal experience"

When we are in the free state then our mind become more active as well as function. In that condition our mind will carry some innovative ideas which basically leads to the innovative works the brain functione optimally when we are in free conditions. Unaware of external environment result in the unacoare of destructive mind up.

She divides the work into two categories-

Autotelic, The work is the main purpose of itself.

Exotelic, There will be some external factors which are basically the purposes of the work.

The autotelic work engaged people with the work properly to make life be better and happiness.

Maningful life :

When we engaged somewhere then we must be happy and our life become meaningful. But we have a tendency to relevant with the world on others life. To be relevant we should be extended the life foe others. The extended life for others become the meaningful life. More extended yourself may be result in the extend of our life happy because of his satisfaction to extended himself.

Relationship :

Between the members of the family. if there will be norelationship, the family are not able to happy. A Relationship makes a life better and happiness. Relationship make us an achiever. It is mainly reponsible for the happiness of life. Relationship is a key factor which are responsible for rescue the people from extreme condition. It contributes to life and happiness.

Passion cann't be permanent.

Human relationship is going to be temporary.

We must be sholved the response to the relationship. As a result it strengthen the relationship and the life become happy.

**There are mainly four responses to the relationship -**

- Actively constructive (AC)
- Activly destructive (AD)

- Passively Constructive (PC)
  Destroys relationships
- Passively destructive (PD)

Accomplishment :-

The growing behaviour is mainly connected with the accomplishment.

Topic “Love” A composite emotion

Love is basically a composite emotion, it is the composition of several emotions. It is a significant emotion. There are several common properties of love. These are -

(i) Biochemical Synchroney :-

When we meet our friends there will be tendency to closer to physically with him. Both mutually close to each other. The physical closerness with others is a biochemical aimilarity of love. If there will no any physical closer tendency then there will no love to each other. If love ocurs then there will no love to each other. If other’s will be intimate or closer to each other then there will be some biochemical synchrony. If love occurs then the biochemical synchrony occurin the body of both them.


(ii) If the biochemical synchroney occur in love then there will be an investment automatically. If we gave our time to others then it is not we take our time to others. But also we sharing our time between ourselves i.e. investment of time.

(iii) Love Triangle

The love traingle refers to the three posible

aspects of life of love. They are passion,

intimacy and commitment.




<Intimacy + <Passion+<Commitment + Love.

Intimacy :-

With whom we spent time more.

Ex: Life sciences people are sitting together in the class because they are intimate with each other.

Passion :-

The tendency to do work sincerly for satisfaction.

Feeling excited to see others/Like others.

Commitment :

The tendency to stay with together the whole life.

There are different types of love based on three district factors. All the factors may not be exiot together ; but sometimes they exist in together. This type of love is termed as Tremendous Love.

Case 1.:- I case of women they are more possessive towards the love and the relationship. But it is not similar for both man and female. When they are in a romantic love. relationship the relationship much important than the sexual intensity.

Case 2.:- But in case of male. they are not very much aggressive towards love & relationship. They thought that the sexual intensity is better that the relationship as well.

----0000----

# "চিন্তাধাৰা বনাম নৱপ্ৰজন্ম"

## "নৱপ্ৰজন্ম

এক সম্ভাৱনীয়তাৰ নাম
য'ত থাকে প্ৰচুৰ উৰ্বৰতা
আৰু সকলো সলনি কৰিব পৰা ক্ষমতা।"

দেশখনৰ মূল চালিকা শক্তিয়েই হৈছে নৱপ্ৰজন্ম, যাৰ দ্বাৰা গঢ় লৈ উঠে প্ৰচুৰ সম্ভাৱনীয়তা যাৰ ষান্নিধ্যত গঢ় লৈ উঠে হাজাৰটা সপোন। বৰ্তমানৰ প্ৰেক্ষাপটলৈ যদি আমি লক্ষ্য কৰোঁ দেখিবলৈ পাওঁ যে আমাৰ নৱপ্ৰজন্মৰ মাজত যেন এক সু-সংগঠিত চিন্তাধাৰাৰ অভাৱ ঘটিছে। নৱপ্ৰজন্মৰ চিন্তাধাৰাবোৰ সস্তীয়া তেজাল আৰু বিকৃত হ'বলৈ ধৰিছে।

অপ্ৰিয় যদিও সত্য যে বৰ্তমান অসমৰ আৰু এটি গোটবা পেকেটতে যেন সীমাবদ্ধ এনে অনুভৱ হয়। এই সীমাবদ্ধাতাৰ পৰিষৰ অধিক হ্ৰাস কৰিছে। বৰ্ধিত পৰিমাণত হোৱা গণমাধ্যমৰ অপব্যৱহাৰে। আমাৰ অজানিতেই আমাক আমাৰ ফেনবোৰে নিয়ন্ত্ৰণ কৰি আহিছে। (যাক কোৱা হয়)।

আমাৰ নিজৰ ঠাইখনক লৈ নিজৰ আপোন মানুহখিনিক লৈ কত, কিমান নিৰ্যাতন হৈ আহিছে, তাৰ হিচাপ ল'বলৈ আজি আমাৰ নৱপ্ৰজন্মৰ হাতত সময় ক'ত ? আমাৰ প্ৰচুৰ সম্ভৱনাময় ন-প্ৰজন্মময় ব্যস্ত গণ মাধ্যমত কাৰোবাক ট্ৰল কৰাত।

"মোৰ দেশ আজি উপেক্ষিত।" আজিৰ নৱপ্ৰজন্মৰ কিমানজনে জ্ঞানে ডিব্ৰুচেধোৱাৰ নিৰ্যতিতা "লাইকা দধীয়া" বাধীৰ কথা। কিমানজনে খবৰ ৰাখিছে কয়লাখননৰ দ্বাৰা ফোপোলা কৰি অনা 'দিহিং পাটকাইৰ' কথা। আমি এনে প্ৰজন্ম যিয়ে 'বিষুৰাঙা দিৱসত' এগছি বন্তি জ্বলাই, আধুনিক চাউণ্ড চিষ্টেমত তেখেতৰ দুটামান গীতৰ প্ৰতিযোগিতা পাতি, তেখেতৰ নামত দুটামান গৰম ভাষন দি ৱাহ-ৱাহ লোৱাতে সৃষ্টিৰাজীৰ সংগ্ৰহৰ উদ্দেশ্যে এটা সংগ্ৰহালয় দাবী উত্থাপন কৰিছে। এইয়াই আমাৰ আজিৰ নৱপ্ৰজন্ম।

তথাপিও মোৰ দেশৰ কোণা হৈ থকা নৱ প্ৰজন্মক আমিয়েই ঠন ধৰি উঠাব লাগিব। এতিয়াই আমাৰ আজিৰ নৱপ্ৰজন্ম।

তথাপিও, মোৰদেশৰ কোণা হৈ অহা নৱ প্ৰজন্মক আমিয়েই ঠন ধৰি উঠাব লাগিব। এতিয়াও এনে বহু যুৱক আছে যি নিজৰ দেখখনৰ কথা, নিজৰ আপোন মানুহখিনিৰ হৈ চিন্তা কৰি আহিছে আৰু আমাৰ অজানিতে কাম কৰি আহিছে। তেখেতসকলক লৈয়ে আমি একোটা সোণোৱালী সপোন ৰচিম এখন নতুন দেশ গঢ়িম।

# পদাৰ্থ বিজ্ঞানত নৱ-পৰিক্ৰমা আৰু এলবাৰ্ট আইনষ্টাইন

লক্ষী বৰুৱা
স্নাতক চতুৰ্থ ষান্মাসিক পদাৰ্থ বিজ্ঞান বিভাগ

১৯০৫ চনক বিজ্ঞান ইতিহাসৰ শ্ৰেষ্ঠতম বছৰ বুলি কোৱা হয়। ইয়াক ইংৰাজীত "Year of Physics" বুলি আখ্যা দিয়া হয়। কিয়নো এই বছৰটোতে চুইছ পোন্টৰ অফিছৰ ৰেজিষ্টাৰী চাকৰী কৰা এজন যুৱকে অগা পিছাকৈ পৃথিৱী কপাঁই তোলা চাৰিখন গৱেষণা প্ৰত্ৰ লিখি উলিয়াই আৰু বিদ্বান মহলৰ আগত উপস্থাপন কৰে। এইজনাই হ'ল মহান পদাৰ্থবিজ্ঞানীয়ে এলবাট আইনষ্টাইন। যাৰ নাম নুশুনা মানুহৰ সংখ্যা প্ৰায় নগণ্য। বৈ যোৱা পদাৰ্থবিজ্ঞানক দৌৰাত্ম্য প্ৰদানৰ কৰণ এলবাট আইনষ্টাইনক "আধুনিক পদাৰ্থবিজ্ঞান"(Modern Physics) "পিতৃপুৰুষ বুলি আখ্যা দিয়া হয়।

১৯০০ চনৰ আগৰ বিজ্ঞানী সকলে ভাবিছিল যে এই পৃথিৱীৰ সকলে Law, Theory, অনুসৰি আদি সকলো আৱিষ্কাৰ হৈ গৈছে আৰু আৱিষ্কাৰ কৰাৰ প্ৰয়োজন নাই। সকলোবোৰ শেষ হৈ গৈছে। কিন্তু এই ধাৰণাক সম্পূৰ্ণ ৰূপে উফৰাই পদাৰ্থবিজ্ঞানক এক নতুন ৰমণীয়তা প্ৰদান কৰিলে এলবাট আইনষ্টাইনে। আইনষ্টাইনৰ তত্ব আৰু নীতিয়ে বিজ্ঞানৰ সকলো সমস্যাৰ অন্ত পেলালে। তেওঁৰ গৱেষণা পত্ৰৰ বিষয়বস্তু যথাক্ৰমে "আলোক বিদ্যুৎ প্ৰভাৱ, ব্ৰাউনীয় গাত, বিশেষ আপেক্ষিকতাবাদ আৰু ভৰ শক্তিৰ সমতুল্যতা"। এই গৱেষণা প্ৰএকেইখনে (আইনষ্টাইনৰ) বিজ্ঞানৰ বহু তথ্য উদ্‌ঘাটনৰ অন্তৰায়ৰ পৰা মুক্ত কৰিলে। এই প্ৰৱন্ধত আমি আইনষ্টাইনৰ গৱেষণা পত্ৰ আঁৰৰ দীঘলীয়া কথা অৱতাৰণা নকৰো। ইয়াত মাত্ৰ প্ৰতিখন গৱেষণা প্ৰত্ৰৰ বিষয়ে এক আভাস দিবলৈ চেষ্টা কৰা হৈছে।

আইনষ্টাইনে ভাবিছিল যে নিউটনীয় বলবিদ্যাই (Newtonion Mechanics), ধ্ৰুপদী পদাৰ্থবিজ্ঞানত (Classical Mechanics) আৰু বিদ্যুৎ চুম্বকীয় সূত্ৰসমূহৰ মাজত (Electromagnetic theory) মাজত এক গভীৰ যোগসূত্ৰ স্থাপন কৰিবলৈ সক্ষম হোৱা নাই। তেতিয়াই তেওঁ "আপেক্ষিকতাবাদৰ" তত্ব গঢ় দিয়ে। (Relativity) আইনষ্টাইনৰ আগৰ বিজ্ঞানী সকলে ভাবিছিল আৰু গণ্য কৰিছিল যে কোনো এটা বস্তুৰ দীঘ, প্ৰস্থ আৰু বেৰহে থাকে। এই তিনিটা উপাদান থাকিলে কোনো এটা বস্তুক সেই সময়ত "স্থিৰ" বুলি গণ্য কৰা হৈছিল। কিন্তু আইনষ্টাইনে ক'লে যে- এই পৃথিৱীখন "গতিশীল" আৰু প্ৰসাৰিত" গতিকে গতিশীল বস্তুৰ ওপৰত স্থিৰ বস্তু থাকিব কেনেকৈ? ই সম্পূৰ্ণ সময়ৰ ওপৰত নিৰ্ভৰশীল, সময় আকৌ স্থানৰ ওপৰত নিৰ্ভৰশীল আগতে কেৱল দীঘ, প্ৰস্থ আৰু বেৰৰহে কথা কোৱা হৈছিল। কিন্তু আইনষ্টাইনে তাৰ লগত সময়ক যোগ দিলে। ইয়াক আপেক্ষিকতাবাদৰ 'ফট ডায়মেছন' (Fourth Dimension) বুলি আখ্যা দিয়া হয়। তেওঁ আপেক্ষিকতাবাদৰ তত্বৰে বিশ্বৰ সকলো গতিশীল বস্তুক সামৰি ললে আৰু এই সূত্ৰক তেওঁ নাম দিলে সাধাৰণ আপেক্ষিকতাবাদৰ সূত্ৰ।

ভৰ শক্তিৰ সমতুল্যতা গৱেষণা পত্ৰত আইষ্টাইনে উপস্থাপন কৰি বৰ্ণনা কৰি দেখুওৱাই যে 'ভৰ' শক্তি' দুয়োটাই সমতুল্য ৰাখি আৰু ইয়াৰ এটাক আনটোলৈ ৰূপান্তৰ কৰিব পাৰি। তেওঁ কলে যে ভৰ আৰু শক্তি হ'ল এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। এই সম্পৰ্কৰ সূত্ৰটো হ'ল E=mc2, যত E- শক্তি, m- ভৰ আৰু c- ভেকুৱাম মাধ্যমত পোহৰৰ বেগ। এই তত্ব উপাদন হোৱাত বিজ্ঞানৰ বহু সমস্যাৰ যৱনিকা পৰিল।

আইনষ্টাইনে তেওঁৰ ব্ৰাউনীয় গতিৰ গৱেষণা পত্ৰত উদ্ভিদ বিজ্ঞানী ৰৰ্বাট ব্ৰাউনৰ তত্বৰ ওপৰত গভীৰ ভাৱে আলোকপাত কৰি দেখুওৱাই। তেওঁৰ ব্ৰাউনীয় কণিকাৰ গতিবিধৰ ওপৰত দিয়া মন্তব্যটো হ'ল " The browhian particle an account of their random motion (medium). From the reason of higher conuntration to the lower conuntration" এই তত্বৰ ওপৰত দিয়া সূত্ৰৰ সমীকৰণক আইনষ্টাইনৰ ব্ৰাউনীয় গতিৰ সমীকৰণ বুলি আখ্যা দিয়া হয়। অলোক বিদ্যুৎ পৰিঘটনাৰ গৱেষণা প্ৰত্ৰত আইনষ্টাইনে ১৮৮৭ চনত হাটজে আৱিস্কাৰ কৰা আলোকবিদ্যুৎ পৰিঘটনাৰ ওপৰত বিশেষ ভাৱে আলোকপাত কৰে। এই পৰিঘটনাৰ বাবে তেওঁ পোহৰক সৰু সৰু 'ফটন' কণিস্কাৰ সমষ্টি বুলি গণ্য কৰি লৈছিল। কোনো এক

নিৰ্দিষ্ট ৰঙৰ পোহৰৰ কম্পনাংক যদি 'ন' হয় তেন্তে সেই ৰঙৰ পোহৰৰ ফটন এটাৰ শক্তি 'দন' বুলি বিবেচনা কৰি আইনষ্টাইনে আলোক বিদ্যুৎ পৰিঘটনাত নিৰ্গত হোৱা ইলেকট্ৰনৰ গতিশক্তিৰ বাবে এটা সমীকৰণ আগবঢ়াইছিল, যাৰ সহায়ত তেওঁ আলোক বিদ্যুৎ পৰিঘটনা নিখুট ভাৱে ব্যাখ্যা কৰিবলৈ সক্ষম হৈছিল।

**১৯২১** চনত এলবাৰ্ট আইনষ্টাইনক তেওঁৰ আলোক বিদ্যুৎ পৰিঘটনা (Photoelectric effect) আৰু ত্বাত্বিক পদাৰ্থবিজ্ঞানলৈ (Theorctical Physicist) আগবঢ়োৱা অৱদানৰ বাবে পদাৰ্থবিজ্ঞানৰ "নোৱেল বটা" প্ৰদান কৰা হয়।

এলবাৰ্ট আইনষ্টাইনে তেওঁৰ চিন্তা আৰু উৎকৰ্ষৰ দ্বাৰা পদাৰ্থবিজ্ঞানৰ ৰং ৰূপ সলনি কৰি পদাৰ্থবিজ্ঞানক এক নৱ পৰিক্ৰমাৰ উন্মেষ ঘটালে। যাৰ ফলত প্ৰতি সময়ত বিজ্ঞনে ন-ন তথ্যৰ উদ্‌ঘাটন কৰিব পাৰিছে। তেওঁৰ কষ্ট আৰু চিন্তাৰ দ্বাৰা আমি বৰ্তমানৰ বিজ্ঞানৰ জগতখনক দেখিবলৈ পাইছো। জীৱনৰ অন্তিম বেলাত কোৱান্টাম তত্বৰ দ্বাৰা নতুন সমন্বয় সাধন কৰি শেষ নৌহতে ৭৬ বছৰত এসজনা মহান বিজ্ঞানীয়ে ইহলীলা সম্বৰণ কৰে। যাৰ অৱদান অতুলনীয়।

•••••••••••••••••••••••

# কলাজ

✍ৰিতামণি বৰগোঁহাই

## কটন কলেজ ঃ নবীন বৰুৱা

যুদ্ধোত্তৰ যুগৰ অসমীয়া ঔপন্যাসিকসকলৰ ভিতৰত ঔপন্যাসিক নবীন বৰুৱাৰ নাম বিশেষভাৱে উল্লেখযোগ্য 'কটন কলেজ' - তেওঁৰ উপন্যাস লিখাৰ প্ৰথম প্ৰচেষ্টা।

কটন কলেজ মানেই যেন নষ্টালজিয়াৰ এখন শেষ নোহোৱা ট্ৰেইন। হাজাৰ হাজাৰজন কটনিয়ান, প্ৰাক্তন কটনিয়ান আৰু অকটনিয়ানৰ হৃদয়ত স্থাপিত হোৱা "কটন কলেজ"। বহুতে মৰম এৰি যোৱা আৰু বহুতে বেদনা এৰি যোৱা "কটন কলেজ" কটন কলেজৰ জীৱনৰ ওপৰত অসমীয়া ভাষাৰ প্ৰথমখন উপন্যাস "কটন কলেজ"। **১৯৬৫** চনতে ৰচনা কৰা নবীন বৰুৱাৰ এই "কটন কলেজ" আজিও সেই তাহানিৰ দৰেই একেই প্ৰাসংসিক।

নবীন বৰুৱাৰ 'কটন কলেজ' সপোন খেদি ঐতিহ্যমণ্ডিত কলেজলৈ অহা নিম্ন মধ্যবিত্তৰ জীৱনৰ কাহিনী। কলেজৰ চৌহদৰ পৰা হোষ্টেলৰ নিশালৈ এক জীৱন্ত বৰ্ণনা। নিৰঞ্জন বৰুৱাৰ মাধ্যমেৰে লেখকে ভাঙি ধৰিছে নিম্ন মধ্যবিত্তৰ জীৱনক, সপোন হেৰুৱাৰ যন্ত্ৰণাক আৰু কলেজৰ মাধ্যমেৰে অংকন কৰিছে অসমৰ এচোৱা সময়, প্ৰথমৰ পৰা শেষলৈকে প্ৰতিটো বাক্যতে পাঠকে সোমাই পৰিব 'কটন কলেজ'ত নিম্ন মধ্যবিত্তৰ জীৱন সংগ্ৰামত, জীৱনৰ পৰিধি চিনাক্ত কৰিবলৈ শিকোৱা মিনিৰ হাতৰ ভঙনীয়া পইছা কেইটামান কান্দিবলৈ শিকোৱা প্ৰতিজন নিৰঞ্জনে কটন কলেজলৈ আহি অসীম দিগন্তক বিলীন হৈ যোৱা মানুহৰ মৰম চেনেহে আবৰি থকা পৃথিৱী এখন যিদৰে আৱিস্কাৰ কৰিছিল, সেই পৃথিৱীখনলৈকে এখোজ-দুখোজকৈ আগবাঢ়ি যাবৰ বাবে প্ৰতিজন যুৱক-যুৱতীক জীৱনৰ প্ৰথম বাটতেই প্ৰেৰণা যোগাব নবীন বৰুৱাৰ 'কটন কলেজ' উপন্যাস।

"আপুনি কটন কলেজত পঢ়িছিল?
নাই পঢ়া,
আপুনি কট কলেজত পঢ়িছে?
নাই পঢ়া,
তথাপি এইখন কলেজ আপোনাৰ অচিনাকি নহয়। চিনাকি খুব মৰম লগাকৈ চিনাকি।"

"হোষ্টেলৰ ভিতৰত থকা ল'ৰাই ভাষাৰ কাৰণে প্ৰাণ আহুতি দিলে, শ্বহীদ হ'ল।"

**মায়াবৃত্ত- ড° ৰীতা চৌধুৰী ঃ-**

অসমীয়া সাহিত্য জগতৰ এগৰাকী কবি,

ঔপন্যাসিক আৰু সাহিত্য অকাডেমী বঁটা বিজয়ী সাহিত্যিক, তেখেতে ২০১৫ চনৰ জুলাই মাহৰ পৰা ২০২০ চনৰ জানুৱাৰী মাহলৈ নেচনেল বুক ট্ৰাষ্ট ভাৰতৰ সঞ্চালক হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল, তেখেত সম্প্ৰতি কটন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জেষ্ঠ্য প্ৰবক্তা কাৰ্যনিবাহ কৰি আছে।

'মায়াবৃত্ত' এখন অনন্য সুন্দৰ কিতাপ ড০ ৰীতা চৌধুৰীৰ প্ৰতিখন কিতাপেই মন যায় তাৰ ভিতৰত মোৰ অতিকৈ প্ৰিয় বুলি ক'লে মায়াবৃত্তৰ কথা মনলৈ আহে, কিতাপখনৰ প্ৰতিটো কথাতে যেন সাৱলীল বৰ্ণনা, প্ৰতিটো চৰিত্ৰই চিনাকী কৰি দিছে সমাজখনৰ লগত, প্ৰকৃতি প্ৰেম বন্ধুত্ব, উচ্চ নীচৰ মানসিকতাবোৰ ইত্যাদি বিলাকে সঁচাকৈ মনত সাঁচ বহুৱাইছে বাৰে বাৰে পঢ়িও যেন আমনি নালাগে বিশেষকৈ নদী পাহাৰ প্ৰকৃতি ভালপোৱা অকণমানি পুত্ৰী জনীৰ পৰা যে নাৰীলৈ পৰিৱৰ্ত্তন হোৱা আৰু অনন্য ব্যক্তিত্ব অধিকাৰী সুবৰ্ণ, এই চৰিত্ৰ কেইটাই এক অনন্য শিকাই গ'ল এই কিতাপখনৰ মাজেৰে, কিতাপখন পঢ়া সকলোৰে হয়তো এই কথাবোৰ জ্ঞাত। নপঢ়া সকলে কিতাপখন পঢ়িব বুলি আশা ৰাখিলোঁ।

"জীয়াই থাকিম বুলি ঠিক কৰা মানুহক কোনেও মাৰিব নোৱাৰে"

"কলা হ'লো বুলিয়েই মই জানো সৌন্দৰ্যহীন?"

## "নাহৰৰ নিৰিবিলি ছাঁ- অনুৰাধা শৰ্মা পূজাৰী,

অনুৰাধা শৰ্মা পূজাৰী - অসমৰ এগৰাকী বিশিষ্ট্য ঔপন্যাসিক গল্পকাৰ, সাংবাদিক, শিক্ষাবিদ আৰু আলোচনী সম্পাদনা, গুৱাহাটীৰ পৰা প্ৰকাশিত 'আমাৰ অসম' কাকতত সাংবাদিকতা আৰু পিছত সাদিন গোষ্ঠীত যোগদান কৰে। বৰ্তমান 'সদিন' কাকতত সম্পাদক হিচাপে কৰ্মৰত, ২০১৩ চনত সাহিত্য আৰু সংবাদ সেৱাৰ স্বীকৃতি স্বৰূপে তেখেতক 'কেৰনেছাঁ অসম বঁটা' প্ৰদান কৰা হয়, সম্প্ৰতি তেখেতে বিষ্ণু ৰাভা বঁটাও লাভ কৰিছে।

'নাহৰৰ নিৰিবিলি ছাঁ' শ-হাজাৰ শিক্ষাৰ্থীৰ তেজাল যৌৱনৰ জীৱন্ত সাক্ষী হৈ সগৌৰৱে থিয় দি আছে ডিব্ৰুগড় বিশ্ববিদ্যালয় সময়ৰ আচোৰে কোঙা কৰিব নোৱাৰা শাৰী শাৰী নাহৰ গছেৰে আবৃত্ত আশ্ৰম যেন চৌহদৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ আৰু প্ৰাক্তন ছাত্ৰী ভাস্বতী চলিহাৰ মন পড়ি অহা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৰিত্ৰৰ মুখেৰে লেখিকাই মনত সাঁচ পেলাই যাব পৰাকৈ বিভিন্ন বিষয়ৰ অৱতাৰণা কৰিছে, নাহৰৰ দেশৰ স্মৃতিৰ পাওঁ লুটিয়াই লেখকৰ দৰেই পাঠকও হৃদয়ংগম কৰিব পাৰে সেই অমোঘ সত্য।

"স্মৃতি এনে এক প্ৰেম যি বিচ্ছেদৰ পিছতো লগ এৰা নিদিয়ে"

"কেয়াৰলেছ আৰু বিবেচনা শূণ্যভাৱে মানুহক বিশ্বাস কৰা উচিত নহয়"

"Friendship improves Happiness, Better are the blows of a friend than the fake kisses of an enemy, শত্ৰুৰ চুমা মোক নালাগে, বন্ধুৰ ভুক এটাহে বিচাৰো"

## "বকুল ফুলৰ দৰে"-মৃণাল কলিতা

মৃণাল কলিতা ঃ অসমৰ এগৰাকী শিশু সাহিত্যিক, গল্পকাৰ ঔপন্যাসিক আৰু নিৱন্ধকাৰ, বৰ্তমান তেখেত গুৱাহাটীৰ পাণ্ডু মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক, শেহতীয়াকৈ তেখেতে সাহিত্য অকাডেমিৰ আমন্ত্ৰণ ক্ৰমে কেৰালা সাহিত্য অকাডেমিৰ প্ৰেক্ষাগৃহত 'মাইৰল্ড' মাইৰাইটিং শীৰ্ষক বক্তৃতা প্ৰদান কৰিছিল, তেখেতৰ "বকুল ফুলৰ দৰে" শীৰ্ষক শিশু উপন্যাসৰ বাবে ২০২১ চনত শিশু সাহিত্য অকাডেমি বঁটা লাভ কৰিছে।

'বকুল ফুলৰ দৰে' - এখন অনবদ্য মন চুঁই যোৱা মন কাঢ়ি নিয়া উপন্যাস, মামনি ৰয়ছম গোস্বামীয়ে সুধাকণ্ঠ গীতত অৱগহন কৰি লিখিছিল "ভূপেনদা, তোমাৰ কণ্ঠ হৃদয়ত সোমাব পাৰে নাজানে ওলাই অহাৰ বাট-" এইখন উপন্যাসৰ কাহিনীৰ ক্ষেত্ৰত সেই পৰ্যায়ৰ এটা উক্তি অত্যুক্তি নহ'ব যেন বোধ হয়, ঔপন্যাসিক নিজেই এজন গণিতৰ শিক্ষক, ছাত্ৰ হিচাপে তেখেত আছিল অতি মেধাবী, গতিকে কিশোৰৰ মনোজগত খনত বিচৰণ কৰিবৰ জোখাৰে পৰিপক্ক হৈ উঠা মনটোৰে তেখেতে অসীম আৰু নিৰ্মলৰ চৰিত্ৰ দুটা অংকন কৰিছে, কাহিনীৰ অগ্ৰগতিৰ কোনো কোনো পৰ্যায়ত ঔপন্যাসিকে বাচি লোৱা শব্দবোৰ ইমান সংবেদনশীল হৈছে যে, ই এক আৱেগিক পৰিৱেশৰ সূচনা কৰি পটুৱৈৰ নিজৰ অজ্ঞাতে দুচকু সেমেকাই তুলিছে,

ঔপন্যাসিক মৃণাল কলিতাই পাঠকক উদ্দেশ্য লিখিছে - "পৰীক্ষা- নিৰীক্ষাই সৃষ্টি কৰ্ম কৰ্টাক পাঠকৰ বাবে জটিল কৰিব পাৰে কিন্তু পৰীক্ষা -নিৰীক্ষাই সৃষ্টি কৰ্ম এটাক কেতিয়াবা সহজ সৰল কৰিও কিয় নুতোলে। 'বকুল ফুলৰ দৰে' আছিল ছিৰিয়াছ বিষয় এটাক লৈ কৰা সেই সম্পৰীক্ষা- এটা প্ৰত্যাহ্বানো প্ৰিয় পাংক, বকুল ফুলৰ দৰে আপোনালোকৰ কিতাপ"

"দুয়োজনেই ষ্টেণ্ড কৰিছে। নিৰ্মল তিনি নম্বৰত আৰু অসীম সাত নম্বৰত।

# মনোজগত

দীপাঞ্জলি ডেকা
ষষ্ঠ ষান্মাসিক, প্ৰাণী বিজ্ঞান)

মন স্বাধীনমনা। যাৰ পৰিসীমা নাই, শিকলিৰে যাক বান্ধিব নোৱাৰি, য'ত দেৱাল দিব নোৱাৰি উচ্চ-নীচ-ধৰ্ম-বৰ্ণৰ। নিজেই নিজক প্ৰাধান্য দি মনৰ মাজত এখন ধুনীয়া জগত সাজি, সাতোৰঙী ৰামধেনুৰ ৰং বুলাই য'ত দিব পাৰি সেয়াই মনোজগত। এখন আমাৰ ভাললগা পৃথিৱীত বিনাদ্বিধাই সপোন দেখিব পাৰি হেঁপাহ পলুৱাই।

মনোজগতৰ এক সুকীয়াই বৈশিষ্ট্য। কল্পনাৰ ৰহণ আনি যাক ৰঙীন কৰিব পাৰি, যি দৃশ্যমান চকুৰে নহয় যদিও আমাৰ পঞ্চইন্দ্ৰিয়ই অনুভৱ কৰিব পাৰি। এই যে ফুলপাহ ফুলিলে মনটি ৰঙীণ হৈ পৰে, সূৰুযে ৰাঙলী হৈ ধৰা দিলে সজীৱ অনুভৱ হয় জোনৰ মধুৰ হাঁহিত শান্তিৰে টোপনি যোৱাৰ হেঁপাহকণ জাগে, চৰাইৰ কাকলিত মনটি নাচি উঠে এই সকলোবোৰ মনোজগতৰ পৰিঘটনা। ঋতুয়ে বাগৰ সলালে হোৱা প্ৰকৃতিৰ পৰিৱৰ্তন, পৃথিৱীৰ আহ্নিক, বাৰ্ষিক গতিৰ লগে লগে সময় বাগৰি গৈ আছে, বয়স ৰৈ থকা নাই.. এই কাৰকৰ উপলব্ধিৰ আঁৰত আছে মনোজগত কেৱল মানৱ জীৱন নহয়, পৃথিৱীত জীয়াই থকা প্ৰতিটো প্ৰাণীয়ে উপলব্ধি কৰিব পৰা পৰিৱৰ্তনবোৰ সামৰি মনোজগতক বহল পৰিসৰত অন্তভূৰ্ক্ত কৰিব পাৰি।

সপ্তমযুৰ ৰাগ-ৰাগিনীৰ সৃষ্টিৰ মূলত ঃ মনোজগত মনোজগততেই ৰহণ সানি সৃষ্টি কৰিব পাৰি মনপৰশা গীত। যি গীতে বাস্তৱ জীৱনৰ সাময়িক দুখ-বেদনাৰ পৰা কিছু পৰ হ'লেও সকাহ দিয়ে, মনলৈ আনে প্ৰশান্তিৰ বন্যা প্ৰাচীন কালৰে পৰা এই সপ্তসুৰৰ চৰ্চত গুৰুত্ব দিয়া দেখা যায়, অৰ্থাৎ মনোজগতক প্ৰাধান্য দিয়া এটা নতুন বিষয় নহয়। ৰং তুকিৰ ছবি অংকন কৰাও সম্ভৱ এই মনোজগতৰ বাবেই। আদিম কালতে আদিম মানৱে গুহাত চিত্ৰ অংকন কৰা-এয়াই প্ৰমাণ কৰে যে মানুহ সৃষ্টিৰ পৰাই চলিত মনোজগত।

মনোজগতৰ শক্তি এক অদৃশ্য শক্তি। মানুহৰ ইচ্ছা শক্তিয়ে যিকোনো অসম্ভৱ কামেই কৰিব পাৰে। প্ৰযুক্তিবিদ্যায়ো এয়া সুন্দৰভাৱে উপস্থাপন কৰিছে যে মানুহৰ শাৰীৰিক সুস্থতা আৰু সুস্থ মন এটা আনটোৰ পৰি পূৰক। মহান ব্যক্তি ষ্টিফেন হকিঙ শাৰীৰিকভাৱে অক্ষম হলেও কেৱল মনৰ জোৰতেই অলেখ গ্ৰন্থ ৰচনা আৰু বিজ্ঞান জগতলৈ অমূল্য অৱদান আগবঢ়াই গৈছে। চিকিৎসা শাস্ত্ৰত মানুহৰ অধ্যয়ন আৰু প্ৰক্ৰিয়াসমূহ অধ্যয়ন কৰা বিভাগক চাইক'লজি বুলি কোৱা হয়। অথাৎ মানসিকভাৱে অক্ষম হ'লেও এজন ব্যক্তিৰ স্বাভাৱিক জীৱন-যাপন স্তব্ধ হব পাৰে। আধ্যত্মিক দিশতো ইয়াৰ যথেষ্ট গুৰুত্ব আছে। মন-প্ৰাণ একত্ৰিত কৰি কেৱল এটি অদৃশ্য শক্তিক উৎস হিচাপে লৈ অধ্যয়ন কৰাই হৈছে আধ্যত্মিক। অন্তৰাত্মাক উপলব্ধি কৰিব পাৰিলে মানসিক শান্তি পাব পাৰি যিয়ে দুখ-কষ্ট লাঘৱ কৰিব পাৰে। মনৰ উচ্চকাংক্ষাই বহুতো দুঃসাহসিক কাম সাধন কৰিছে, অভাৱবোৰ পূৰণ কৰিছে। মনোজগত এক কম পৰিসৰত সামৰিব পৰা বিষয় নহয় আৰু ইয়াৰ কাৰক বোৰেই ইয়াক এখন সুকীয়া আসন দিছে।

# "অসমীয়া চাহ জনগোষ্ঠীৰ লোকসকলৰ কৰম পূজা"

✍ বিষ্ণু প্ৰধান,
ষষ্ঠ যান্মাসিক

অসমীয়া মাহৰ অন্যতম গুৰুত্বপূৰ্ণ মাহ বলিলেও ভাদ মাহৰ প্ৰসংগ মনলৈ আহে। বহুতে এই ভাদ মাহটোক ডাঙৰ মাহ বুলিও কয় আৰু বহুতে অসমীয়া মাহৰ অন্যতম পবিত্ৰ মাহ হিচাপে গণ্য কৰে। এই ভাদ মাহতেই মহাপুৰুষ দুজনাৰ জন্ম গ্ৰহণ কৰিছিল আৰু জগত পালক ত্ৰাণৰ্কতা শ্ৰীকৃষ্ণৰ জন্ম হৈছিল। সাধাৰণতে ভাদ মাহৰ পৰা পূজা পাৰ্বন আৰম্ভ হয়। অসমৰ নামঘৰ তথা সত্ৰ সমূহত হৰিনামৰ ধ্বনিৰে এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। দোকান বজাৰত বুট, মগু, কল, নাৰিকল, কুঁহিয়াৰ গ্ৰাহকৰ মাজত যথেষ্ট চাহিদা বৃদ্ধি পায়। ভাদৰৰ আগমনে চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজতো এক সুখৰ বতৰ আনে, এই আগমনে চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজতো এক সুখৰ বতৰ আনে, এই কথাৰ প্ৰমাণ দিয়ে ভাদৰ মাহৰ শুক্লা একাদশীৰ দিনা কাৰণ ভাদৰ মাহৰ শুক্লা একাদশীৰ দিনা কৰম পূজাৰ আৰম্ভণি হয়। কৰম পূজা হৈছে অসমৰ চাহ জনগোষ্ঠীসকলৰ মাজত এক সৰ্বজনীন জনপ্ৰিয় আৰু তাৎপৰ্য্যপূৰ্ণ অনুষ্ঠান ভাদ মাহৰ শুক্লা একাদশীৰ কৰম পূজাৰ কথা কয় শেষ কৰাটো প্ৰায় অসম্ভৱ কৰম পূজা মুখ্যত এক কৃষিভিত্তিক পূজা কৃষিকাৰ্যত যাতে প্ৰকৃতিৰ পৰা একো বাধা পোৱা নাযায় আৰু শস্যৰ উৎপাদন ভাল হয় তাৰ উদ্দেশ্যে এই পূজা পালন কৰা হয়। এই সময়ছোৱাত জলবায়ু খুব সুন্দৰ হয় কাৰণ এই সময় বৰ্ষাকালৰ সময়। বৰ্ষাকালত যথেষ্ট পৰিমাণে বৰষুণ হয় আৰু ৰ'দৰ প্ৰকোপ যথেষ্ট পৰিমাণে দেখা পোৱা যায়। খেতিবাতি উন্নতমানৰ হবলৈ হলে ৰ'দ আৰু বৰষুণ অতি আৱশ্যক আৰু এই সময়ছোৱাত ৰ'দ আৰু বৰষুণৰ পৰিমাণ প্ৰায় একেই হোৱাৰ বাবে এই সময়খিনি খেতিৰ বাবে উপযোগী হয়। কৰম পূজা যদিও কৃষি ভিত্তিক তথাপিও এই পূজা চাহ জনগোষ্ঠীৰ লোক সকলৰ বাবে আবেগ, বহু আকুলতাৰে চাহ জনগোষ্ঠীৰ লোক সকলে কৰম পূজা আয়োজন কৰে। স্থানভেদে যেনে ঝাৰখণ্ড, উৰিষ্যা, পশ্চিমবঙ্গ আদিত এই পূজা সামান্য অমিল হ'লেও মূলতঃ ইয়াৰ সম্বন্ধ প্ৰকৃতিৰ সৈতে অসমত কৰম পাৰব বা কৰম পূজা বছৰৰ তিনিটা সময়ত আয়োজন কৰা হয় যদিও ভাদ মাহৰ কৰম পূজা উল্লেখযোগ্য অসমত ভাদ আহিন আৰু আঘোন মাহত কৰম পূজা পালন কৰা হয়। বিশেষকৈ ভাদ মাহটোতে কৰম আয়োজন কৰি নিজৰ নীতি নিয়মেৰে পূজা অৰ্চনা কৰে আৰু আখৰত ডেকা গাভৰুৱে কৰম নাছে। ক'ৰবাত তিনিদিন কৰবাত পাচ দিন আৰু ক'ৰবাত সাত দিন ধৰি এই পূজা পালন কৰা হয়। ভাদ মাহৰ শুক্লা একাদশী তিথিত উদযাপন কৰা কৰম পূজাক জীতিয়া কৰম বোলে। আহিন মাহৰ বিজয়া দশমীৰ দিনা উদযাপন কৰা কৰমক বুড়ী কৰম বোলে। আকৌ আঘোণ মাহৰ পূৰ্ণিমা তিথিত উদযাপন কৰা কৰমক বাস ঝুমুৰ বোলে। কৰম জাৰা কৰম পূজাৰ জাৱা জগোৱা নামৰ অনুষ্ঠানটোৱেই আটাইতকৈ আৱশ্যকীয় আৰু শ্ৰেষ্ঠ অনুষ্ঠান বুলি গণ্য কৰা হয় কাৰণ ইয়াত মুখ্যত চাহ জনগোষ্ঠীৰ গাভৰুসকলে আগভাগ লয়। এওঁলোকক "কৰমতী আখ্যা দিয়া হয়। এই পূজাৰ সময়ত যিসকলে ব্ৰত ৰাখিব বিচাৰে তেওঁলোক পাঁচ বা সাত দিন মানৰ পৰা ব্ৰতত থাকি ঢোল,তাল বাঁহী আদি বজাই নৈবেদ্য সহকাৰে নৈৰ ঘটিলৈ গৈ গা ধুই আৰতি কৰি লগত নিয়া নতুন পাচ এটাত সকলোৱে একো আজিলৈকে বালি ভৰাই তাতে কৰমতীসকলে নিয়া মাটিমাহ, বুতমাহ, মগুমাহ, ধান বজৰা সৰিয়হ আদি ব্যক্তিগতভাৱে চিন ৰাখি সকলোৱে সিঁচি দিয়ে। নিৰ্দিষ্ট পূজাৰ দিনলৈ মাহ-সৰিয়হ আদিয়ে গঁজালি মেলে এই গজালি মেলা অৱস্থাটোক জাৱা বোলা হয়। শুক্লা একাদশী ৰতিত পৰম আৰাধ্য দেৱতাক স্মৰণ কৰি পূজাৰ শুভাৰম্ভী কৰা হয়, এই পূজাত মূলতঃ ধৰ্ম আৰু কৰ্মৰ জৰিয়তে মানৱ জীৱনৰ উৎকৰ্ষ সাধন কৰিবলৈ বিচৰা হয়। পূজাৰ বিভিন্ন পৰ্য্যায়ত ধৰণৰ ঝুমুইৰ গীত আৰু ঝুমুইৰ নৃত্য এই নৃত্যৰ বিষয়ে জানিবলৈ আমি ঝুমুইৰ শব্দৰ অৰ্থটো জানিব লাগিব, কিয়নো ইয়াৰ অৰ্থত ইয়াৰ সংজ্ঞা বিচাৰি পোৱা যায়। ঝুমুৰ শব্দটো মূলত চাওঁতলী মুণ্ডাৰি ভাষা ঝুম অথাৎ

মানুহৰ জুম বা ভীৰ আৰু অইৰ অৰ্থাৎ ঘেৰি ধৰা শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। এই কথাৰ পৰা আমি বুজিব লাগিব যে ঝুমুৰৰ অৰ্থ হৈছে কিছু সংখ্যক লোকে এজনে আনজনক ঘেৰা ঘেৰিকৈ ধৰি কৰা লোক নৃত্য। মানুহে বিশেষকৈ গাভৰুসকলে শাৰী পাতি ইজনে আনজনৰ হাতে ধৰি আখৰাত ঘূৰি ঘূৰি কৰা নৃত্যই হৈছে ঝুমুৰ নৃত্য। কৰম পূজাত, বিশেষকৈ জাৱাত ঝুমুৰ বা ঝুমুই গীত-নৃত্যৰ বিশেষ ভূমিকা আছে। কৰম জাৱাৰ প্ৰথম দিনা কৰমতী বা নাৰীসকলক প্ৰাধান্য দি ঝুমুই গীত তলত উল্লেখ কৰা ধৰণে গোৱা হয়।

কৰম কৰম কহলে আয়ো
কৰম কৈ -দি কৈসে আয়ো
শাওন ভাদ চইলে গেল ৰে
কুমাৰী ছড়ী কৰম গাড়েৰে

ঝুমই গীত আৰু নৃত্যৰ আৰম্ভণিত শ্ৰীহৰি, ঢোল, মাদল, ব্ৰজনাৰী আদিৰ উদ্দেশ্যে পৰম্পৰাগত ভাৱে গীত-মাত পৰিৱেশন কৰা হয়। এই গীতবোৰত শ্ৰীকৃষ্ণৰ লীলা -খেলা আৰু ৰামায়ণ-মহাভাৰতৰ কাহিনী বৰ্ণোৱা হয়। প্ৰহৰ অনুসৰি ঝুমুই গীতৰ সুকীয়া বৈশিষ্ট্য থাকে। সেই সকলে এইবোৰক ঝিগা ফুলীয়া গীত সোণফুলীয়া গীত গলবাৰীয়া গীত ভিনচৰীয়া গীত আদি নামেৰে নামাকৰণ কৰে। কৰম পূজা হোৱাৰ আগে আগে বয়োজ্যেষ্ঠ এজন এনেকৈ ঝুমুই আখৰা আৰম্ভ কৰে।

আখৰা বন্দনা কৰি
সৰস্বতী মা কে ধৰি
আখৰা বন্দনা ব্ৰজনাৰী
মদনে ঝুমুই লাগল ভাৰী

বয়োজ্যেষ্ঠ সকলে আখৰাত বন্দনা কৰাৰ পাছত পাছদিনাৰাতিপুৱা ভিনচৰীয়া গীত গাই আখৰা সমাপ্ত কৰা হয় আৰু কৰমতীসকলে সাতখন আঞ্জাৰে বাহীভাত খাই কৰম দেৱতাক নৈত উটুৱাই দিয়ে। এই মুহূৰ্তত সকলোৰে ৰঙীন মনবোৰ উদাসত পৰিণত হয় আৰু বিষাদ মনেৰে ঝুমুই গোৱা হয়।

দেহো দেহো কৰম গসাই
দেহো আশিসযে, দেহো আশিস
আৰত ভাদ মাস
আন ঘূৰাই।

এই মুহূৰ্তত সকলোৱে আবেগিক হৈ কৰম দেৱতাক স্মৰণ কৰি প্ৰাৰ্থনা কৰে, কৰম দেৱতাই যাতে সকলোকে আশীৰ্বাদ দিয়ে আৰু আগন্তুক ভাদ মাহ সোনকালে ঘূৰাই আনে। শেষত ঝুমুই গীতেৰে কথা কটা-কটি কৰি ডেকা গাভৰুসকলৰ ঘৰমুৱা হয় আৰু কৰম পূজাৰো সামৰণি পৰে।

# নাৰী

বেবী নায়ক
শ্ৰেণী - স্নাতক চতুৰ্থ যানুষিক
পদাৰ্থ বিজ্ঞান বিভাগ

মানুহ সামাজিক আৰু সমাজ প্ৰিয় প্ৰাণী সমাজ অবিহনে কোনো সভ্য মানুহেই আজিৰ জগতত বাছি থকাৰ কল্পনাই কৰিব নোৱাৰে। প্ৰত্যেক সমাজৰ প্ৰতিজন ব্যক্তিয়েই সেই সমাজৰ আদৰ্শ। ৰীতি নিতি আচাৰ আচৰণ ভাষা সংস্কৃতি আদিৰ দ্বাৰা প্ৰভাৱিত আৰু পৰিচালিত। সমাজতেই সমাজৰ একোজন সদস্য হিচাপে ভিন্ন ভিন্ন অভিজ্ঞতা আৰু গুণ যেনে দয়া, ক্ষমা প্ৰেম, প্ৰীতি, সাধুতা, নম্ৰতা, ধৰ্মনিষ্ঠা, সত্যবাদিতা, আনুগত্য সহযোগিতা, সমাজ চেতনা আদি মানবীয় আৰু সজ গুণ সমূহ আয়ত্ব কৰি বিকাশ লাভ কৰিব পাৰে।

যান্ত্ৰিকতাৰ যুগত সময় সলনি হোৱাৰ লগে লগে আমিবোৰ আগবাঢ়ি গৈ আছো। যদিও আমাৰ মাজত এতিয়াও এনেকিছুমান মানসিকতা আছে যিয়ে আধুনিক যুগত বৰ্তমান সমাজত য'ত পুৰুষৰ স্থান নাৰীৰ তুলনাত বেছি। এগৰাকী ছোৱালীয়ে হে বুজিব পাৰিব যে আমি বহুক্ষেত্ৰত নিজকে সৰু কৰি ৰাখিব লগীয়া হৈছে। যিহেতু

মই এগৰাকী ছোৱালী গতিকে ভালদৰে বুজিব পাৰিছো।

মুক্তি মানুহৰ চিৰ কাম্য। কোনো মানুহে বন্দি হৈ জীৱন কটাব নিবিচাৰে। মুক্তিৰ আন এটা নাম স্বাধীনতা। মুক্তি বিচৰাটো প্ৰত্যেক জীৱৰে জন্মগত প্ৰবৃত্তি। কিন্তু আমি আজিও মুক্ত বতাহত ডেউকা মেলি উৰিব পৰা নাই। এনেকুৱা কিয় হৈছে আপোনালোকে নিশ্চয় বুজিব পাৰিছে চাগে। নাৰী আজি দুৰ্বল হোৱাৰ কাৰণ কিছু পৰিমাণে হ'লেও আমাৰ সমাজ খনেই নহয় জানো? বৰ্তমান আধুনিক যুগতো বহুতো সমাজৰ এনে মানুহ আছে য'ত ফুলপাহ ফুলাৰ আগতেই কলিটো চিঙি পেলাব বিচাৰে বা চিঙি পেলাই। এনেকুৱা কিয়? বহুতো সমাজত ছোৱালী জন্ম হোৱাৰ বাবে পিতৃ সহ পিতৃৰ পৰিয়ালে সন্তানক হত্যা কৰা, পত্নীক ঘৰৰ পৰা উলিয়াই দিয়া দেখা গৈছে। কি ভুলৰ বাবে এনেবোৰ সহ্য কৰিব লগিয়া হ'ল। সেই কণমাণি শিশুটি। ভুল চাগে এইয়াই যে তাই এজনী কন্যা ৰূপে জন্ম গ্ৰহণ কৰিছিল। কথাষাৰ অপ্ৰিয় যদিও সত্য। বৰ্তমান সময়ত সমাজবোৰে সদায় পুৰুষক আগস্থান দিয়া পৰিলক্ষিত হৈছে। সমাজ খনলৈ চকু দিয়াৰ আগত যদি আমাৰ ঘৰখনলৈ মন কৰো। হয়তো আমাৰ বুজাত সহজ হ'ব যে-আমাৰ মা-দেউতাই তেওঁৰে সন্তান ল'ৰা ছোৱালীৰ মাজত থকা তুলাচানী খনত ল'ৰাৰ ওজন যেন অলপ হ'লেও বেচি সেই কথাত গুৰুত্ব দিয়ে।

যদি বাস্তৱ জীৱনৰ ঘটনাবোৰলৈ পৰিলক্ষিত কৰা হয় এজনী ছোৱালীয়ে লৰাৰ তুলনাত মাক-দেউতাকৰ প্ৰত্যেকটো কথা তেওঁলোকৰ ইচ্ছা আশা আকাংক্ষাৰ মতে কৰিব নোৱাৰিলেওঁ তেওঁলোকৰ ভাৱনাবোৰৰ কিচু পৰৰিমাণে হ'লেও সন্মন কৰিবলৈ চেষ্টা কৰিছে। ভাল লগা কামবোৰ কৰিবলৈ লৈয়ো থমকি ৰয়, প্ৰশ্ন কৰে যে তেওঁলোক বেয়া পাব নেকি? কিন্তু ল'ৰাৰ ক্ষেত্ৰত দেখাযায় যে- "মোক লাগিবই মোক দিয়া" এই বাক্যশাৰী ল'ৰাৰ জিভাৰ আগত থাকে তাৰ তুলনাত এজনী ছোৱালীক যদি চোৰা হয় এ বাক্যশাৰীৰ কাষ চাপিবলৈ সাহস অলপ হলেও কম হয়।

এজন ল'ৰাই নিশা দহ বাৰ বজাত ঘৰৰ বাহিৰত থাকিলেও সমাজে দুযাৰূপ নকৰে। তাৰে তুলনাত যদি আমি ছোৱালীবোৰ যদি কিবা বিশেষ কাৰণত সন্ধ্যা ৬-৭ বজালৈ ঘৰৰ বাহিৰত থাকিব লগা হয়? সমাজত অতি কম সময়ৰ ভিতৰতে উৰা বাতৰিৰ সৃষ্টি হয়। তেনে ক্ষেত্ৰত ছোৱালীবোৰ কুকাৰ্য, লুণ্ঠন, ধৰ্ষণ আদিৰ বলি হব লগা হয়।

আকৌ কেতিয়াবা পৰিচয় হীনতাৰ আশ্ৰয়ত নিজকে ছোৱালী বুলি পৰিচয় দি আমি যেন বহুত সৰু হৈ যাওঁ। সমাজৰ কিছু সংখ্যক লোকে ভাবে যে- ল'ৰা নথকা ঘৰখনত সূৰ্য্যৰ পোহৰ নপৰে, এগচি আশাৰ হেপাহৰ সপোনৰ চাকি নজ্বলে। যি খন ঘৰত ল'ৰা নাথাকে সেইখন ঘৰৰ প্ৰতি সন্মান সহকাৰে চকু দিবলৈ সমাজৰ কিছু সংখ্যক লোকে কোষ্ঠাবোধ কৰে।

নাৰীক নাৰীয়ে সন্মান নিদিয়ে সমাজ খনে কেনেকৈ দিব। এগৰাকী নাৰীক যদি আন এগৰাকী নাৰীয়ে সন্মান নকৰে তেওঁক আস্থা নিদিয়ে, তেওঁক সহযোগ নকৰে তেনেক্ষেত্ৰত সমাজখনে সহযোগ সন্মান কৰিব জানো? যদি আমি আনৰ দুখৰ সমভাগী হব নোৱাৰো অনৰ্থক কাৰণত তেওঁক নিন্দা কৰাৰো অধিকাৰো নাই, যদি আমি আনক সন্মান দিব নোৱাৰো আনৰ অপমান কৰাৰো অধিকাৰ নাই। যিগৰাকী নাৰীয়ে 'মা' শব্দটো এবাৰ শুনি পোৱাৰ হেপাহ কিমান, বুকুত কাৰোৱাক শুৱাই থোৱাৰ আগ্ৰহ কিমান সেই গৰাকী নাৰীয়েহে বুজি পায়। কি নোপান কৰিলে তেওঁ। তথাপি কিয় পুৱাই দেখিলে যাত্ৰা বেয়া হয়, কুলণীয়া অসুভ আদিবোৰ কৈ দোষাৰোপ কৰে। মাংগলিক কাৰ্য্যত সমাজ খনে কিয় এইবোৰ মিছা অবাস্তৱ ধাৰণাক আদৰণি জনাই সমাজখন আগবাঢ়ি গৈ আছে।

এজনীছোৱালী যেতিয়া এখন ঘৰৰ পৰা আন এখন ঘৰলৈ বিবাহৰ বন্ধনৰ ফলত যায়, তেতিয়া কিছু পৰিয়ালৰ ক্ষেত্ৰত দেখা যায় যে- স্বামী মদৰ ৰাগীত মাতাল হৈ পত্নীক দুৰ্বাৰ অত্যাচাৰ কৰে। শহুৰ শাহুৰেকৰ লগত ঘৰখনৰ সকলো সদস্যয়ে অত্যাচাৰ কৰে। নাৰী গৰাকীৰ দুখ বেদনাৰ সিক্ত চকুলো কাৰো চকুত নপৰে। নাৰী গৰাকীয়ে সকলোবোৰ নীৰৱে সহ্যকৰে। মানুহবোৰ কেনেদৰে ইমান নিৰ্দয়ী হব পাৰে। মানুহবোৰৰ নাৰী গৰাকীৰ প্ৰতি অলপো মমতা সহানুভূতি নাই নে? পত্নীৰ মৃত্যুৰ কিছুদিনৰ পিছত যদি স্বামীয়ে বিবাহ কৰে সেইয়া সমাজে সাধাৰণ কথা বুলি আদৰি লয় আৰু কয়- বেচেৰাটোৱে ভালেই কৰিলে, অকলে কিনো কৰিব? কিন্তু সেই একেটোই নাৰী এগৰাকীৰ ক্ষেত্ৰত হয় তেতিয়া সাধাৰণ বুলি সহজ ভাৱে আদৰি লব নোৱাৰে কিয়?

সঁচাকৈয়ে প্ৰতিটো মূহুৰ্ততে যেন আনৰ ইচ্ছা আনৰ সপোন আনৰ আশাবোৰেই কৰি আছে, নিজে স্ব-প্ৰতিষ্ঠিত হোৱাৰ পাচতো ক'ৰবাত হীন হৈ পৰে কাৰণ

তেওঁ আন কাৰোবাৰ অধিকাৰী। সমাজে নাৰী এগৰাকীক তেওঁৰ মতে জীয়াই থকাত বাধা দিয়ে। কি অধিকাৰত বাধাদিয়ে? অবিবাহিত এগৰাকী নাৰীয়ে বিবাহক জীয়াই থকাৰ লক্ষ্য বুলি গ্ৰহণ নকৰিবও পাৰে। তেওঁ নিজৰ জীৱনটো অকলশৰে উপভোগ কৰিবৰ ইচ্ছা কৰিবও পাৰে, কিন্তু কিয় সমাজ খনে তেওঁক আমনি কৰে, বিভিন্ন প্ৰকাৰৰ প্ৰশ্নৰে বিভিন্ন কথা উলিয়াই। "এইজনী বিয়া নহয় নেকি? সদায় মাক-দেউতাকৰ ওপৰত চলিব নেকি? সদায় মাক-দেউতাকৰ ঘৰতেই থাকিব নেকি?

কিয় বাৰু এনেকুৱা? জন্মহোৱা ঘৰখনতো শান্তিৰে জীয়াই থাকিব নোৱাৰে নেকি? এগৰাকী নাৰীয়ে বহুতো তিক্ত অভিজ্ঞতাৰ মাজেৰে নিৰৱে জীৱন কটাব লগা হয় কিয়? এইয়া মোৰ মনৰ এক খো-দোৱনিয়েহে, পোন পটীয়াভাৱে কাকো দোষাৰূপ কৰিব বিচৰা নাই। বহুতো নিতী নিয়মবোৰ আমাৰ সমাজখনত অতীতৰ পৰাই আগস্থান পাই আহিছে। যদিও পশ্চিমীয়া সংস্কৃতিয়ে আমাৰ চাৰিও দিশত প্ৰভাৱ পেলাইছে। তথাপিও কিছুমান মানুহৰ মানসিকতা সলনি কৰিব পৰা নাই। এই পুৰণি ধাৰণাবিলাক আতৰাই সমাজ খন সুন্দৰ কৰি গঢ়ি তুলিবলৈ নাৰীয়ে নাৰীক সহযোগ কৰিব লাগিব। সমাজখনে নাৰীক সন্মান তথা সহযোগ কৰিব লাগিব।

"নাৰীক সহযোগ কৰিবনে ?"
"নাৰীক সন্মান দিবনে?"
"দিবনে নাৰীক আস্থা?"

---

# ১৯ শ শতিকাৰ ভাষা বিৰ্তক

মানস প্ৰতিম গগৈ

আমাৰ মাতৃভাষা হিচাপে অসমীয়া ভাষালৈ অহা সংকট সমূহ আজিৰ নহয় উনবিংশ শতিকাৰ চতুৰ্থ দশকত অসমত ভাষা প্ৰতিষ্ঠাৰ আন্দোলন অসমৰ ইতিহাসত এক উল্লেখযোগ্য অধ্যায়। ব্ৰিটিছ সকলে **১৯৩৬** চনত অসমীয়া ভাষাৰ সলনি বংলা ভাষা অসমত প্ৰচলন কৰিছিল। অসমতে অসমীয়া ভাষাটোৰ গুৰুত্ব নাইকিয়া হৈ পৰিছিল। এনে সময়ত খ্ৰীষ্টান মিছনেৰী সকলৰ প্ৰচেষ্টাত হে অসমত বাংলা ভাষাৰ সলনি অসমীয়া ভাষা প্ৰচলন হৈছিল।

অসমত যেতিয়া ব্ৰিটিছ সকলে নতুনকৈ শাসনৰ পাতনি মেলিছিল তেতিয়া ইংৰাজী ভাষা নজনাৰ বাবে আহোম প্ৰশাসনৰ লগত জড়িত বিষয়াসকল ক্ৰমে অপ্ৰাসংগিক হৈ পৰিছিল। এই বিষয়াসকলে ইংৰাজী ভাষাৰ জ্ঞান নথকাৰ লগতে ইংৰাজী জোখ-মাখ হিচাপ-নিকাচ, আইন-কানুন আদিৰ ওপৰটো জ্ঞান নাছিল। এনে সময়তে কোম্পানী চৰকাৰে আধুনিক শিক্ষাৰে শিক্ষিত চুবুৰীয়া বঙ্গদেশৰ পৰা মানুহ আমদানি কৰিব লগা হয়। এইদৰে ব্ৰিটিছ প্ৰশাসনৰ আৰম্ভণীতে ডাক্তৰ, উকিল, শিক্ষক, মহৰী আদিৰ ৰূপত জাকে জাকে বঙ্গদেশৰ মানুহ অসমত প্ৰৱেশ কৰিবলৈ সুবিধা পালে।

ড০ সত্যেন্দ্ৰ কুমান শৰ্মাই 'অসমীয়া সমীক্ষাত্মক ইতিবৃত্ত'ৰ অসমীয়া লোকৰ পৰিবৰ্তে বঙালী সকলক অনাৰ দুটা কাৰণ উল্লেখ কৰিছে—

(১) অসমীয়া শিক্ষিত সম্প্ৰদায়ৰ আৰু সম্ভ্ৰান্ত শ্ৰেণীক বিশ্বাস কৰিবলৈ টান পাইছিল।

(২) তেওঁলোকে ইংৰাজী শাসন ব্যৱস্থা সৰ্ম্পকে অনভিজ্ঞ আছিল।

এনেদৰে অসমত প্ৰবেশ কৰা বঙ্গদেশৰ এই বঙালী লোকসকলে নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ আৰু ভৱিষ্যতৰ বাবেও নিজৰ স্থান সুদৃঢ় কৰিবলৈ কোম্পানীৰ বিষয়া সকলক বাৰে বাৰে পতিয়ন নিয়াবলৈ যত্ন কৰিছিল যে অসমীয়া ভাষাটো স্বতন্ত্ৰীয়া ভাষা নহয়, ই বঙালী ভাষাৰ এটা গ্ৰাম্য অপভ্ৰংগ মাত্ৰ। সেয়ে চৰকাৰী ভাবে অসমীয়া ভাষাটো বন্ধ কৰি বাংলা ভাষা প্ৰচলন কৰিব লাগে। কোম্পানী চৰকাৰে বঙালী সকলে সৃষ্টি কৰা ভুল

ধাৰণাত পতিয়ন গৈ কাৰ্যালয় আদালত স্কুল আদিও ১৯৩৬ চনত বঙালী ভাষা প্ৰচলন কৰে। এইদৰে অসমীয়া ভাষা অসমতে নিৰ্বাসিত হৈ বঙালী ভাষাই বৰপীৰা পাৰি বহিল।

ড০ হৰিনাথ শৰ্মা দলৈয়ে অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাসত এনেদৰে উল্লেখ কৰিছে "অসমৰ বুকুৰ পৰা অসমীয়া ভাষা অপসাৰিত হোৱাত নানা ভাষাৰ সংমিশ্ৰণ হৈ অতি শোচনীয়ভাবে অসমীয়া ভাষাই বিকৃত ৰূপ গ্ৰহণ কৰে। পাঁচশ বছৰ ধৰি সুস্থ সবল ভাৱে আগবাঢ়ি অহা অসমীয়া সাহিত্য বহু উপসৰ্গ পৰিবৃত্ত ৰোগাক্ৰান্ত হৈ পৰে আৰু বিকৃত ৰূপত অহাই শেষত প্ৰাণ ৰক্ষা কৰে মাত্ৰ।

প্ৰথম অৱস্থাত অসমৰ স্থানীয় জনসাধাৰণে এই অন্যায় কাৰ্যৰ বাবে কোনো প্ৰতিবাদ কৰা নাছিল। সম্ভৱত সমাজৰ অগ্ৰণী শ্ৰেণীটোৱে মাতৃভাষাৰ গুৰুত্ব উপলব্ধি কৰিব পৰা নাছিল। লগতে প্ৰতিবাদ কৰি চৰকাৰক বিতুষ্ট কৰিব বিচৰা নাছিল। আনহাতে সাধাৰণ শ্ৰেণীটোৱে ইয়াৰ ভূকে পোৱা নাছিল। বহু অসমীয়া লোকে চাকৰিৰ আশাতে অসমীয়া ভাষাক বিসৰ্জন দি বঙালী ভাষাক আঁকোৱালি লৈছিল।

এনে ভাষা সংকটৰ সময়তে ১৯৩৬ চনত সেই সময়ৰ অসমৰ কমিছনৰ কেপ্টেইন জেনকিন্সৰ উদ্যোগত আমেৰিকান বেপ্টিষ্ট মিছনৰ এটা শাখা অসমত উপস্থিত হয়।

মিছনেৰীসকল আছিল পণ্ডিত, জ্ঞানী আৰু বাস্তৱ জ্ঞান সম্পন্ন লোক। তেওঁলোকে ভাৰতৰ বিভিন্ন স্থানত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰি ফুৰিছিল। তেওঁলোকে স্থানীয় ভাষাৰ যোগেদি খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিব বিচাৰিছিল। তেওঁলোকে জানিছিল যে মাতৃভাষাৰ দ্বাৰাহে জনসাধাৰণৰ অন্তৰ স্পৰ্শ কৰিব পৰা যায়। তেওঁলোক যেতিয়া অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ আহি দেখে অসমৰ মাতৃভাষা অসমীয়াৰ সলনি বাংলা ভাষা ব্ৰিটিছে প্ৰচলন কৰি থৈছে। এই আচহুৱা ভাষাৰ যোগেদি অসমীয়া জাতিক শিক্ষিত আৰু জ্ঞানী কৰি তোলাটো অসম্ভৱ বুলি তেওঁলোকে বুজি পাইছিল। অসমীয়া ভাষাটো এটা ঐতিহ্যসমৃদ্ধ ভাষা এই কথাও তেওঁলোকে বুজি উঠিছিল। তেওঁলোকৰ উদ্দেশ্য সফল কৰিবৰ বাবে অসমীয়াতকৈ যে উত্তম ভাষা অন্য একো নাই সেয়া অনুভৱ কৰি লুপ্তপ্ৰায় অসমীয়া ভাষা পুনৰুদ্ধাৰ কৰাটোৱে প্ৰথম আৰু প্ৰধান কৰ্তব্য বুলি বিবেচনা কৰিলে।

মিছনেৰীসকলে উপলব্ধি কৰিছিল যে অসমীয়া ভাষাই প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হ'লে বা পঢ়াশালী আদালতত এই ভাষা ব্যৱহাৰ নহ'লে ভাষাটোৰ শ্ৰীবৃদ্ধি নহ'ব। সেয়ে অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ নিৰসংগ্ৰামত তেওঁলোক জড়িত হৈ পৰিল। অসমীয়া ভাষাৰ ঐতিহ্য বিচাৰি পুৰণি আপুৰুগীয়া সাঁচিপতীয়া তুলাপতীয়া পুথি উদ্ধাৰ কৰি ছপা কৰিলে, অসমীয়া ভাষাত নানা গ্ৰন্থ লিখিলে, বিভিন্ন অঞ্চলত স্কুল স্থাপন কৰি অসমীয়া মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে আৰু অসমীয়া ভাষাৰ নায্য প্ৰাপ্তিৰ বাবে ব্ৰিটিছৰ বহু প্ৰকাৰে আবেদন কৰিলে।

মিছেনেৰীসকলে প্ৰথমে শিৱসাগৰত ছপাযন্ত্ৰ বহুৱাই খ্ৰীষ্টান ধৰ্মৰ সৰু সৰু পুস্তিকা কৰে। ইয়াৰ পাছত ১৮৪৬ চনৰ পৰা অৰুণোদই নামৰ এখন মাহেকীয়া বাৰ্তালোচনী প্ৰকাশ কৰি অসমত সংবাদ সাহিত্যৰ ভেটি প্ৰতিষ্ঠা কৰে। 'অৰুণোদই'ৰ জৰিয়তে অসমীয়া সাহিত্যই আধুনিক যুগৰ দুৱাডলিত খোজ পেলালে। নাথান ব্ৰাউন আৰু ড০ মাইলছ ব্ৰনছনে এই আন্দোলনত এজন বিশিষ্ট অসমীয়াই সঁহাৰি জনাইছিল, সেইজন হৈছে আনন্দৰাম ঢেকীয়াল ফুকন। আন এজন অসমীয়া আছিল আনন্দৰাম বৰুৱা।

১৮৫৪-৫৪ চনত জৰ্জ এ.এফ জে মিলছ চাহাব অসমলৈ আহিছিল। মিলছ চাহাবক আনন্দৰাম ঢেকীয়াল ফুকন আৰু মিছনেৰীসকলে স্মাৰক পত্ৰৰ যোগেদি অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ দাবী উত্থাপন কৰে। কিন্তু ব্ৰিটিছ চৰকাৰে এই ক্ষেত্ৰত সঁহাৰি নজনালে। ইয়াৰ পাছত ১৮৫৬ চনত ছদ্মনামত আনন্দৰাম ঢেকীয়াল ফুকনে নামৰ পুস্তিকা এখন প্ৰকাশ কৰি অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, বাংলা ভাষাৰ প্ৰৱৰ্তনে অনা বিৰূপ প্ৰভাৱৰ কথা ব্যাখ্যা কৰে। এইজন মহান ব্যক্তি ১৮৫৯ চনত মাত্ৰ ২৯ বছৰ বয়সতে মৃত্যু হোৱাত ভাষা আন্দোলনৰ দায়িত্ব ব্ৰনছনে

অকলে ল'বলগীয়া হয়। ইয়াৰ পাছত ব্ৰনচনে ১২ বছৰ কঠোৰ পৰিশ্ৰম কৰি অসমীয়া মানুহৰ মুখৰ পৰা শব্দাৱলী সংগ্ৰহ কৰি ১৪,০০০ শব্দ সংকলিত অসমীয়া অভিধানখন লিখি প্ৰকাশ কৰে।

ইয়াৰ পাছতে ব্ৰনছনে ভাষাটোৰ সপক্ষে আৰু বিপক্ষে বিভিন্ন জনৰ মত সংগ্ৰহ কৰি ১৯৭১ চনৰ ৯ মাৰ্চৰ বংগৰ লেফটেনেন্ট গৱৰ্নৰ জৰ্জ কেম্পৱেলৰ ওচৰত দাখিল কৰে। লগতে বহুতো প্ৰকাশিত পুথি সম্বলিত এখন স্মাৰক পত্ৰ দাখিল কৰে। অৱশেষত মিছনেৰীসকলৰ এনে নিৰলস প্ৰচেষ্টাৰ প্ৰতি সঁহাৰি জনাই ছাৰ জৰ্জ কেম্পবেলে বিষয়টিৰ

সম্পূৰ্ণ অনুসন্ধান কৰি ভাষাটোৰ যে নিজা এখন অভিধান আছে সেইটো নিশ্চিত হৈ অসমৰ জিলা ৰসমূহৰ উপায়ুক্ত আৰু মহকুমাদিপতি সকলৰ পৰা ক্ষেত্ৰ ভিত্তিক প্ৰতিবেদন বিচাৰে। এনে প্ৰতিবেদনসমূহত সৰহ সংখ্যকে অসমীয়া ভাষাৰ হকে মত পোষণ কৰাত গৱৰ্ণৰ জেনেৰেলে ১৮৭৩ চনৰ ২৫ জুলাইৰ পৰা অসমীয়া ভাষাৰ পুনৰ প্ৰচলনৰ নিৰ্দেশ জাৰি কৰে। এইদৰে অসমীয়া ভাষা বিদ্যালয় আৰু আদালতত পুনৰ প্ৰচলন হ'ল।

মিছনেৰীসকলৰ অসম আগমনৰ উদ্দেশ্য আছিল খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰা কিন্তু জাতি এটাৰ সংকটপূৰ্ণ কালত তেওঁলোকে নিষ্ঠাৰে আৰু আন্তৰিকতাৰে যিখিনি সেৱা আগবঢ়াই থৈ গ'ল তাৰ ফলতে অসমীয়া জাতিয়ে সংকটৰ গৰাহৰ পৰা মুক্তি লাভ কৰিবলৈ সক্ষম হ'ল। তেওঁলোকে অনুমান কৰিছিল যে অসমত অসমীয়া ভাষা অচিৰেই বিলোপ হ'ব আৰু সেই অনুমান সঁচাত পৰিণত হৈছিল। সেই সময়ত অসমৰ শিক্ষিতসকলে কিতাপ, চিঠি প্ৰতিতো বাংলা ভাষা ব্যৱহাৰ কৰিছিল। বাংলা কথা কোৱা, লিখা,, গীত গোৱা বা বঙালীৰ দৰে চুলি কটা সেই সময়ত 'ফেশ্বন হৈ পৰিছিল। অসমৰ ভিতৰুৱা অঞ্চল কিছুমানত ভাওনাৰ নাটত বাংলা ভাষাতে ৰচিত হ'ব ধৰিছিল।

এনে পৰিস্থিতিত মিছনেৰীসকলৰ আগমনক বহুতে ঈশ্বৰ প্ৰেৰিত বুলি মন্তব্য কৰিছে। অসমীয়াৰ বাবে ব্ৰাউন, ব্ৰনছনৰ ভাবমূৰ্ত্তি ধৰ্মযাজক হিচাপে নহয়,ভাষা উদ্ধাৰকাৰী অসমীয়াৰ শুভাকাংক্ষী ৰূপেহে উজলি আছে বা ভাষা-সাহিত্যৰ ত্ৰাণকতা হিচাপেহে তেওঁলোকক স্থান দিয়া হৈছে।

ব্ৰিটিছে

১৮৩৬ চনত অসমত ব্ৰিটিছে বঙালী ভাষাৰ প্ৰচলন কৰে।

১৮৩৬ চনত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল অসমলৈ আহে।

বেপ্টিষ্ট মিছনেৰী সকলে শিৱসাগৰত ছপাযন্ত্ৰ বহুৱাই খ্ৰীষ্টান ধৰ্মৰ সৰু সৰু পুস্তিকা প্ৰকাশ কৰে।

১৮৪৬ চনত 'অৰুণোদই' নামৰ বাৰ্তা আলোচনীৰ প্ৰকাশ কৰে।

ডও মাইলছ ব্ৰনছনে ১৪,০০০ শব্দ সংকলিত অসমীয়া অভিধান এখন লিখি প্ৰকাশ কৰে।

অৱশেষত ১৮৭৩ চনত অসমত পুনৰ অসমীয়া ভাষা প্ৰচলন হয়।

# Article on Child Labour

Child labour is one of the greatesl vices that the world needs to do away with as soon as possible. It refer to the employment of children under a legally specified age, preventing them from gaining access to formal education, Fill around the world, every country is trying to do everything in their power to stop child labour. However, abolishing child labour completely is a goal yet to be achieved.

Every country has proposed reles against child labour, and anyone who is found breaking the law would be subject to imprisonment or some kind of punishment as dumed by the court of law. In India the Indian Constitution lays out rules against child labour under Article 24, which states, "No child beloue the age of fearteen shall be employed in any hazardous employment". There are also other constitutional provisionss for child upliftment in the Indian constitation, which include the Right to education under article 21 A (Free and compulsory education for all children from the age of six to fourteen and Article 39 points out that the state shall in particular direct its policy towards "Securing the health and strenght of workers men and wormen and the tender age of children are not forced by economic necescity to entr avocations unsuited to their age or strenght.

The major reason be hind the child

labour is poverty. When parents cannot afford of send their children to school and give them basic education, they send their children to work According to the 2020 Global Eestimates of child Labour, 1 in 10 of all children worldweide are engaged in child labour, accounting for around 160 million child workers. According to Internatienal Labour Organisation, the wersl forms of child labour include all kinds of stavery (trafficking, debl bondage, serfdom etc), procuring children for proctitation or pornography, using children for illegal activities and any work that would harm the health safety or morals of children.

2021 has been declsared as the International year for the Elimation of child labour and it is high time that we do something concrete to stop any more children from being forced into labour due to their familial situations or economic status. There are people around the world trying to depid the issue of child labour through art and also there are numerous stories, portraits, movies talk shows on child labour. The need of hour is action, not comtemplation, No matter how many times child labour is discussed on public forums the fact that everyone should understand is that child labour is not something that sould be just spoken about but something that should be put an end to.

Children are seen as the jay of every family and to remain so, Children should be able to be jayful let us help children from every correr of the world to be to able to jogful and so the good in everyone around then by giving them the opportunitg to avail proper formal education and a choice to live a happy childhood, so thay can growing us to become individual who care and look out for the ones in need.

Dikshita Kakoty
B.A 4th Sem
Sonari College

---

# টাইফাকে জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যাৱলী

ধনজিৎ গগৈ
চতুৰ্থ ষান্মাসিক
ইংৰাজী বিভাগ

ইতিহাসৰ বুকুত মানৱজাতিৰ প্ৰতিটো জনগোষ্ঠীৰজাতীয় ইতিবৃত্ত, পৰম্পৰা কিছু পৰিমাণে হ'লেও বিৰাজমান। ভাষা-সাহিত্য, গীত-মাত, পৰম্পৰাগতআচাৰ অনুষ্ঠান, সাজপাৰ, খাদ্যাভাস আদিৰ ক্ষেত্ৰত সাংস্কৃতিক ঐতিহ্য বহন কৰি অহা টাইফাকে জনগোষ্ঠী হ'ল উত্তৰ পূৰৱ এক টাই জনগোষ্ঠী। চীনৰ হবাং উপত্যকাৰ পৰা অসমলৈ তেওঁলোকৰ প্ৰৱজন ঘটিছিল। আহোম বুৰঞ্জীত উল্লেখিত ফাকে-চেৰিং আৰু কাংতাও বুলি অভিহিত মৌংফাকে ৰাজ্য অতিক্ৰম কৰি চ্যুকাফাই অসমলৈ আহিছিল। সেই ৰাজ্যৰ পৰ্বত পাহাৰেৰে আবৃত ঠাইৰ বাসিন্দা হিচাপে টাই জাতিৰ লোকসকলক ফাকে বুলি অভিহিত কৰা হৈছিল।

পৰম্পৰাগত সাজ-পাৰ, গীত-মাত , আচাৰ অনুষ্ঠান আদিৰ সমান্তৰালভাৱে টাইফাকে জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য সম্ভাৰে সকলোকে মোহিত কৰি আহিছে। টাইফাকে জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য সম্ভাৰৰ আছে এক সুকীয়া বৈশিষ্ট। টাই মূলৰ লোকসকলে উৎপাদন কৰা লাহি ধানৰ পৰা প্ৰস্তুত কৰা টোপোলা ভাত হৈছে টাইফাকে সকলে গ্ৰহণ কৰা খাদ্যসমূহৰ

ভিতৰত অন্যতম স্থানীয় ভাষাত ইয়াক কোৱা হয় "খাও হ" (খাও-ভাত, হ-টোপোলা)। লগতে জনগোষ্ঠীটোৰলোকসকলৰ মাজত সৰ্বাধিক জনপ্ৰিয় আন এবিধ খাদ্য সম্ভাৰ হৈছে সম্পূৰ্ণ থলুৱাভাৱে প্ৰস্তুত কৰা 'পা টোম' (টেঙা মাছৰ ব্যঞ্জন। পা মানে মাছ আৰু টোম মানে টেঙা। কেঁচা মাছ খুন্দনাত ভালকৈ খুন্দি নিমখ মিহলাই বাঁহৰ টুকুৰীত পাতেৰে টোপোলা কৰি ১০ বা ১৫ দিন থৈ খোৱাৰ সময়ত অলপমান সিঁজাই এইবিধ ব্যঞ্জন পৰিৱেশন কৰা হয়। টাইফাকে সকলৰ সামাজিক জনজীৱনত এই পা টোম এক অপৰিহাৰ্য্য বস্তু। জনগোষ্ঠীটোৰ বিবাহ অনুষ্ঠান তথা অন্যান্য ধৰ্মীয় অনুষ্ঠানসমূহত কিঞ্চিত পৰিমাণে হ'লেও পা টোম যোগাৰ কৰাটো এটা নিয়মত পৰিণত হৈছে।

ইয়াৰ সমান্তৰালভাৱে টাইফাকে সমাজত বহুল প্ৰচলিত অন্যান্য পৰম্পৰাগত খাদ্য সম্ভাৰ হৈছে। 'পা চা' (কেঁচা উৰিয়াম পাতৰ সৈতে তৈয়াৰ কৰা মাছৰ চুপ) 'খাও লাখ' (চুঙা ভাত) 'খাও পুৰ' (তিল আৰু বৰা চাউলেৰে তৈয়াৰী এবিধ পিঠা) 'সো হ খান (পাতেৰে মেৰিয়াই সিজোৱা এবিধ পিঠা) 'পা পুক' (তৰকাৰী বিশেষ), পা মক, পা পিং, লৌচোৱা, নৌলাম আদি উল্লেখযোগ্য। তদুপৰি খাউ ছয়, পাইংলাম, পাইং পুং, পাইং লয়, পাহুং তেপ আদি লঘু খাদ্যৰ ব্যৱহাৰে টাইফাকে সমাজত বহুলভাৱে সমাদৃত।

সাম্প্ৰতিক কালত টাইফাকে সমাজত আধুনিক তৈলযুক্ত ৰন্ধন প্ৰণালীৰ প্ৰচলন হৈছে যদিও পৌৰাণিক খাদ্য প্ৰণালীৰে খাদ্য প্ৰস্তুত কৰাৰ নৈপুন্যতা আজিও ফাকিয়াল সমাজত বিদ্যমান। আধুনিক প্ৰযুক্তিয়ে স্পৰ্শ কৰিলেও টাইফাকে সকলৰ জনজীৱন সম্পূৰ্ণ পৰম্পৰাগত পদ্ধতিৰে চলি আহিছে। টাইফাকেসকলৰ দৈনন্দিন খাদ্যৰ তালিকাত সাধাৰণতে বনৰীয়া শাক-পাচলিৰ অধিক প্ৰাধান্যতা পৰিলক্ষিত হয়। বিভিন্নধৰণৰ বনৰীয়া শাক তেওঁলোক মছলা হিচাপে ব্যৱহাৰ কৰা দেখা যায়। প্ৰস্তুতকৰণৰ স্বকীয়তা, পৰিৱেশন কৌশল তথা খাদ্যৰ সুস্বাদৰ বাবে টাইফাকে জনগোষ্ঠীৰ খাদ্যসম্ভাৰে বৰ্তমান সময়ত অসমৰ অন্য লোকসকলৰ মাজতো বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

## ২০২১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কামৰ খতিয়ান

- মহাবিদ্যালয়ৰ সৌন্দৰ্য্যতা বৰ্তাই ৰাখিবলৈ মহাবিদ্যালয়ৰ দেৱালত চিত্ৰ অংকন কৰা হয়।
- মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক সকলক বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।
- মহাবিদ্যালয়ত ন ছাত্ৰ-ছাত্ৰীক আদৰাৰ উদ্দেশ্যেৰে এখনি নৱাগত আদৰণি সভা তথা সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়।
- মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ কৰি ৰখাৰ উদ্দেশ্যে ছাত্ৰ একতা সভাৰ উদ্যোগত চাফাই অভিযান চলোৱা হয়।
- আন্ত মহাবিদ্যালয়ৰ ভলীবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয় আৰু মহাবিদ্যালয়ে দ্বিতীয় স্থান লাভ কৰে।
- মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আন্ত মহাবিদ্যালয়ৰ অন্যান্য খেল সমূহত প্ৰায় দহটাকৈ পদক জয় কৰিবলৈ সক্ষম হয় আৰু প্ৰায় সকলো আন্ত মহাবিদ্যালয়ৰ সকলো অনুষ্ঠানতে অংশগ্ৰহণ কৰে।



ড° ৰঘুনাথ কাগ্‌যুং
মুৰব্বী অসমীয়া বিভাগ



ড° ৰীতা দত্ত
অসমীয়া বিভাগ



পদ্মকুমাৰী গগৈ
অসমীয়া বিভাগ



বিদ্যাৰ্থ বড়া
অসমীয়া বিভাগ



ৰেখামণি গগৈ
অসমীয়া বিভাগ



ড° সুনীল দত্ত
মুৰব্বী, ইংৰাজী বিভাগ



ড° দীপাঞ্জলি গগৈ
ইংৰাজী বিভাগ



অঞ্জুআৰা বেগম
ইংৰাজী বিভাগ



ড° অনিতা কোঁৱৰ
ইংৰাজী বিভাগ



বিনোদৰাজ খনিকৰ
মুৰব্বী, ৰাজনীতি বিভাগ



ড° চক্ৰপাণি পাতিৰ
ৰাজনীতি বিভাগ



ড° লাকী চেতিয়া
ৰাজনীতি বিভাগ



দ্বীপজ্যোতি বড়া
ৰাজনীতি বিভাগ



দিলীপ ৰঞ্জন বৰুৱা
অৰ্থনীতি বিভাগ



মিণ্টু গগৈ
মুৰব্বী, অৰ্থনীতি বিভাগ



পৰাণন কোঁৱৰ
অৰ্থনীতি বিভাগ



সুশীল চুঁড়ী
মুৰব্বী, বুৰঞ্জী বিভাগ



দিব্যজ্যোতি কোঁৱৰ
বুৰঞ্জী বিভাগ



লিণ্ডি গড়উইন
বুৰঞ্জী বিভাগ



ড° প্ৰণিতা কলিতা
মুৰব্বী, শিক্ষাতত্ত্ব বিভাগ



ধনদা কোঁৱৰ
শিক্ষাতত্ত্ব বিভাগ



যতীন্দ্ৰনাথ শইকীয়া
শিক্ষাতত্ত্ব বিভাগ



নবীন গগৈ
মুৰব্বী, পদাৰ্থ বিভাগ



ৰীণা বৰঠাকুৰ
পদাৰ্থ বিভাগ



সুভম সেন
পদাৰ্থ বিভাগ



ড° ৰাণা কোঁৱৰ
ৰসায়ন বিজ্ঞান বিভাগ



অমৃত কুমাৰ বৰপূজাৰী
মুৰব্বী, ৰসায়ন বিজ্ঞান বিভাগ



সুচিত্ৰ নাৰায়ণ ৰাজখোৱা
ৰসায়ন বিজ্ঞান বিভাগ



কাশ্মিৰী আহমেদ
ৰসায়ন বিজ্ঞান বিভাগ



ৰাণা কোঁৱৰ, মুৰব্বী
প্ৰাণীবিজ্ঞান বিভাগ



জ্যোতিপ্ৰসাদ ফুকন
প্ৰাণীবিজ্ঞান বিভাগ



পূবালী বৰা
প্ৰাণীবিজ্ঞান বিভাগ



অমৃতা মেচ
প্ৰাণীবিজ্ঞান বিভাগ



টংকেশ্বৰ বৰুৱা
গণিত বিভাগ



ভূপেন চন্দ্ৰ দিহিঙ্গীয়া
মূৰব্বী, গণিত বিভাগ



মনোৰঞ্জন কোঁৱৰ
গণিত বিভাগ



ফণীন্দ্ৰ কুমাৰ বৰুৱা, মূৰব্বী
উদ্ভিদবিজ্ঞান বিভাগ



ত্ৰিদীশা বৰগোহাঁই
উদ্ভিদবিজ্ঞান বিভাগ



জেছমিন চেতিয়া
উদ্ভিদবিজ্ঞান বিভাগ



মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ বিষয়া কৰ্মচাৰীসকল

# মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০১৯-২১ বৰ্ষ



সীমান্ত হাজৰিকা
সভাপতি



প্ৰণামী বৈশ্য
উপ-সভানেত্ৰী



পল্লৱ কাকতি
সাধাৰণ সম্পাদক



আইভী ৰাজকুমাৰী
সহঃ সাধাৰণ সম্পাদিকা



ঋতুৰাজ চাংমাই
সমাজসেৱা বিভাগ



বিষ্ণু প্ৰধান
সম্পাদক, ছাত্ৰ জীৱণিচৰা



অনুপম শইকীয়া
আলোচনীসম্পাদক



মন্দিৰা পাল
সম্পাদিকা, ছাত্ৰী জীৱণিচৰা



ত্ৰিবেণী বুঢ়াগোঁহাই
সম্পাদিকা, সংগীত বিভাগ



হোমেন গগৈ
সম্পাদক, সাহিত্য বিভাগ



বেদান্ত বৰঠাকুৰ
সম্পাদক, গুৰু ক্ৰীড়া বিভাগ



চাহিদ আলি
সম্পাদক, লঘু ক্ৰীড়া বিভাগ



সুৰজিত কোঁৱৰ
সম্পাদক, তৰ্ক বিভাগ




মানস সন্দিকৈ
সম্পাদক, সাংস্কৃতিক বিভাগ



মাচুম হুছেইন
সম্পাদক, শৰীৰচৰ্চা বিভাগ





শেষ যেন লাগিলে আহি চাব এই পদূলীলৈ,
আহিলে দেখিব জী উঠিব আপোনাৰ সেই মৰহা পৃথিৱী

-পল্লৱ কাকতি

SCAN ME